# বাজেট অধিবেশন

(অসংশোধিত/প্ৰকাশৰ বাবে নহয়)

## কাৰ্যবিৱৰণী

## তাৰিখ ঃ ২২/০২/২০১৯ শুকুৰবাৰ

**আজি ইংৰাজী ২২-০২-২০১৯ তাৰিখে পুৱা ৯.৩০ বজাৰ পৰা অসম বিধান সভাৰ ২০১৯ চনৰ বাজেট অধিৱেশনৰ কাৰ্য্যসূচী মাননীয় অধ্যক্ষ শ্ৰী হিতেন্দ্ৰ নাথ গোস্বামীৰ অধ্যক্ষতাত আৰম্ভ হয়।**

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্নকালীন ঘণ্টা। প্ৰশ্ন নং-১৯৪, মাননীয় সদস্য সুৰেন ফুকন। তেখেত উপস্থিত নাই। এতিয়া প্ৰশ্ননং-১৯৫, মাননীয় সদস্য আব্দুল ৰছিদ মণ্ডল।

**শ্ৰী ৰঞ্জিত দত্ত, মাননীয় মন্ত্ৰী, হস্ততাঁত, বস্ত্ৰ আৰু ৰেচম, খাদ্য আৰু অসামৰিক যোগান বিভাগ ইত্যাদি ঃ** উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰী আব্দুল ৰছিদ মণ্ডল, বিধায়ক (পূব গোৱালপাৰা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, National Food Security ৰ অধীনত মই কেইটামান প্ৰশ্ন কৰিছিলো আৰু তাৰ উত্তৰো দিছে। দেখা গৈছে যে গোৱালপাৰা জিলাৰ ২০১১ চনৰ চেনচাচঅনুযায়ী যিমান জনসংখ্যা আছে, সেই হিচাপে যিটো norms আছিল সেইটো Rural Area ত ৮৪.১৭ শতাংশ আৰু Urban Area ত ৬১.৩৫ শতাংশ মানুহক আমি এই Act ৰ অধীনত সামৰিব লাগে। ২০১৩ চনৰ Act খন ২০১৫ চনত অমি Effective কৰিছো। বৰ্তমান ২০১৯ চন চলি আছে। কিন্তু গোৱালপাৰা জিলাত এই Act খন সম্পূৰ্ণৰূপে ৰূপায়ণ হোৱা নাই আৰু যিহেতু ১০০ শতাংশ ৰূপায়ণ কৰা টাৰ্গেট আছিল, সেয়েহে কেতিয়ালৈকে সম্পূৰ্ণৰূপে ৰূপায়ণ কৰা হ'ব। গোৱালপাৰা জিলা ভাৰতবৰ্ষৰ ভিতৰত 115 খন Aspirational District ৰ ভিতৰত এখন হিচাপে চিনাক্তকৰণ কৰা হৈছে। Aspirational District হিচাপে ভাৰত চৰকাৰৰ এটা Instruction আছে যে No deserving people should be left out from the selection. ২০১১ চনৰ চেনচাচ হিচাপে এই Act আৰম্ভ হৈছিল আৰু এইটো এটা Continiuous process. সেই হিচাপে জনসংখ্যা নিশ্চয় বৃদ্ধি হৈছে। গতিকে গোৱালপাৰা জিলাত deserving মানুহৰ Selection কেতিয়ালৈকে সম্পূৰ্ণ হ'ব।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। মাননীয় মন্ত্ৰীয়ে উত্তৰ দিব।

**শ্ৰী ৰঞ্জিত দত্ত, মাননীয় মন্ত্ৰী, হস্ততাঁত, বস্ত্ৰ আৰু ৰেচম, খাদ্য আৰু অসামৰিক যোগান বিভাগ ইত্যাদি ঃ** মাননীয় অধ্যক্ষ মহোদয়, আব্দুল ৰছিদ মণ্ডল ডাঙৰীয়াই গোৱালপাৰা জিলাৰ Food Security Act ৰ কথা কৈছে। গোৱালপাৰা জিলাত আমাৰ মুঠ জনসংখ্যাৰ ১৫,৭১৫ জন এই এক্টৰ পৰা বাদ পৰি আছে। দ্বিতীয়তে, ইয়াৰ নিয়ম অনুযায়ী গাওঁ অঞ্চলৰ Rural Area ত ৮৪.১৭ শতাংশ আৰু Urban Area ত ৬১.৩৫ শতাংশ মানুহক আমি AAY আৰু PHH ৰ অধীনত যিটো ৩ টকীয়া চাউল দিব লাগে তাৰ কাৰ্ড আমি যোগান ধৰিব লাগে। কথাটো হ'ল যে যিখিনি মানুহ তাত বাদ পৰি আছে আৰু আমি যিটো টাৰ্গেট দিছো, গোৱালপাৰা জিলাত মুঠ ৰেচন কাৰ্ড AAY পায়- ১৯,৫৯২ আৰু PHH য়ে পাইছে- ১৫৯৪৫ আৰু ইয়াত মুঠ জনসংখ্যা আছে-১০,৮১৮৩ জন। গতিকে আমাৰ যিখিনি দুখীয়ালোক কাৰ্ডৰ পৰা বাদ পৰি আছে,

ইয়াত যিটো নিয়ম আছে চাউলৰ ৰেছন কাৰ্ডৰ ক্ষেত্ৰত যে ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইনৰ অধীনত চাউলৰ ৰেছন কাৰ্ড পাবলৈ হ'লে তেওঁলোকে গাওঁ পঞ্চায়ত, পৌৰ নিগম, নিকায়, জিলাধিপতি, মহকুমাধিপতিৰ ওচৰত আবেদন দাখিল কৰিব লাগিব। এই আবেদন খিনি পৰীক্ষা কৰাৰ পিছত আমাৰ তাত থকা জিলা পৰ্য্যায়ত আৰু ব্লক পৰ্য্যায়ৰ কমিটীৰ যোগেদি বাঁচনি কৰাৰ পিছত আমি তেওঁলোকক চাউলৰ কাৰ্ড যোগান ধৰিব পাৰিম। বহুতো ধনী মানুহৰ নাম চাউলৰ কাৰ্ডৰ বাদ পৰিব। অসমত যিসকল ধনী লোকৰ চাউলৰ কাৰ্ড আছিল, যিটো আগৰ প্ৰক্ৰিয়াত বাঁচনি কৰা হৈছিল, আমি তেওঁলোকক আবেদন কৰিছিলো যে সেই কাৰ্ড ঘূৰাই দিবলৈ আৰু কিছুমান লোকে নিজেই ঘূৰাই দিছে। বাকী ক্ষেত্ৰত আমাৰ জিলা পঞ্চায়ত, ব্লক লেভেল আৰু পঞ্চায়তৰ প্ৰতিনিধিসকলে তেওঁলোকৰ কাৰ্ডসমূহ বাতিল কৰিছে। মাননীয় সদস্য আব্দুল ৰছিদ মণ্ডল ডাঙৰীয়া গোৱালপাৰা জিলাৰ District Vigilance Committee ৰ সদস্য হয়। গতিকে আপুনি আপোনাৰ জিলাখনৰ যিখিনি লোক বাদ পাৰ গৈছে, আপুনি যদি নিয়মৰ প্ৰক্ৰিয়াৰে বাঁচনি কৰি আনিব পাৰে, নিশ্চয় তেওঁলোকক কাৰ্ড যোগান ধৰিব পাৰিম।

**শ্ৰী আব্দুল ৰছিদ মণ্ডল, বিধায়ক ( পশ্চিম গোৱালপাৰা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই কেইটামান Specific প্ৰশ্ন কৰিছিলো। কিন্তু মই তেখেতৰ উত্তৰত সন্তুষ্ট হ'ব পৰা নাই। তেওঁ যিখিনি উত্তৰত লিখিছে, সেইখিনিয়েই কৈছে। তেওঁ কৈছে যে ১৫,৭১৫ জন টাৰ্গেটেড বেনিফিচিয়াৰী বাদ পৰি আছে। তেওঁলোকক কেতিয়ালৈকে দিয়া হ'ব। এইখিনি ২০১৫ চনৰ কথা আছিল। এইটো মোৰ প্ৰথম প্ৰশ্ন আছিল। দ্বিতীয় প্ৰশ্ন আছিল যে এইটো যিহেতু এটা Continiuous process. আৰু ২০১৫ চনতে এই লোকসকল বাদ পৰিছিল। সেয়েহে নিশ্চিত ভাৱে এই টাৰ্গেট বাঢ়ি গৈছে। In addition to that as Goalpara is a Aspirational District. ইয়াত কোনো যোগ্য মানুহ বাদ পৰিব নালাগে। গতিকে ১০০ শতাংশই পাব লাগে আৰু কিমান দিনৰ ভিতৰত দিয়া হ'ব? National Food Security Act ৰ ক্ষেত্ৰত এইটো কেতিয়ালৈকে সম্পূৰ্ণ হ'ব?

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰীয়ে উত্তৰ দিয়ক।

**শ্ৰী ৰঞ্জিত দত্ত, মাননীয় মন্ত্ৰী, হস্ততাঁত, বস্ত্ৰ আৰু ৰেচম, খাদ্য আৰু অসামৰিক যোগান বিভাগ ইত্যাদি ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আগতেই কৈছো যে গোৱালপাৰ জিলাত বাঁচনি প্ৰক্ৰিয়াৰ মুঠ জনসংখ্যাৰ ১৫,৭১৫ জন টাৰ্গেটেড বেনিফিচিয়াৰী বাদ পৰি আছে। আমি যদি কাৰ্ডৰ সংখ্যা ৫ খনকৈ ধৰো খুব বেছি ৩ হাজাৰৰ পৰা ৫ হাজাৰ কাৰ্ড হোল্ডাৰ হ'ব পাৰে। আমাৰ গোৱালপাৰা জিলাত খুব বেছি হয়াতো ২০০০ কাৰ্ড বাদ পৰি আছে। আপুনি চিলেকশ্যন কমিটীৰ, District Monitoring Committee, Block Level Committee ৰ সদস্য হয়। গতিকে কোনো ধনী মানুহৰ নাম যদি এই কাৰ্ডত অন্তৰ্ভুক্ত হৈ আছে, তেনেকুৱা মানুহৰ নাম আপোনালোকে নিজেই কৰ্ত্তন কৰিব লাগে বা তেখেতসকলক আহ্বান কৰিব লাগে যে তেওঁ কাৰ্ডখন কোনোবা দুখীয়া মানুহক দিবৰ বাবে। আমি অসম চৰকাৰে এইটো আবেদন কৰিছো আৰু আবেদন কৰাৰ পিছত বহুতো কাৰ্ড Surrender কৰিছে ।

**মাননীয় সদস্য শ্ৰী আব্দুল ৰশিদ মণ্ডল (পশ্চিম গোৱালপাৰা)ঃ** Replacement issue টো বেলেগ।

**মাননীয় অধ্যক্ষঃ** মন্ত্ৰী ডাঙৰীয়া, মই ভাৱো যে আপুনি debate লৈ নোযোৱাই ভাল।

**শ্ৰী ৰঞ্জিৎ দত্ত, মাননীয় মন্ত্ৰী, খাদ্য আৰু অসামৰিক যোগান, ইত্যাদিঃ** অধ্যক্ষ মহোদয়, মই debate লৈ যোৱা নাই। তেখেতে যিটো প্ৰশ্ন কৰিছে তাৰ উত্তৰটো মই দিব লাগিব।

**মাননীয় অধ্যক্ষঃ** আপুনি উত্তৰটো দিয়ক। কিন্তু, তেখেতে যিহেতু replacement ৰ প্ৰসংগ বিচৰা নাই গতিকে আপুনি ক'ব পাৰে যে ইমানখিনি replace হ'লে আমি সেইখিনিও মিলাই ল'ব পাৰিম।

**শ্ৰী ৰঞ্জিৎ দত্ত, মাননীয় মন্ত্ৰী, খাদ্য আৰু অসামৰিক যোগান, ইত্যাদিঃ** আপোনাৰ গোৱালপাৰাত population target হ'ল ৮,২০,৬৮৬। তাৰ ভিতৰত আমি ৮,০৪,০৭১ জন ব্যক্তিক সামৰি লৈছো গতিকে ১৫,৭১৫ গৰাকী ব্যক্তি বাদ পৰি গৈছে। সেয়েহে নিয়ম অনুসৰি এই বাদ পৰি যোৱা ব্যক্তি কেইজনে Block, Panchayat, District Office ত apply কৰিব পাৰে। Selection প্ৰক্ৰিয়া আপোনালোকৰ হাতত আছে, লগতে District Vigilance & Monitoring Committee ৰ আপুনি Member হয় গতিকে আপোনাৰ সমষ্টি বা আপোনাৰ জিলাত যিকেইজন বাদ পৰি গৈছে, তেওঁলোকক selection কৰি দি দিয়ক। আমি কাৰ্ড দিবলৈ তথা যিবিলাক gap আছে সেইবোৰ fill up কৰিবলৈ প্ৰস্তুত আছো। গতিকে আপোনালোকে list দিয়ক। আপোনালোকে list দিয়াৰ পিছত আমাৰ বিভাগীয় বিষয়া সকলে বা জিলা উপায়ুক্ত সকলে নিশ্চয় আপোনালোকক কাৰ্ড দিয়াৰ ব্যৱস্থা কৰিব।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে।

**মাননীয় সদস্য শ্ৰী আব্দুল ৰশিদ মণ্ডল (পশ্চিম গোৱালপাৰা)ঃ** অধ্যক্ষ মহোদয়, মই আকৌ ক'ম যে এই ক্ষেত্ৰত মন্ত্ৰী মহোদয়ে যিটো কৈছে যে দৰ্খাস্ত দিব লাগে, এই বিষয়ত Vigilance & Monitoring Committee ৰ মিটিঙতো resolution লোৱা আছে। সেইবোৰ সকলো কৰা হৈছে, কিন্তু জিলা প্ৰশাসনে দিয়া নাই। মোৰ সমষ্টিৰ ক্ষেত্ৰত মই নিশ্চিত ভাৱে ক'ব পাৰো যে এই দৰ্খাস্ত সমূহ জিলা প্ৰশাসনৰ হাততে আছে।

**মাননীয় অধ্যক্ষঃ** অৰ্থাৎ আপুনি জিলা প্ৰশাসনে পঠিওৱা নাই বুলি অনুভৱ কৰে নেকি ?

**মাননীয় সদস্য শ্ৰী আব্দুল ৰশিদ মণ্ডল (পশ্চিম গোৱালপাৰা)ঃ** হয়, আজি কেইবা বছৰ ধৰি কামখিনি কৰাই নাই। গতিকে এইবোৰ কেতিয়া সম্পূৰ্ণ কৰিব ?

দ্বিতীয়তে, মন্ত্ৰী মহোদয়ে নিজেই replacement ৰ কথা উল্লেখ কৰিছে। গতিকে গোৱালপাৰা জিলাত যিমান undeserving ব্যক্তি আছে তেওঁলোকক বাদ দি যিবোৰ deserving ব্যক্তি আছে তেওঁলোকক চিনাক্ত কৰি কাৰ্ড দিব লাগে।

**মাননীয় অধ্যক্ষঃ** এইখিনিতে মই এটা কথা সুধিব বিচাৰিছো যে undeserving ব্যক্তিখিনিক আপোনালোকে বাদ দিব পাৰে নেকি ?

**মাননীয় সদস্য শ্ৰী আব্দুল ৰশিদ মণ্ডল (পশ্চিম গোৱালপাৰা)ঃ** District Vigilance & Monitoring Committee য়ে নোৱাৰে।

**মাননীয় অধ্যক্ষঃ** তেনেহ'লে জিলা প্ৰশাসনে কি কৰিছে সেইটো জানি লওঁক। সেইটোৱে মূল কথা।

**মাননীয় সদস্য শ্ৰী আব্দুল ৰশিদ মণ্ডল (পশ্চিম গোৱালপাৰা)ঃ** হয়। মোৰ আৰু এটা প্ৰশ্ন আছিল যে কিছুমান inaccessible char area ত এতিয়াও Fair Price Shop নাই যাৰ ফলত সেই এলেকাৰ মানুহবোৰে নদী পাৰ হৈ বেলেগ ঠাইৰ Fair Price Shop ত যাব লগীয়া হয়। গতিকে চৰকাৰে population criteria আৰু inaccessible char area ত কেতিয়া Fair Price Shop দিয়াৰ ব্যৱস্থা কৰিব ?

**শ্ৰী ৰঞ্জিৎ দত্ত, মাননীয় মন্ত্ৰী, খাদ্য আৰু অসামৰিক যোগান, ইত্যাদিঃ** মাননীয় অধ্যক্ষ মহোদয়,

মই আপোনাৰ যোগেদি মাননীয় সদস্য গৰাকীক এই ব্যৱস্থাটো কিয় এনেকুৱা হৈছে, আজি যে ইমান মানুহ বাদ পৰি গৈছে বুলি প্ৰশ্ন উত্থাপন কৰিব লগীয়া হৈছে, সেই সম্পৰ্কে সুধিব বিচাৰিছো যে ২০১৩ চনত এই আইন বলবৎ হোৱাৰ পিছত selection প্ৰক্ৰিয়াটো কাৰ চৰকাৰৰ দিনত হৈছিল? আপোনালোকে যদি ধনী মানুহৰ নাম অন্তৰ্ভূক্ত নকৰিলেহেঁতেন তেন্তে এই পৰিস্থিতি নহ'লহেঁতেন।

**মাননীয় সদস্য শ্ৰী আব্দুল ৰশিদ মণ্ডল (পশ্চিম গোৱালপাৰা)ঃ** ২০১৫ চনতহে ইয়াক effective কৰা হৈছিল। আমি এক বছৰ কৰিলো কিন্তু আপোনালোকে যোৱা দুবছৰে কিয় নোৱাৰিলে? তিনি বছৰত ১৫ হাজাৰ মানুহক কিয় দিব নোৱাৰিলে?

**শ্ৰী ৰঞ্জিৎ দত্ত, মাননীয় মন্ত্ৰী, খাদ্য আৰু অসামৰিক যোগান, ইত্যাদিঃ** মাননীয় অধ্যক্ষ মহোদয়, এই selection প্ৰক্ৰিয়াটোত প্ৰকৃত দুখীয়া মানুহক যদি হিতাধিকাৰীৰ তালিকাত অন্তৰ্ভূক্ত কৰিলেহেঁতেন তেন্তে এই সমস্যাটো নাথাকিলেহেঁতেন। কিন্তু, AAY-PHH আঁচনিৰ তালিতাত বহুতো ধনী লোকৰ নাম অন্তৰ্ভূক্ত হোৱা দেখা গৈছে।

**মাননীয় সদস্য শ্ৰী আব্দুল ৰশিদ মণ্ডল (পশ্চিম গোৱালপাৰা)ঃ** আগতে আছিলে কিন্তু এতিয়া এইবোৰ replace কৰিব লাগে।

**শ্ৰী ৰঞ্জিৎ দত্ত, মাননীয় মন্ত্ৰী, খাদ্য আৰু অসামৰিক যোগান, ইত্যাদিঃ** এতিয়া এইবোৰ কোনে কৰিব?

**মাননীয় অধ্যক্ষঃ** I think it is enough. আপোনালোকে বিতৰ্কলৈ নাহিব।

মন্ত্ৰী ডাঙৰীয়া, আপোনাক সোধা হৈছে যে, District Administration ৰ হাতত যিখিনি দৰ্খাস্ত আছে সেইখিনি চাই মেলি তেওঁলোকে বিভাগলৈ কেতিয়া পঠিয়াব? সেয়েহে আপুনি তাৰ উত্তৰটোহে দিয়ক। সময় সীমা নকলেও নাই।

**শ্ৰী ৰঞ্জিৎ দত্ত, মাননীয় মন্ত্ৰী, খাদ্য আৰু অসামৰিক যোগান, ইত্যাদিঃ** হয় অধ্যক্ষ মহোদয়, মই আপোনাৰ যোগেৰে মাননীয় সদস্য গৰাকীক আশ্বস্ত কৰিব বিচাৰিছো যে তেখেতৰ সমষ্টিত যদি এনেধৰণৰ কিবা সমস্যা আছে বা কোনোবা দুখীয়া লোক যদি বাদ পৰি গৈছে, তেওঁলোকক নতুনকৈ অন্তৰ্ভূক্ত কৰিব লাগে তেন্তে তেওঁ মোক লগ ধৰি কথাখিনি কওঁক, মই বিভাগৰ লগত আলোচনা কৰি আপোনাৰ সমস্যা খিনি সমাধান কৰি দিম।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে। Next, supplementary - আবুল কালাম ৰশিদ আলম।

**মাননীয় সদস্য শ্ৰী আবুল কালাম ৰশিদ আলম (পূৰ্ব গোৱালপাৰা)ঃ** অধ্যক্ষ মহোদয়, কিছু সংখ্যক কাৰ্ড surrender কৰা হৈছে যদিও কিছুমান false card এতিয়াও control ৰ দোকান চলোৱা agent সকলৰ হাতত আছে। সেয়েহে, মই এটা পৰামৰ্শ দিব বিচাৰিছো যে বিভাগীয় কৰ্তৃপক্ষৰ জৰিয়তে যাতে এই false card বোৰ বিচাৰি উলিয়াই জব্দ কৰে। মই নিজেই কেইবাটাও Vigilance ৰ মিটিং কৰিছো আৰু তাৰ পৰাই মই জানিবলৈ পাইছো যে একোজন control ৰ দোকানীৰ হাতত গড়ে কমেও ৫-১০ খনকৈ false card আছে। সেয়েহে মই বিচাৰিছো যাতে সকলো false card surrender কৰাই লৈ যি সকলৰ original ration card আছে তেওঁলোকে সংশ্লিষ্ট বিষয়াক id proof দেখুৱাই তেওঁলোকৰ কাৰ্ড সমূহ যাতে লৈ যাব পাৰে তেনে ধৰণৰ ব্যৱস্থা মন্ত্ৰী মহোদয়ে সোনকালে কৰিব নেকি ?

**শ্ৰী ৰঞ্জিৎ দত্ত, মাননীয় মন্ত্ৰী, খাদ্য আৰু অসামৰিক যোগান, ইত্যাদিঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় সদস্য গৰাকীক ধন্যবাদ দিছো কিয়নো তেখেতে প্ৰশ্নটো কৰিছে লগতে উত্তৰটোও

দিছে।

অধ্যক্ষ মহোদয়, agent ৰ হাতত false card থকা কথাটো সত্য আৰু মই নিজেও মোৰ সমষ্টিত দেখিবলৈ পাইছো। আমাৰ চৰকাৰ অহাৰ পিছত আমি এই বিভাগটো কঠোৰ কৰাৰ বাবে বহুতো false card জব্দ কৰিবলৈ সক্ষম হৈছো। এই কাৰ্ড সমূহ দুখীয়া মানুহৰ হাতত নাথাকে বৰঞ্চ দোকানৰ মালিকৰ হাততহে থাকে। গাঁৱৰ মানুহে কেৱল চাউলখিনিহে লৈ যায়, তেওঁলোকে কিমান পৰিমাণৰ চাউল নিছে তাৰ কোনো উল্লেখ নাথাকে। সেয়েহে আমাৰ চৰকাৰ অহাৰ পিছতেই এই false card বোৰ জব্দ কৰাৰ ব্যৱস্থাটো গ্ৰহণ কৰা হৈছে যে AAY আৰু PHH ৰ যি চাউল সেইবোৰ অসমৰ প্ৰকৃত দুখীয়া লোক সকলে পায়। সেয়েহে ধনী মানুহে পাই থকা চাউলৰ কাৰ্ড সমূহ আমি বিভাগীয় ভাৱে জব্দ কৰিম। গতিকে সদনৰ সমূহ সদস্যকে মই আপোনাৰ জৰিয়তে আহ্বান জনাইছো যাতে এই ক্ষেত্ৰত তেওঁলোকেও আমাক সহায় কৰে। আনহাতে, মই মাননীয় সদস্য মণ্ডল ডাঙৰীয়াক অনুৰোধ কৰিছো যে তেওঁৰ যদি কিবা agent ৰ সমস্যা আছে বা নতুনকৈ যদি তাত agent দিব লাগে তেন্তে তেওঁ আহি মোক লগ ধৰক। এই ক্ষেত্ৰত মই নিশ্চয় ব্যৱস্থা গ্ৰহণ কৰিম।

**মাননীয় অধ্যক্ষঃ** Thank you. Now, Ramendra Narayan Kalita, what is your clarification?

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ন কলিতা (পশ্চিম গুৱাহাটী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, বিগত বিধান সভাত ৪ লাখ ভুৱা কাৰ্ড পোৱা বুলি কৈছিলে। সেই যি ৪ লাখ ভুৱা ৰেচন কাৰ্ড ওলাল সেই সম্পৰ্কত বিভাগে এতিয়া কি ব্যৱস্থা গ্ৰহন কৰিছে? সেইখিনিক remove কৰি নতুন হিতাধিকাৰীক দিয়াৰ নিৰ্দেশনা দিছে নে নাই সেই কথাটো জানিব বিচাৰিছো।

**শ্ৰী ৰঞ্জিত দত্ত, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, তথ্যটো মোৰ হাতত নাই কিন্তু মই যিমানখিনি জানো যিখিনি ভুৱা ৰেচন কাৰ্ড জব্দ কৰা হৈছে আৰু সেইবিলাক cease কৰা হৈছে। তেওঁলোকৰ ঠাইত যিসকল দুখীয়া লোক বঞ্চিত হৈ আছে তেওঁলোকক নতুনকৈ কাৰ্ড দিয়াৰ ব্যৱস্থা আমি কৰিছো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া প্ৰশ্ন নং ১৯৬, শ্ৰী আব্দুল খালেক। মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী ৰঞ্জিত দত্ত, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা আছে।

**শ্ৰী আব্দুল খালেক (জনীয়া ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, supplementary শুধাৰ আগতে মই মাননীয় মুখ্যমন্ত্ৰী, সংসদীয় পৰিক্ৰমা মন্ত্ৰীৰ লগতে Minority Affairs ৰ মন্ত্ৰী মহোদয়ক ধন্যবাদ জনাইছো যে যিবিলাক নতুন Model School বনাইছে, তাৰে ভিতৰত মোৰ সমষ্টিতো এখন দিছে।

অধ্যক্ষ মহোদয়, চৰকাৰে মোৰ প্ৰশ্নৰ উত্তৰত জনাইছে যে ২০১৫-১৬ বিত্তীয় বৰ্ষত MSDP শিতানত ভাৰত চৰকাৰৰ পৰা আমি পাইছিলো ১২৬ কোটি ৬৫ লাখ টকা। ৰাজ্য চৰকাৰে ১০০ শতাংশ ধনেই সেই বছৰত জিলা সমূহলৈ মোকলাই দিছিলে। ২০১৬-১৭ বিত্তীয় বৰ্ষত আমি কেন্দ্ৰীয় চৰকাৰৰ পৰা পালো ২৪১ কোটি টকা। তাৰে ২১৯ কোটি টকা মোকলাই দিলে। কিন্তু ২০১৭-১৮ বিত্তীয় বৰ্ষত ভাৰত চৰকাৰে আমাৰ Central Share হিচাপে দিলে ৪৩৪ কোটি টকা আৰু ৰাজ্য চৰকাৰে মোকলাই দিলে ৩৮৭ কোটি টকা। মই জানিব খুজিছো যে বাকী টকাখিনি কি কৰিলে?

অধ্যক্ষ মহোদয়, তদুপৰি এই বিভাগৰ অধীনত Char Area Develop-

ment Directorate এখন আছে। যদিও আমাৰ এটা ধাৰণা হৈ গৈছে যে চৰ অঞ্চল মানে সংখ্যালঘু অধ্যুষিত অঞ্চল কিন্তু আচলতে সেইটো নহয়। আগৰ চৰকাৰে সিদ্ধান্ত লৈছিলে কিন্তু চৰ অঞ্চল উন্নয়ন সঞ্চালকালয় এই বি ভাগত থকাটো কিমানদুৰ সমিচীন সেইটোৰো এটা পুনৰিক্ষনৰ প্ৰয়োজনীয়তা আছে বুলি মই ভাৱো। কাৰণ এই বিভাগত থকাৰ কাৰণে এই সঞ্চালকালয়টোৱে যিমান attention পাব লাগিছিলে সিমানখিনি attention পোৱা নাই। মাজুলী জিলাখনো এই Char Area Development ৰ অধীনত পৰে। ধেমাজীৰ কিছু অংশও পৰে। Char Area Development ৰ কাৰণে চৰকাৰে চলিত বিত্তীয় বৰ্ষত ২৩ কোটি ৭৬ লাখ টকা ধাৰ্য্য কৰিছিলে। এতিয়ালৈকে তাৰে মাত্ৰ ৭৮ লাখ টকাহে মোকলাই দিলে। এতিয়া বিত্তীয় বৰ্ষ শেষ হ'বলৈয়ে হ'ল। তদুপৰি চৰকাৰে ভাষিক সংখ্যালঘুৰ কথাও খুৱ কয়। তাৰ কাৰণে তেওঁলোকে ৫ কোটি টকা ধাৰ্য্য কৰিলে। এতিয়ালৈকে মাত্ৰ ৫ লাখ ৪৬ হাজাৰ টকাহে মোকলাই দিলে। এই উদ্বেগজনক তথ্যবিলাকৰ ওপৰত মই মন্ত্ৰী মহোদয়ৰ স্পষ্টীকৰণ বিচাৰিছো। ইয়াৰ উপৰিও এই বিভাগৰ অধীনত এটা Sub Divisional Board গঠন কৰা হৈছিলে। এই Board ৰ function বিলাকো ইয়াত উল্লেখ কৰা হৈছে। সেই অনুসৰি এটা বিত্তীয় বৰ্ষত এই Board ৰ তিনিবাৰকৈ meeting হ'ব লাগে। কিন্তু চৰকাৰে জনালে যে এবাৰ ভঙ্গ কৰিলে, আৰু উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশনা মৰ্মে Sub Divisional Board পুনৰ গঠনৰ ব্যৱস্থা লোৱা বুলি ক'লে। এইটো মোৰ বোধেৰে উচ্চতম ন্যায়ালায় নহয়, উচ্চ ন্যায়ালয়হে হয়। উচ্চ ন্যায়ালয়ে আচলতে কি নিৰ্দেশ দিলে, সেই Board সমূহ বাহাল ৰাখিলে নে পুনৰ গঠনৰ নিৰ্দেশনা দিলে। যদি পুনৰ গঠনৰ নিৰ্দেশনা দিলে তেতিয়াহলে ইমানদিনে গঠন হ'ব লাগিছিলে। MSDP ৰ পুঁজি আৰু এটা নিৰ্দিষ্ট নিৰ্দেশনাত দিব পৰা যায় কিন্তু উজনি অসমৰ যোৰহাট জিলাকে ধৰি কিছুমান জিলাত MSDP পুঁজি দিব নোৱাৰে। কিন্তু Minority Development ৰ পুঁজি তাত দিব পাৰে। এই জিলা সমূহত Board সমূহ নথকাৰ কাৰণে এইবোৰ দিব নোৱাৰে। গতিকে Board সমূহ অতি সোনকালে পুনৰ নিৰ্মাণ কৰিব লাগে। লগতে মই জানিব বিচাৰিছো যে ২০১৭-১৮ বৰ্ষৰ এই টকাখিনি ক'ত গল?

**শ্ৰী ৰঞ্জিত দত্ত, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, MSDP টো এতিয়া প্ৰধানমন্ত্ৰী জন বিকাশ কাৰ্য্যক্ৰমলৈ ৰূপান্তৰিত হৈছে আৰু ২০১৭-১৮ বিত্তীয় বৰ্ষত ৪৩৬ কোটি টকা আমি কেন্দ্ৰীয় চৰকাৰৰ পৰা লাভ কৰিছিলো। ৰাজ্য চৰকাৰে ইতিমধ্যে প্ৰায় ৩৮৭ কোটি টকা মোকলাই দিলে। ২০১৭-১৮ বিত্তীয় বৰ্ষত যিবিলাক আচঁনি লোৱা হৈছিলে তাৰে ভিতৰত Model Residential School ৰ আঁচনি লোৱা হৈছিলে। ৩০ কোটি ৪২ লাখ টকা ২১ খন Model Residential School ৰ বাবে এই আঁচনিৰ অধীনত লোৱা হৈছিলে। ইতিমধ্যে Model Residential School ৰ DPR প্ৰস্তুত কৰি tender process কৰিছে আৰু অতি সোনকালে Code of Conduct লগাৰ আগে আগে তাৰ আধাৰশিলাৰ কাম আৰম্ভ কৰিম। মই মাননীয় অধ্যক্ষ মহোদয়ৰ জৰিয়তে যিসকল মাননীয় সদস্যই তেওঁলোকৰ সমষ্টিত Model Residential School পাইছে, তেখেতসকলক অনুৰোধ কৰিছো যাতে allotment হৈ যোৱাৰ লগে-লগে আপোনালোকে নিজৰ নিজৰ সমষ্টিত আধাৰশিলাৰ কাম আৰম্ভ কৰি দিয়ে যেন। 12th plan টো ২০১৭-১৮ বিত্তীয় বৰ্ষত আমি কিছু পইচা পাইছো। এই পইচা আমি জিলাৰ উপায়ুক্ত সকললৈ মুকলি কৰি দিওঁ আৰু জিলা উপায়ুক্ত সমূহে tender process ত বা construction committee ৰ যোগেদি এই কামবিলাক কৰাৰ ব্যৱস্থা কৰে। গতিকে বহুতো UC এতিয়ালৈকে আমি দিব পৰা নাই। ২০১১ চনৰ পৰা 11th plan ৰ যিবিলাক কাম চলি আছিলে,

জিলাৰ উপায়ুক্ত সকলৰ ওচৰত পৰি আছে সেই কাম সমূহ আমি এতিয়া খৰতকীয়াকৈ কৰিব বিচাৰিছো। অধ্যক্ষ মহোদয়, State Share ও আমি মুকলি কৰি দিছো আৰু চৰ অঞ্চলত যিটো ২৩ কোটি ৭৬ লাখ টকা দিয়াৰ কথা কৈছো, এতিয়ালৈকে তাৰে ৭৮ লাখ টকাৰ বিল মোকলাই দিছে। আজি মই সদনত জনাবলৈ পাই সুখী হৈছো যে চৰ অঞ্চলৰ যিমানখিনি আঁচনি লৈছো এই আঁচনি সমূহৰ যিমানখিনি সামগ্ৰী আছে সেই সামগ্ৰীখিনি Char Area Development Board লৈ পঠিয়াই দিছো। এতিয়ালৈকে আমি Char Area Development বিভাগৰ পৰা বিত্ত বিভাগলৈ সম্পূৰ্ণ ceiling ৰ IOC ৰ কাৰণে বিল তেওঁলোকক প্ৰেৰণ কৰিছো। আজি ২২ তাৰিখে শেষ দিন। এতিয়া আজি ২২ তাৰিখে last date আছে। অহা কালিলৈকে চিলিং দিয়াৰ last date আছে। ইয়াৰ পাছত আমাৰ বিল বিলাক পোৱা আৰম্ভ হ'ব। ঠিক তেনেকৈ আমাৰ সংখ্যলঘু উন্নয়ন বোৰ্ডৰ ১৩ কোটি ২০ লাখ টকাৰ আমি ৯৯.৭৫ শতাংস পইচা খৰচ কৰিছো আৰু আমি চিলিং বিত্তীয় বিভাগলৈ দিছো। আৰু বাকী সংখ্যালঘু বোৰ্ডৰ কাৰনে যিটো আমাৰ ৫ কোটি টকা আমাৰ চৰকাৰে দিছিলে ইতিমধ্যে আমি চিলিং দিছো। আৰু চিলিংখিনিও নিশ্চয় ২২ তাৰিখৰ পিছৰ পৰা আহিবলৈ তেওঁলোকক মুকলি কৰি দিব। ২য়তে যিটো মাননীয় সদস্য খালেক ডাঙৰীয়াই কৈছে মহকুমা উন্নয়ন বোৰ্ডসমূহ ২৬-৮-২০১৬ তে ভংগ কৰা হৈছিল। এইটো উচ্চ ন্যায়ালয়ৰ নিৰ্দেশ মৰ্মে আমি এই বোৰ্ডসমূহ গঠন কৰিবৰ কাৰনে প্ৰক্ৰিয়া আৰম্ভ কৰিছো। নিশ্চয় কিছু অসুবিধা হৈছে। আপোনালোকে এইটো প্ৰশ্ন উত্থাপন কৰাৰ বাবে মই ভাল পাইছো, আৰু আমি খুব সোনকালে এই বোৰ্ড সমূহ গঠন কৰিম। মাননীয় অধ্যক্ষ মহোদয়, মই আপোনালোকক আৰু এটা কথা জনাবলৈ পাই সুখী হৈছো, যে এই বাৰ আমি প্ৰধান মন্ত্ৰী জন বিকাশ কাৰ্য্যক্ৰমত আমি Digital Classroom ৰ কাৰনে আমি কেন্দ্ৰীয় চৰকাৰৰ পৰা অনমোদন পাইছো। আৰু এই Digital Classroom বৰপেটা জিলাতে অধিক দিয়া হৈছে। ৪০০ খন স্কুলত আমি Digital Classroom দিছো। এইটো প্ৰক্ৰিয়া হব বৰপেটা জিলাতে প্ৰথম হ'ব, এইটো নতুন পদক্ষেপ। যিবিলাক Minority এলেকা আছে সেই Minority এলেকা সমুহত আমি Digital Classroom কৰিবৰ কাৰণে কেন্দ্ৰীয় চৰকাৰে আমাক ৪২ কোটি টকা পুজি দিছে। এইটো এটা ভাল পদক্ষেপ। নিশ্চয় আমি যেতিয়া এইটো আৰম্ভ কৰিম আমাৰ মাননীয় সদস্য সকলকো আমি অৱগত কৰিম। এইটো শিক্ষাৰ ক্ষেত্ৰত এটা খুব ভাল পদক্ষেপআমি হাতত লৈছো। আৰু যিটো আমাৰ মহকুমা উন্নয়নৰ কথাটো খুব সোনকালে আমি এইটো আৰম্ভ কৰিম। মাননীয় অধ্যক্ষ ঃ- প্ৰশ্নবিলাক চমু হলে উত্তৰো চমু হ'ব। সকলো সদস্যকে কৈছো।

**শ্ৰী আব্দুল খালেক, সদস্য** ঃ- মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে যিটো Model School ৰ কথা কৈছে, যে সোনকালে আধাৰশিলা কৰিব। মন্ত্ৰী মহোদয়ে জানে আৰু ময়ো জানো যে এবাৰ টেণ্ডাৰ কৰিলে কিন্তু পয্যাপ্ত নিবিদা নাহিলে। আকৌ নিবিদা আহ্বান কৰিছে, মই খবৰ পোৱা মতে এইবাৰো গোটেইখিনি টেণ্ডাৰ কৰাৰ সম্ভাৱনা নাই। কাৰন যিটো ৰেট আছে ১৪-১৫ ৰেট তাত ঠিকাদাৰ সকলে টেণ্ডাৰ পেলাব নোখোজে আনকি ৭-৮ শতাংশ above টো পেলাব নোখোজে গতিকে এই কথাটো যদি review নকৰে মই ভাবো যে কামটো হওঁতে আৰু দেৰি হ'ব। অধ্যক্ষ মহোদয়, মই জনাত SC/ST ৰ ক্ষেত্ৰত State level Advisory Board আছে। Minority ত যিহেতু যথেষ্ট টকা আহে মন্ত্ৰী মহোদয়ক মই আপোনাৰ জৰিয়তে অনুৰোধ কৰিব খুজিছো যে এটা আমাৰ বিধায়ক সকলক লৈ এটাState level Advisory Committee যদি কৰে। বহুত টকা উৰি যায় গম পোৱা নাযায়। এইটো চাবলৈ অনুৰোধ জনাইছো। মোৰ প্ৰশ্নত

আৰু এটা দফা আছিল যে অসম সংখ্যালঘু আয়োগৰ কাৰ্য্যকাল উকলি গৈছে ২০১৭ চনৰ ছেপ্তেম্বৰ মাহত। আজিলৈকে এই আয়োগটো গঠন কৰা হোৱা নাই। অধ্যক্ষ মহোদয় মোৰ সমষ্টি সেনাবাহিনীৰ ৩ জন জোৱান বৰ্তমান কৰ্মৰত হৈ আছে। ইফালে বিদেশী ন্যায়ধীকৰণে তেওঁলোকক জাননি দিছে। সংখ্যালঘু আয়োগেও সেইবোৰ চাব পাৰে। গতিকে ইমানদিনে সংখ্যালঘু আয়োগটো পুনৰ গঠন নোহোৱাটো উদ্বেগজনক বিষয়। কেতিয়া সংখ্যালঘু আয়োগটো গঠন কৰিব সেই বিষয়টো অধ্যক্ষ মহোদয়, মই জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ-** ধন্যবাদ।

**শ্ৰী ৰঞ্জিত দত্ত, মন্ত্ৰী ঃ-** অধ্যক্ষ মহোদয়, আমাৰ খালেক ডাঙৰীয়াই যিটো মডেল ৰেচিডেন্স স্কুলৰ কথাটো যিটো কৈছে, তেখেতে কোৱা কথাটো সত্য। ইতিমধ্যে আমি টেণ্ডাৰ কল কৰিছিলো। টেণ্ডাৰ কৰোতে ২৫ শতাংশৰ ওপৰত টেণ্ডাৰ বিলাক কৰিলে। আৰু এইটো আমাৰ কেন্দ্ৰীয় চৰকাৰে এটা ডিপিআৰ প্ৰস্তুত কৰি সেই ডিপিআৰৰ আৰ্হিত গোটেই টকাটো দিয়ে। আৰু এইটো 13-14 Schedule ৰ যিটো PWD Schedule ত এই কামটো ধৰা হৈছে। গতিকে আমি খুব বেছি ইয়াত ৭শতাংশ বা ৮ শতাংশ আমি যাব পাৰো। গতিকে আমি আকৌ নতুনকৈ টেণ্ডাৰ কৰিছো। এতিয়া ৭শতাংশ বা ৮ শতাংশ ত কিছু লোকে টেণ্ডাৰ পেলাইছে। মাননীয় অধ্যক্ষ মহোদয়, যিহেতু ইমান টকাৰ কাম কৰিবলৈ আমাৰ কোনোধৰণৰ Engineering Cell নাই। আমাৰ বিভাগৰ কোনো ধৰনৰ Engineering Cell নাই। যাক আমি PWD ৰ ওপৰত নিৰ্ভৰ কৰি আমি কাম বিলাক কৰো। আৰু PWD বিভাগৰ বহুতো কাম থাকে। সেই কাৰণে সমমতে আমি টেণ্ডাৰ বিলাক কৰিব পৰা ব্যৱস্থা হোৱা নাই। গতিকে যিয়ে নহওক এতিয়া আমি টেণ্ডাৰ কৰিছো। মই ভবো যে এইবাৰ ৭শতাংশ বা ৮ শতাংশত আমি কামবিলাক Allotment কৰিম। খুব সোনকালে Allotment কৰি পেলাই কামবিলাক আমি আৰম্ভ কৰিম। আৰু ২য়তে যিটো আপুনি কেছে যে ৩-৯-২০১৭ তাৰিখে অসম ৰাজ্যিক সংখ্যালঘুৰ অধ্যক্ষ আৰু সদস্য সকলৰ কাৰ্য্যকাল সমাপ্ত হৈছে। গতিকে এই সংখ্যালঘুৰ অধ্যক্ষ আৰু সদস্য সকলৰ যিটো নতুনকৈ বোৰ্ড গঠন কৰিব লাগে সেইটো গঠন কৰাৰ ক্ষেত্ৰত আমি আমাৰ চৰকাৰে চিন্তা চৰ্চা কৰিছো।

**মাননীয় অধ্যক্ষ ঃ-** ইয়াৰ পিছত হাফিজ বছিৰ আহমেদ।

**শ্ৰী হাফিজ বছিৰ আহমেদ, সদস্য ঃ-** মাননীয় অধ্যক্ষ মহোদয়, আজি আমাৰ বিধায়ক খালেক ডাঙৰীয়াই যিটো প্ৰশ্ন উত্থাপন কৰিছে তাৰ উত্তৰত চৰ অঞ্চল উনন্নয়নৰ বাবে ১৮-১৯ বিত্তীয় বৰ্ষত ২৩ কোটি টকাৰ ৭৮ লাখ টকাহে মোকলাই দিয়া হৈছে বুলি ইয়াত কোৱা হৈছে। কিন্তু অধ্যক্ষ ডাঙৰীয়া আমি জনা মতে ১৭-১৮ বিত্তীয় বৰ্ষত যিটো টকা ধাৰ্য্য কৰা হৈছে, সেই টকাৰ বিপৰীতে যিখিনি স্কীম লোৱা হৈছে বিশেষকৈ IBS, Tractor, Power tiller আৰু E-Rickshaw ইত্যাদি সেইবোৰ আজিলৈকে দিয়া হোৱা নাই বুলি আমি জানো। কি কাৰণে দিয়া হোৱা নাই আৰু এই বিত্তীয় বৰ্ষৰ যিটো আছে যিহেতু এতিয়া শেষ পৰ্য্যায়ত উপনিত হৈছে, সেইটো কেতিয়া দিয়া হ'ব এই কিয় দিয়া হোৱা নাই এই সম্পৰ্কে জানিব বিচাৰিছো। ২য়তে এটা কথা মই কৈছো মোৰ সমষ্টিত চাৰ, ১০ কোটিতকৈ অধিক টকা খৰচ কৰি এখন ITI বনোৱা হৈছিল। ITI Construction ৰ কাম আজি ২ বছৰ আগতে সম্পুৰ্ন হৈছিল কিন্তু আজিলৈকে তাত staff recruitment কৰা নহ'ল। দুবাৰমান মই প্ৰশ্ন আনিছিলো এই বিধান সভাত। প্ৰক্ৰিয়া চলি থকা বুলি কৈছে, কিন্তু এতিয়ালৈকে হোৱা নাই। এই ক্ষেত্ৰত চৰকাৰে কিবা পদক্ষেপ লব নেকি?

**माननीय অধ্যক্ষ ঃ**- তথ্য আছে যদি দিব।

**শ্ৰী ৰঞ্জিত দত্ত, মন্ত্ৰীঃ**- মাননীয় অধ্যক্ষ মহোদয়, ১৭-১৮ বৰ্ষত Char Area Development য়ে কিছুমান কাম আমি হাতত লৈছো। যেনেকে আছিলে E-Rickshaw, Solar home light তাৰা পাম্প, সেই ১৭-১৮ বৰ্ষত Solar home light, তাৰা পাম্প, E-Rickshaw কিছু কিছু সমষ্টিত যেতিয়া মাৰ্চ পৰি গ'ল, Contractor সকলে, সময়মতে Suply দিব নোৱাৰিলে। তেতিয়া কিছু district ত সেইখিনিক আমি Suply দিয়াৰ ব্যৱস্থা কৰিলো, আৰু ১৮-১৯ বৰ্ষটো আমি কিছুমান কাম হাতত লৈছো Char Area Development ত। ইতিমধ্যে আপোনালোকে খবৰ লব, আপোনালোকৰ ব্লক বিলাকত ১৮-১৯ বৰ্ষত আমি যিখিনি বস্তু লৈছো, চিলাই মেচিন, Solar home light, চাইকেল আমি ইতিমধ্যে এই সামগ্ৰীখিনি আপোনালোকৰ ব্লক Headquarter বিলাকত সামগ্ৰীখিনি গৈ পাইছে। চাইকেল গৈছে, Solar home light গৈছে, চিলাই মেচিন গৈছে। আপোনালোকে খবৰ লব। আপোনালোকে পাইছেতো। সেই কিছুলোকে পাইছে বুলি কৈছে। গতিকে আপুনি এটা এটা কথা কৈছে। গোটেইখিনি বস্তুৱে পাব। আপোনালোকে লিষ্টখন দিয়ক। আপোনালোকে লিষ্টখন দিয়াত কিয় দেৰি কৰে। মাননীয় অধ্যক্ষ মহোদয়, মই আজি আপোনাৰ জৰিয়তে মাননীয় সদস্যসকলক এটা অনুৰোধ কৰিব বিচাৰিছো যে আমি যি টাৰগেট বনাই দিও ইয়াত এশ জন ছাত্ৰ-ছাত্ৰীয়ে চাইকেল পাব বা যেনেকৈ যি টাৰগেট দিও। লিষ্টখিনি সময়মতে নাহে আৰু লিষ্টখিনি সময়মতে নোহোৱাৰ কাৰণে আমি বস্তুখিনি চাপ্লাই কৰিবলৈ অসুবিধা হয়। সেইকাৰণে মই মাননীয় সদস্যসকলক অনুৰোধ কৰিছো খুব সোনকালে লিষ্ট দিয়ক আৰু যিটো মাননীয় সদস্য গৰাকীয়ে আই টি আই ৰ কথাতো ক'লে যে তেওঁৰ সমষ্টিত এটা আই টি আই সম্পূৰ্ণ হৈছে। ইতিমধ্যে আমি যিবিলাক আই টি আই মানে building construction কৰি দিছো। বিভাগীয় মন্ত্ৰী আছে, পাটোৱাৰী ডাঙৰীয়া, তেখেতৰ দৃষ্টি আকৰ্ষণ কৰিছো। নিশ্চয় আমি বিভাগে তেওঁলোকক handover কৰিম। তেওঁলোকে তাত skill development ৰ কামবিলাক আৰম্ভ কৰিব।

**মাননীয় অধ্যক্ষ ঃ** শ্ৰীউৎপল দত্ত।

**শ্ৰীউৎপল দত্ত, লখিমপুৰ ঃ** মাননীয় অধ্যক্ষ মহোদয়, চৰ এৰিয়াৰ ২০১৭-১৮ বৰ্ষৰ এই যে তাৰাপাম্প, ই-ৰিক্সা এনেকৈ কৰি ডাঙৰ ট্ৰেক্টৰ দি বুলি ক'লে। আমি মিটিং পাতি লিষ্ট দিলো, আজিলৈকে বস্তুখিনি যোৱা নাই। এইবাৰ আপুনি ব্যক্তিগতভাৱে চিঠি দিছে আমি দেখিছো, আমি মিটিং পাতিছো উপায়ুক্তৰ জৰিয়তে এইখিনি পঠাইছো। এতিয়ালৈকে লখিমপুৰত এটা আইটেম গৈ পাইছে। এতিয়া ২০১৭-১৮ ত আমি যিখিনি বস্তু select কৰি ইয়ালৈ পঠিয়ালো, প্ৰথমতে, এই বস্তুখিনি দিব নে নিদিয়ে। দ্বিতীয়তে, আপোনালোকে চৰ এৰিয়াৰ বস্তু distribution কৰোতে এটা কথা লক্ষ্য কৰা হোৱা নাই যে, আজি বগী নদীয়েই হওঁক, নাওঁবৈচায়েই হওঁক, নাৰায়ণপুৰেই হওঁক সমপৰিমাণে দিছে। কিন্তু আমাৰ তেলাহী ব্লকৰ ছখন পঞ্চায়তে চৰ এৰিয়াত পৰে। মাজুলী আৰু লখিমপুৰ। তাতো সমপৰিমাণে দিছে। এতিয়া নাওঁবৈচাত এটা জি পি, বিহপুৰীয়াত এটা জি পিত হে চৰ এৰিয়াত পৰে। তেওঁলোকে যিমান পৰিমাণৰ বস্তু পায়, তেলাহীত ছখন পঞ্চায়ত চৰ এৰিয়াত পৰে, তাত কম পৰিমাণে পায়। এটা discrimination হৈ আছে। সেই কাৰণে মই মাননীয় মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ কৰিছো যে, বিলাক এৰিয়াত চৰ এৰিয়া বেচিকৈ পৰে, তাত সংখ্যাটো অলপ বাঢ়িব লাগে আৰু য'ত কম, তাত অলপ কমকে পাব লাগে। মোৰ আৰু এটা প্ৰশ্ন আছে MSDP এৰিয়া বাচতে কি প্ৰক্ৰিয়াত পৰে। তাৰ কিবা গাইড-লাইন আছে নেকি? এই

গাইড-লাইন যদি আছে, অলপ দিব নেকি ?

**শ্ৰী ৰঞ্জিত দত্ত, মাননীয় মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, ২০১৬-১৭ বৰ্ষত তেখেতে কৈছে ট্ৰেক্টৰৰ কথা। ট্ৰেক্টৰ ২০১৬-১৭ বৰ্ষৰ নহয়। তাৰাপাম্প, ই-ৰিক্সা, চোলাৰ অন লাইন আছিল। এইখিনি ব্যৱস্থা আছিলে। গতিকে এইবিলাক মই আপোনাক আগতে কৈছো যে, ঠিকাদাৰে সম্পূৰ্ণখিনি বস্তু চাপ্লাই কৰিব নোৱাৰে সেইটো সময়ত। সময় কম থকাৰ কাৰণে সম্পূৰ্ণখিনি বস্তু চাপ্লাই কৰিব নোৱাৰিলে। এইবাৰ আপোনালোকে বস্তুখিনি পাইছেতো। আগৰ খিনিতো এইটো কমিটিয়ে liability কৰিব লাগে। বহুত টকা দিব লাগিব। বিত্ত বিভাগৰ লগত আমি আলোচনা কৰিম। যদি চাপ্লাই হৈ গৈছে, তেওঁলোকক আমি এচ ডি বাজেটত ধৰিব লাগিব। কিন্তু আৰু এটা কথা আপোনাক কৈছো যে, আপোনালোকে যিটো ক'লে ratio টো সমান হোৱা নাই। এইটো মই চাই ল'ম। আপোনাৰ সমষ্টিতো ঠিকেই পাইছে মোৰ হিচাপতটো মই বেচিকৈ দিছো।

**মাননীয় অধ্যক্ষ ঃ** এইটো প্ৰশ্ন উত্তৰ কাল। আপোনালোকে পিছত পাতি ল'ব। প্ৰশ্ন উত্তৰ কালত এইবিলাক কথা নাহে। Minister, you are replying to Shri Utpal Dutta no others.

**শ্ৰী ৰঞ্জিত দত্ত, মাননীয় মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, গতিকে গোটেইখিনি বস্তু আপুনি পাব। ট্ৰেক্টৰৰ কথাটো মই এতিয়া আপোনাক ক'ব নোৱাৰো আৰু যিটো MSDP ৰ কথাটো আপুনি কৈ আছে, MSDP ৰ কথাটো ২০ টা ব্লকত মুঠ জনসংখ্যাৰ ওপৰত ২৫ শতাংশ যদি তাত minority মানুহ থাকে, তেতিয়াহ'লে সেইটো MSDP ৰ ভিতৰত ধৰা হয়। গতিকে সেই প্ৰক্ৰিয়াত selection টো কৰা হয়।

**মাননীয় অধ্যক্ষঃ** Shri Kamalakhya Dey Purkayastha.Last supplimentary.

**শ্ৰী কমলাক্ষ্য দে পুৰকায়স্থ, কৰিমগঞ্জ ঃ** মাননীয় অধ্যক্ষ মহোদয়, যদিও চৰকাৰে সব কা চাথ, সব কা বিকাস কৈ থাকে, কিন্তু এইবোৰ কথা আমি পৰিলক্ষিত কৰিব পৰা নাই। শ্ৰী আব্দুল খালেক ডাঙৰীয়া ধৰ্মীয় সংখ্যালঘু, মইও ভাষিক সংখ্যালঘু। কিন্তু আমি যদি চাওঁ, ১৩ কোটি ২০ লাখ অসম সংখ্যালঘু উন্নয়ন বোৰ্ডৰ কাৰণে ভাষিক সংখ্যালঘুৰ কাৰণে ৫ কোটি টকা ধাৰ্য্য কৰা হৈছে। এই বৃহৎ সংখ্যক জনসংখ্যা অসমৰ বাদ দি আপুনি কেনেকৈ ক'ব পাৰিব সব কা চাথ, সব কা বিকাস। এইটো দুইটা সংখ্যালঘুৰ কাৰণে ভাষিক, ধৰ্মীয় সংখ্যালঘুৰ কাৰণে বৃহৎ সংখ্যক ধন ধাৰ্য্য কৰিব পাৰি।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্নটো কি আছিল ?

**শ্ৰী কমলাক্ষ্য দে পুৰকায়স্থ, কৰিমগঞ্জ ঃ** মাননীয় অধ্যক্ষ মহোদয়, ধৰ্মীয় সংখ্যালঘুৰ কাৰণে যিটো ধন ধাৰ্য্য কৰা হৈছে, একদম কম সংখ্যক। ইমান বেছি জনসংখ্যাৰ কাৰণে ইমান কম।

**মাননীয় অধ্যক্ষ ঃ** কিহৰ জনসংখ্যাটো বেছি? ভাষিক ন ধৰ্মীয়।

**শ্ৰী কমলাক্ষ্য দে পুৰকায়স্থ, কৰিমগঞ্জ ঃ** মাননীয় অধ্যক্ষ মহোদয়, ভাষিক, ধৰ্মীয় দুইটা কথায়ে আছে।

**মাননীয় অধ্যক্ষ ঃ** আপুনি প্ৰশ্নবিলাক কৰিব। মই বুজিব পৰা নাই এটা ধৰ্মীয় সম্প্ৰদায়ক হয়তো অলপ বেছি দিছে, ভাষিকক অলপ কম দিছে তেনেকুৱা কথা নেকি ?

**শ্ৰী কমলাক্ষ্য দে পুৰকায়স্থ, কৰিমগঞ্জ ঃ** মাননীয় অধ্যক্ষ মহোদয়, কথাটো হৈছে অসম সংখ্যালঘু উন্নয়ন বোৰ্ডত ১৩ কোটি টকা আৰু ভাষিক সংখ্যালঘুৰ কাৰণে ৫ কোটি টকা। এইটো ইমান কম কিয় হৈছে।

**মাননীয় অধ্যক্ষ ঃ** বুজিছো, এইটো প্ৰশ্ন নহয়।

**শ্ৰী কমলাক্ষ্য দে পুৰকায়স্থ, কৰিমগঞ্জ ঃ** মাননীয় অধ্যক্ষ মহোদয়, লগতে প্ৰশ্নটো কৈ আছো বি-ফাৰ্মৰ কাৰণে বাংগালুৰুত কিছুমান ল'ৰাই কোৰ্চ কৰি আছে। মন্ত্ৰী মহোদয় জানে চাগে, সংখ্যালঘু উন্নয়ন বোৰ্ডে এইটো sponsored কৰে। আজিকালি পইচাটো মোকোলাই নিদিয়াৰ কাৰণে এইবিলাকত বহুত সমস্যা হৈ আছে। কলেজৰ পৰা উলিয়াই দিব এনেকুৱা এটা অৱস্থা হৈ আছে। এইটো কাৰণে ধনৰ সংখ্যাটো বঢ়াব লাগে। ভাষিক সংখ্যালঘু, ধৰ্মীয় সংখ্যালঘু আৰু এই ল'ৰাখিনিৰ কাৰণে কি কৰিব পাৰি মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা উত্তৰটো বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়াহে ভাল প্ৰশ্নটো হৈছে।

**শ্ৰী ৰঞ্জিত দত্ত, মাননীয় মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় সদস্য শ্ৰী কমলাক্ষ্য দে পুৰকায়স্থ দেৱক ধন্যবাদ দিছো যে আপুনি অসম ভাষিক সংখ্যালঘু উন্নয়ন বোৰ্ডত ৫ কোটি টকাৰ কথাটো উল্লেখ কৰিছে। অসম ভাষিক সংখ্যালঘু উন্নয়ন বোৰ্ডখন বিগত চৰকাৰৰ দিনত হৈছিল। আপোনালোকৰ চৰকাৰে সেইখিনি সময়ত political benifit ল'বৰ কাৰণে আপোনালোকে ভাষিক সংখ্যালঘু উন্নয়ন বৰ্ডোখন গঠন কৰিছিল। মাননীয় অধ্যক্ষ মহোদয়, বিগত চৰকাৰৰ দিনত এই বোৰ্ডখন গঠন কৰা হৈছিল। আগৰ চৰকাৰে এই বোৰ্ডখনৰ উন্নয়নৰ কাৰণে ইয়াত থকা লোক সকলৰ উন্নয়নৰ কাৰণে একো চিন্তা কৰা হোৱা নাছিল। আপোনালোকৰ দিনত মাত্ৰ ২ কোটি টকা দিছে ভাষিক সংখ্যালঘু উন্নয়ন বৰ্ডোত। আপোনালোকৰ চৰকাৰৰ দিনত মাত্ৰ ২ কোটি টকা দিয়া হৈছিলে আপোনালোকৰ বৰ্ডোত আৰু চাৰ, এইবাৰ আমাৰ চৰকাৰখনে ৫ কোটি টকা বেছি দিছো। ৫ লাখ টকা মুকলি হৈছে। ৫ কোটি টকা দিছো, ৫ কোটি টকা মুকলি হ'ব। চিলিংতো গৈ আছে। আজি last date চিলিং ৰ। ফাইনেঞ্চত চেংচন হ'ব। আমি ৫ কোটি টকা দিছো সেইটো আপোনালোকে আমাক ধন্যবাদ দিয়ক। বিৰোধীৰ পৰা আমাৰ চৰকাৰক ধন্যবাদ দিয়ক। যে আমি ৫ কোটি টকা আপোনালোকক আমি দিছো। আমি গোটেই অসমৰ কথা চিন্তা কৰিছো। কিন্তু আপোনালোকৰ দিনত এই বোৰ্ডখনে মাত্ৰ ২ কোটি দিছিল। দ্বিতীয়তে, আৰু এটা প্ৰশ্ন তেখেতে কৰিছে, বাংগালুৰুত যিবিলাক এ এন এম, জি এন এম যিখিনিয়ে ট্ৰেইনিং লৈ আছে, তেওঁলোকক ২০১৫-১৬ ত সেই পইচাটো মোকোলাই দিয়া নাই বুলি কৈছে। তাত ছাত্ৰ-ছাত্ৰী সকলৰ অসুবিধা বহুত হৈ আছিল, আমি এই পইচাখিনি সোনকালে মোকোলাই দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰিছো।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্ন নং ১৯৭। শ্ৰী দেৱব্ৰত শইকীয়া।

**শ্ৰী দেৱব্ৰত শইকীয়া, নাজিৰা ঃ** মাননীয় অধ্যক্ষ মহোদয়, যিটো প্ৰশ্ন, সেইটো যথেষ্ট গুৰুত্বৰ্পূ, কিন্তু যেনেধৰণে ইয়াৰ উত্তৰটো পাইছো, সন্তুষ্ট নহয়। ২০১৫ চনৰ চেপ্তেম্বৰ মাহত ভাৰত চৰকাৰে District Mineral Foundation গঠন কৰিব দিছিলে, যাতে যিসমূহ অঞ্চলত খনিজজাত যিবিলাক মাইন্চ আছে, সেই মাইন্চ থকা অঞ্চলৰ সাধাৰণ ৰাইজ আৰু সেই অঞ্চলটোৰ পাৰিপাৰ্শ্বিক আৰু অন্যান্য জনসাধাৰণৰ উন্নয়ন কৰিব পাৰি আৰু তাৰ বাবে যিসকল Miner তেখেতসকলৰ পৰা 10% এটা contribution লোৱাৰ কথা আৰু ইয়াক affective কৰিছিলে, জানুৱাৰী মাহৰ ২০১৫ চনৰ পৰা আৰু ন'টিফিকেশ্যনখন ওলাইছিলে ১৬ চেপ্তেম্বৰত আৰু ইতিমধ্যে ভাৰতবৰ্ষৰ ২৬৩ খন জিলাত ইয়াৰ প্ৰচেচ আৰম্ভ হ'ল আৰু প্ৰায় ৪ হাজাৰ কোটি টকা জমা আছে। আৰু প্ৰধান মন্ত্ৰী খনিজ ক্ষেত্ৰ যোজনা নামেৰে এটা যোজনা ইয়াৰ লগত সংলগ্ন কৰিছিলে। অসমৰ ক্ষেত্ৰত মোক আজি যিটো উত্তৰ দিয়া হৈছে ৩৩ খন জিলাৰ ভিতৰত মাত্ৰ ডিমা-হাছাও আৰু তিনিচুকীয়া

জিলাতহে এই Foundation য়ে কিছু পুঁজি সংগ্ৰহ কৰি কাম আৰম্ভ কৰিব বিচাৰিছে। আমাৰ সততে বাতৰি কাকতত ওলাই আছে যে, বৈধ আৰু অবৈধভাৱে বঙাইগাওঁ, ডিব্ৰুগড়, গোলাঘাট, যোৰহাট, কামৰূপ, শিৱসাগৰ আদি অঞ্চলত যথেষ্ট খনিজাত সামগ্ৰীৰ খনন আৰু অন্যান্য ব্যৱসায় চলি থাকে। মাননীয় অধ্যক্ষ মহোদয় যিটো প্ৰশ্ন এই প্ৰশ্নটো যথেষ্ট গুৰুত্বপূৰ্ণ, কিন্তু যেনেধৰণে ইয়াৰ উত্তৰটো পাইছো মই সন্তুষ্ট নহয়। ২০১৫ চনত ভাৰত চৰকাৰে District mineral foundation গঠন কৰিবলৈ দিছিলে। যাতে যিসমূহ অঞ্চলত মাইনচ আছে সেই মাইনচ থকা অঞ্চলৰ সাধাৰণ ৰাইজ আৰু সেই অঞ্চলটোৰ পাৰিপাৰ্শ্বিক আৰু অন্যান্য জনসাধাৰণৰ উন্নয়ন কৰিব পাৰি আৰু তাৰ বাবে আৰু যিসকলে মাইনাৰ তেখেতসকলৰ পৰা ১০ শতাংশ এটা Contribution লোৱাৰ কথা আৰু ইয়াক এফেক্টিভ কৰিছিল জানুৱাৰী মাহৰ ২০১৫ চনৰ পৰা। নোটিফিকেশ্যনখন ওলাইছিল ২০১৬ চেপ্টেম্বৰত। ইতিমধ্যে ভাৰতবৰ্ষৰ ২৬৩ খন জিলাত ইয়াৰ প্ৰচেচ আৰম্ভ হ'ল আৰু প্ৰায় ৪ হাজাৰ কোটি টকা জমা আছে। আৰু প্ৰধান মন্ত্ৰী খনিজ ক্ষেত্ৰ যোজনা নামেৰে এটা যোজনা ইয়াৰ লগত সংলগ্ন কৰিছিল। অসমৰ ক্ষেত্ৰত মোক যিটো উত্তৰ দিয়া হৈছে ৩৩ খন জিলাৰ ভিতৰত মাত্ৰ ডিমা হাচাও আৰু তিনিচুকীয়া জিলাতহে এই foundation ৰ কিছু পুজিঁ সংগ্ৰহ কৰি কাম আৰম্ভ কৰিব খুজিছে। বাতৰি কাকতত ওলাই আছে বৈধ আৰু অবৈধ ভাবে বঙাইগাও, ডিব্ৰুগড়, গোলাঘাট, যোৰহাট, কামৰূপ, শিৱসাগৰ, আদি অঞ্চলত যথেষ্ট খনিজাত সামগ্ৰীৰ খনন আৰু অন্যান্য ব্যৱসায় চলি থাকে সেই জিলাসমূহত কিন্তু foundation ৰ কোনো পইচাই এতিয়ালৈকে জমা হোৱা নাই। চৰকাৰৰ হাতত ইতিমধ্যে ৫৫ কোটি টকা জমা আছে বুলি কৈছে তাৰ ভিতৰত মাত্ৰ ডেৰ কোটি টকাহে তেখেতসকলে এতিয়ালৈকে খৰছ কৰিছে। যিখিনি ক্ষেত্ৰত কৰিব লাগে High priority area মহোদয়, পানী ব্যৱস্থা কৰা , environment protection কৰা স্বাস্থ্যৰ বাবে মহিলা আৰু শিশু সুৰক্ষাৰ বাবে, শিক্ষাৰ বাবে , বৃদ্ধ সকলৰ বাবে ইত্যাদি বিভিন্নধৰণৰ কথা আছে । এই গোটেই কথাবিলাকত কিন্তু কোনোধৰণৰ এটা পৰিকল্পনা কৰি এই পুঁজিটো ব্যয় কৰাৰ ব্যৱস্থা কৰা নাই। যাৰ বাবে যিখিনি সুবিধা পাব লাগে পোৱা নাই। কাৰণ আপুনি জানে এই খনিসমূহৰ বাবে এই অঞ্চলসমূহৰ প্ৰাকৃতিক পৰিবেশ ধ্বংস হয়, মই ইতিমধ্যে কেচ কৰিছো এই ক্ষেত্ৰত। কিন্তু এই ফাউণ্ডেশ্যনে আমাক সহায় আগবঢ়াব পৰা নাই। গতিকে চৰকাৰে যাতে সোনকালে ইয়াৰ ব্যৱস্থা কৰে। তাৰ বাবে মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিছো। কিয় পৰা নাই কাৰণ বিভাগৰ চাৰ্কোলাৰ আছিলে , বিভাগৰ গাফিলতিৰ বাবে নিশ্চয় এইবিলাক হোৱা নাই। যি সকলে এনেধৰনৰ গাফিলতি কৰি আছে । তেখেতসকলৰ ওপৰত কিবা ব্যৱস্থা ল'ব নেকি । এই কথাও মই জানিব বিচাৰো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ.... মন্ত্ৰী ডাঙৰীয়া

**শ্ৰীনৰ কুমাৰ দলে, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, জিলা খনিজ ফাউণ্ডেশ্যন -২০১৭ চনত গঠিত হৈছিল। ভাৰত চৰকাৰৰ খনিজ মন্ত্ৰালয়ৰ অনুমোদন সাপেক্ষে ২০১৬ ডিচেম্বৰ সাপেক্ষে যি ৰাজহ সংগ্ৰহ কৰাৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰা হৈছিল আৰু এই ২০১৮ চনৰ পৰা এই আঁচনিসমূহ গ্ৰহণ কৰাৰ বাবে ইতিমধ্যে ব্যৱস্থা গ্ৰহণ কৰা হৈছে। ইতিমধ্যে ৩৩ খন জিলাত জিলা খনিজ ফাউণ্ডেশ্যন গঠিত হৈছে। তাৰ ভিতৰত কিছু সংখ্যক জিলাত এই ধনখিনি জমা হৈছে আৰু বাকীখিনিত জমা হোৱা নাই। ইতিমধ্যে ৰাজ্যখনত সৰ্ব্বমুঠ ৫৫.৯০৪০ কোটি টকা জমা হৈছে আৰু ইতিমধ্যে তাৰ বাবে ডিমা হাচাও আৰু তিনিচুকীয়া জিলাত আমি ১৫ কোটি টকা ডিমা হাচাও জিলাত ১৫.২৬৯১ লাখ আৰু তিনিচুকীয়া জিলাত -২০.৪৯৩৩ কোটি - এই দুইখন জিলাত ইতিমধ্যে আঁচনিসমূহ

গ্ৰহণ কৰা হৈছে আৰু বাকী জিলাসমূহতো ইতিমধ্যে যিহেতু জিলা খনিজ ফাউণ্ডেশ্যনত জিলা উপায়ুক্ত ডাঙৰীয়াৰ নেতৃত্বত এখন তত্বাবধায়ক কমিটি আৰু মনিটৰিং কমিটি এখন আছে আৰু সকলো জিলা উপায়ুক্তক আমি নিৰ্দ্দেশ প্ৰেৰণ কৰিছো যিসমূহ জিলাত এনেধৰনৰ পুঁজি জমা হৈছে য'ত য'ত মাইনিঙ এৰিয়াৰ ওচৰ চুবুৰীয়া অঞ্চলসমূহত ভাৰত চৰকাৰৰ প্ৰধান মন্ত্ৰী, খনিজ ক্ষেত্ৰ যোজনাৰ অৰ্ন্তগত নিয়মাৱলীৰ দ্বাৰা যাতে যিসকল অঞ্চলত এনেধৰনৰ আঁচনি ৰূপায়ণ কৰিব পৰা যায় অতি সোনকালে যাতে ধনখিনি ব্যৱহাৰ কৰিবৰ বাবে আমি ব্যৱস্থা গ্ৰহণ কৰিছো।
যোৱা কালিও আমি এই বিষয়ে আলোচনা কৰিছিলো। যিখিনি টকা আছে সেইখিনি ব্যাৱহাৰ কৰাৰ বাবে আমি পৰামৰ্শ আগবঢ়াইছো।

**শ্ৰীদেবব্ৰত শইকীয়া, বিৰোধী দলৰ দলপতি ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ ১৯ খন জিলাত হোৱা নাই। সেই কাৰণে অলপ খৰতকীয়া কৰিব লাগে। তিনিচুকীয়া মাত্ৰ ২ লাখ টকাৰ কাম হৈছে। ডিমা হাচাও জিলাতো যথেষ্ট কম হৈছে যিমান পুঁজি তেওলোকে সংগ্ৰহ কৰিছে। ইয়াত দিয়া তথ্যমতে ডিমা হাচাওত মাত্ৰ ১.৪ কোটি টকা কিন্তু এলোট কৰিছে মাত্ৰ ১৫ কোটি টকা । সেই কাৰনে এই ডিচেম্বৰলৈকে যিটো তথ্য ঠিক তেনেকৈ তিনিচুকীয়া জিলাৰ ক্ষেত্ৰতো ২০ কোটি টকা এলোটমেন্ট হোৱাৰ পিছত মাত্ৰ- ২ লাখ ২২ হাজাৰ টকা সেই গতিকে এনেধৰনে কৰিলে যিটো টাৰগেট লোৱা যায় সেইটো উদ্দেশ্য সফল নহ'ব। আমাৰ শিৱসাগৰ জিলাতো শিলৰ বৃহৎ ভাণ্ডাৰ আছে। বগীবিল দলঙকে ধৰি আন আন কনট্ৰাকশ্যন শিল ইয়াৰে পৰাই যোগান ধৰা হৈছিল। তাত প্ৰাকৃতিক পৰিবেশ যথেষ্ঠ ধ্বংস হৈছে- অবৈধ খননো চলি আছে। গতিকে নৈ খনৰো তাতো গড়া খহনীয়াৰ সম্ভবনা হৈছে- এই গতিকে এই পুঁজিটো যিহেতু দিয়া হৈছে- তাত হাৰ্টৰ প্ৰব্লেম বহু মানুহৰ হৈছে প্ৰদুষণৰ বাবে বুলি কোৱা হৈছে । গতিকে এই পুঁজিটো ব্যাৱহাৰ কৰি এই সমস্যাবিলাকৰ ক্ষেত্ৰত কিবা পদক্ষেপ ল'ব নেকি মন্ত্ৰী মহোদয়ে মই জানিব বিছাৰো।

**শ্ৰীনব কুমাৰ দলে ঃ** মানননীয় অধ্যক্ষ মহোদয়, ইতিমধ্যে তিনিচুকীয়া- ডিমা হাচাওকে ধৰি বিভিন্ন জিলাত এনেধৰণৰ অঞ্চলসমূহত খোৱা পানী, শিক্ষা আৰু স্বাস্থ্যৰ ক্ষেত্ৰত আঁচনিসমূহ গ্ৰহণ কৰা হৈছে। ইতিমধ্যে কামখিনি আৰম্ভ হৈছে। গতিকে অতি সোনকালে কৰাৰ বাবে আমি ব্যৱস্থা ল'ম আৰু জিলা উপায়ুক্তসকলক ব্যৱস্থা ল'বলৈ পৰামৰ্শ দিম। যিসমূহ জিলা ধন জমা হোৱা নাই জিলা খনিজ ফাউণ্ডেশ্যনত দিয়াৰ বাবে ফৰেষ্ট ডিপাৰ্টমেন্টক ইতিমধ্যে কোৱা হৈছে।

মাননীয় অধ্যক্ষ ঃ খনিজ বিবাগৰ যদি কিবা পেপাৰ আছে কালি সদনত লে কৰিব পাৰে। আমাৰ মেম্বাৰসকলেও বুজি পাব আৰু এইটো আমাৰ কাৰণে নতুন কথা । এতিয়া আমিনুল ইছলাম।

**শ্ৰীআমিনুল ইছলাম ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে জানিব বিচাৰিছো ইয়াত বিভিন্ন বিবাগৰ যিবিলাক প্ৰজেক্ট লোৱা হয়- খোৱা পানী যোগান, স্বাস্থ্য, শিক্ষা , পৰিবেশ ৰক্ষা ইত্যাদি এই আঁচনিবিলাক লওতে সেই জিলাত এই নিৰ্দ্দিষ্ট বিভাগসমূহেও কাম কৰে গতিকে আমাৰ খনিজ ডেভল'পমেন্ট বোৰ্ডে সেই ডিষ্ট্ৰিক্টত এই ডেভ'ল'পমেন্ট প্ৰজেক্টবিলাক লয়। এতিয়া নিজাববীয়াকৈ লয় নে লাইন ডিপাৰ্টমেন্টক এৰি দিয়ে কামবিলাক। ইয়াৰ লগতে বাকী ৩৩ খন জিলাত যে এতিয়ালৈকে আৰম্ভ হোৱা নাই। এই বছৰতে আৰম্ভ কৰিবনে , এই বিষয়ে চৰকাৰে কিবা সিদ্ধান্ত লৈছে নেকি ?

**শ্ৰীনৱ কুমাৰ দলে, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, যিসমূহ জিলাত আমাৰ ৰয়েল্টি পাব লগীয়া বাকী আছে আমি ইতিমধ্যে এনভাৰনমেন্ট বিভাগক ইতিমধ্যে আমি আহ্বান জনাইছো যাতে তেখেতসকলৰ ৰয়েল্টিসমূহ জিলা খনিজ ফাউণ্ডেশ্যনত জমা দিব কাৰণে। জমা দি্য়াৰ পিছতে

আমি ব্যৱস্থা গ্ৰহণ কৰিম। ইতিমধ্যে আমি আঁচনিসমূহ ৰূপায়ণৰ বাবে ডিলা উপায়ুক্তৰ তত্বাবধানত লাইম ডিপাৰ্টমেন্টৰ দ্বাৰা আঁচনিসমূহ গ্ৰহণ আৰু ৰূপায়ণ কৰি থকা হৈছে।

**মাননীয় অধ্যক্ষ ঃ** খালেক ডাঙৰীয়া।

**শ্ৰীআব্দুল খালেক ঃ** অধ্যক্ষ মহোদয়, বৰপেটা জিলাত কাম কৰা নাই সেইটো কথা মই আলোচনা কৰিব বিচৰা নাই। মন্ত্ৰী মহোদয়ে দিয়া তথ্যত দেখা গৈছে আমাৰ জিলাৰ পৰা খনিজ ফাউণ্ডেশ্যন পাইছে মাত্ৰ ২ লাখ ৬৪ হাজাৰ টকা । কিন্তু ২ লাখ ৬৪ হাজাৰ টকা ৰাজহ সংগ্ৰহ কৰিবলৈ গৈ যদি আমাৰ ২০ কোটি বা তাতকৈ বেছি ৰাজহুৱা ধৰণৰ খৰছ হয় সেইটো হ'লে আমাৰ বাবে ক্ষতিকৰ হ'ব অধ্যক্ষ মহোদয়। খনিজ ফাউণ্ডেশ্যনৰ অধীনত বৰডাঙাত বালি খান্দিবলৈ অনুমতি দিছে। তাৰ ফলত সেই অঞ্চলত গড়াখহনীয়া সৃষ্টি হৈছে- জল সম্পদ বিভাগে তাত নিয়ন্ত্ৰণ কৰিব লাগিব। ভূমি সংৰক্ষণ বিভাগে ভূমি সংৰক্ষণ কৰিব লাগিব। গতিকে ২ লাখ টকাৰ কাৰণে যদি ২ কোটি টকা ৰাজহুৱা ধৰণৰ শৰাধ হয় তেন্তে ভবিষ্যতে ভয়াবহ সংকট সৃষ্টি কৰিব সেই কাৰণে এই ক্ষেত্ৰত এটা নিৰ্দ্দিষ্ট নীতি থাকিব লাগে।

**শ্ৰীনৱ কুমাৰ দলে, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয় বিষয়টো আমি পৰীক্ষা কৰি চাম।

**মাননীয় অধ্যক্ষ ঃ** ইয়াৰ পিছত কোৱেশ্যন নং-১৯৮

**শ্ৰীমতী প্ৰমিলা ৰাণী ব্ৰহ্ম, মন্ত্ৰী, সমাজ কল্যাণ ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰীনুৰল হুদা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ ৰূপহীহাট বিধান স ভা সমষ্টিৰ ৰূপহী উন্নয়ন খণ্ডত ১৪ খন গাওঁ পঞ্চায়তৰ অন্তৰ্গত ২২৮ টা অঙ্গনবাদী কেন্দ্ৰ আছে। এই কেন্দ্ৰসমূহৰ ভিতৰত ৬৭ কেন্দ্ৰ চামগুৰিৰ লাও খোৱা উন্নয়খণ্ড আই চি ডি এচ প্ৰজেক্টৰ অধীনত আছে। ১৬১ টা কেন্দ্ৰ ৰূপহী আই চি ডি এচ প্ৰজেক্ট কিন্তু কাৰ্য্যালয়টো আছে চামগুৰিত। মোৰ সমষ্টিৰ যিটো উত্তৰ খাটোৱাল তাৰ পৰা ২৫ কি.মি দুৰত্বত আমাৰ অঙ্গনবাড়ী কৰ্মীসকল যাব লাগে গতিকে ইয়াৰ বঢ়মপুৰৰ এটা পাৰ্ট ধূপ গুৰিত আছে, চামগুৰিৰ এটা পাৰ্ট ধূপগুৰিত আছে। আৰু ৰূপহীত ১৬১ টা কেন্দ্ৰ আছে। গতিকে মহোদয়, বঢ়মপুৰত এটা আই চি ডিএচ প্ৰজেক্ট আছে বঢ়মপুৰৰ পাৰ্টটো যদি বঢ়মপুৰত গুছি যায়, আৰু চামগুৰিত যিটো ৪৭ টা কেন্দ্ৰ আছে সেইটো যদি বাজিয়াগাওঁত গুছি যায় ৰূপহী খণ্ড এলেকাৰ ২২৮ টা কেন্দ্ৰ একেলগ কৰি ৰূপহী উন্নয়ণ খণ্ডত এটা প্ৰজেক্ট ৰূপহী আই চি ডি এচযিটো প্ৰজেক্ট ৰূপহী উন্নয়নখণ্ডত স্থানান্তৰিত কৰি দিব লাগে। এই কথাটো মই যোৱা বিদান সবা ২০১৭ চনত কৈছিলো । মোক ক্ষেত্ৰভিত্তিত তদন্তৰ ভিত্তিত কৰিম বুলি মোক কোৱা হৈছে। মই এইটো অনুৰোধ জনাইছো মাননীয় মন্ত্ৰী মহোদয়ে এই ব্যৱস্থাটো কৰি দিব লাগে ।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাহৰীয়াই উত্তৰ দিয়ক।

**শ্ৰীপ্ৰমীলা ৰানী ব্ৰহ্ম, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয় তাৰ পৰা যদি আমালৈ প্ৰস্তাৱ আহে আমি ব্যৱস্থা ল'ম।

**শ্ৰীনুৰুল হুদা ঃ** অধ্যক্ষ মহোদয়, বিধান সভাত কোৱাৰ পিছত আকৌ কিয় প্ৰস্তাৱ পঠিয়াব লাগে চাৰ। যিটো কথা কৈছো মই সেইটো বিভাগে তদন্ত কৰক তাৰ পিছত কাৰ্য্য ব্যৱস্থা লওক।

মাননীয় অধ্যক্ষ ঃ আপুনি সহযোগ কৰিম। মন্ত্ৰী চাম বুলি কৈছে। ১ সপ্তাহৰ ভিতৰত যদি নহয় আপুনি অলপ সহযোগ কৰিব যে কি কাৰণে হোৱা নাই।

**শ্ৰীপ্ৰমীলা ৰানী ব্ৰহ্ম, মন্ত্ৰী ঃ** অধ্যক্ষ মহোদয়, ফৰ্মেল প্ৰস্তাৱটো আনিব লাগিব। আপুনি অলপ লাগিমেলি প্ৰস্তাৱটো আনক ।

## Point of Order

**माननीय अध्यक्ष ঃ** Question Hour is over.

**শ্ৰী দেৱব্ৰত শইকীয়া ঃ** মাননীয় অধ্যক্ষ মহোদয়, সভা স্থগিত প্ৰস্তাৱ আনিছিলো, একাংশ সংবাদ মাধ্যমত প্ৰকাশিত।

**মাননীয় অধ্যক্ষ ঃ** অলপ পিছত লম। Point of Order দিব পিছত। Point of Order কাৰ কি আছে?

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, উত্তৰ কৰিমগঞ্জঃ** চাৰ, মোৰ Unstarred Question No. 399 ত এটা আছিল। এতিয়া কয়লাৰ যিটো Syndicate তাত প্ৰধান অসুবিধাটো হৈছে অধ্যক্ষ মহোদয়, যে মেঘালয়ৰ কয়লা আমাৰ বৰাকৰ যিখিনি, মেঘালয়ৰ কয়লাটো বন্ধ হোৱাৰ কাৰণে, Supreme Courtৰ কিবা এটা অৰ্ডাৰ আছে, এইটোৰ বাবে বন্ধ হোৱাৰ কাৰণে অসুবিধাটো হৈ আছে অধ্যক্ষ মহোদয়। কিন্তু উত্তৰত যিটো পালো বৰাক উপত্যকাৰৰ কয়লা চুবুৰীয়া ৰাজ্য মেঘালয়ৰ পৰা আমদানি কৰা হয়। সেইবাবে খনিজ বিভাগৰ হাতত কোনো তথ্য নাই। অধ্যক্ষ মহোদয়, কথাটো হৈছে কি আমাৰ মেঘালয়ৰ পৰা কয়লাটো নহাৰ কাৰণ এই চেকিংটো, মাৰ্ঘেৰিটাৰ পৰা কয়লা আহে, বেলেগ বেলেগ ঠাইৰ পৰা কয়লা আহে, কথাটো হৈছে কি সিহঁতৰ হাতত তথ্য নাই। তথ্যটো এনেকুৱাকৈ ভুল তথ্য সদনত দি থাকে। অধ্যক্ষ মহোদয়, সদনত বিপদে পৰিচালিত কৰা হৈছে। এইটো কাৰণে যিজনে উত্তৰটো দিছে সেইজনৰ ওপৰত ব্যৱস্থা লব লাগে।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্ন নং ৩৯৯।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ ঃ** ৩৯৯।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী, মৰিয়নী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ Starred Question No 201আছিল। অঙ্গনবাড়ীৰ যিসকল Supervisor আছে তেখেত সকলৰ প্ৰায় ৯৮৬ সংখ্যা গোটেই অসমত আছে। তেওঁলোকে খুব নিম্নতম এটা মজুৰী পাই চাকৰি কৰিব লগীয়া হৈছে। যিহেতু তেওঁলোকে ভিতৰুৱা অঞ্চলতো যাব লাগে তদাৰক কৰিবলৈ, Supervise কৰিবলৈ, তেখেত সকলৰ হাজিৰা ৫০০.০০ টকাটো বহুত কম হৈছে। মই চৰকাৰৰ পৰা জানিব বিচাৰিছিলো মোৰ প্ৰশ্নৰ যোগেদি যে Regularise কৰিব নেকি? তেতিয়া উত্তৰত দিছে যে এটা কোৰ্ট কেছৰ কাৰণে Regularise কৰিব পৰা নাযাব। কিন্তু মই চৰকাৰক অনুৰোধ জনাম এই প্ৰশ্নটোৰ যোগেদি যে পাৰিলে তেওঁলোকৰ Regularise কৰিব নালাগে তেওঁলোকৰ দৰমহাৰ যিটো পৰিমান সেইটো বৃদ্ধি কৰিব লাগে। মোৰ দ্বিতীয় প্ৰশ্নটো আছিল Starred Question No 210 ত, Minority Development Board. মই এবছৰ মান আগতে মাননীয় মন্ত্ৰীক এই বিধান সভাৰ মজিয়াত মোৰ এটা প্ৰশ্নৰ যোগেদি সুধিছিলো যে Minority Development Board গঠন কৰা হ'ল নেকি বা গঠন কৰা হ'ব নেকি? চৰকাৰে কৈছিল সেই উত্তৰত যে অতিশীঘ্ৰে গঠন কৰা হ'ব। কিন্তু সেই অতিশীঘ্ৰেটো এতিয়া আজি উত্তৰত দেখা পালো এই অতিশীঘ্ৰেটো এতিয়াও হোৱা নাই।

**মাননীয় অধ্যক্ষ ঃ** এতিয়াও continue হৈ আছে।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী ঃ** এতিয়াও গঠন হোৱা নাই। এই অতি শীঘ্ৰেটো কেতিয়া হ'ব এইটো আমি অকণমান চৰকাৰৰ পৰা জানিব বিচাৰিছো। মোৰ আৰু এটা প্ৰশ্ন আছিল Starred Question

No 212. অতি গুৰুত্বপূৰ্ণ বিষয়, আজি আমি ঢোল বজাই থাকো অসমে যে আমি মূগা শিল্পৰ লগত। চাৰ, চিঞৰ-বাখৰ অলপ বেছি শুনিছো।

**মাননীয় অধ্যক্ষ ঃ** Please Quite.

**শ্ৰী ৰূপজ্যোতি কুৰ্মী ঃ** মোৰ কথা নুশুনিলেও হ'ব। তেখেত সকলে লাহে লাহে পাতি থাকক।

**মাননীয় অধ্যক্ষ ঃ** নাই, নাই Please, আকৌ কেলেই বেলেগ এটা কৈ দিয়ে?

**শ্ৰী ৰূপজ্যোতি কুৰ্মী ঃ** Starred Question No 212, ইয়াত Handloom and Textile Department ৰ মোৰ এটা প্ৰশ্ন আছিল, আমি অসমে সাধৰণতে ঢোল বজাও আৰু আমি গৌৰৱ অনুভৱ কৰো এই ঢোল বজাই যে মূগা শিল্পত অসম খুউব চহকী আৰু আমাৰ নিচিনা নাই বুলি। কিন্তু ইয়াত দেখা পাইছো মূগা ফাৰ্ম এটা এটাকৈ দখল হৈ গৈ আছে। চৰকাৰী তথ্যই দিছে যে There are 33 nos. of Government Sericulture farm under encroachment. এইটো এটা খুৰ গুৰুপূৰ্ণ বিষয়। আমি আশা ৰাখিম ইয়াক বেদখল মুক্ত অতিশীঘ্ৰে চৰকাৰে কৰিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** আমিনুল ইছলাম।

**শ্ৰী আমিনুল ইছলাম, ধিংঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি যিবিলাক প্ৰশ্ন সোধো দেখা যায় যে কিছুমান এনেকৈ উত্তৰ দিয়া হয় যে তথ্য সংগ্ৰহ কৰি থকা হৈছে আৰু সেই একেই প্ৰশ্নটো যদি আমি পিছৰ sessionতো সোধো তাতো উত্তৰটো দিয়ে যে তথ্য সংগ্ৰহ কৰি থকা হৈছে। আকৌ চাৰ পিছৰ sessionতো সুধিলেও এইটোৰে লিখে যে তথ্য সংগ্ৰহ কৰি থকা হৈছে। গতিকে তথ্য সংগ্ৰহ কৰি থকাৰ যিটো প্ৰক্ৰিয়া এইটো কেতিয়াও শেষ নহয় আৰু অধ্যক্ষ মহোদয়, মোৰ Starred Question No 192 ত এটা প্ৰশ্ন সুধিছিলো।

**মাননীয় অধ্যক্ষ ঃ** নম্বৰটো কিমান?

**শ্ৰী আমিনুল ইছলাম ঃ** Starred Question No 192.

**মাননীয় অধ্যক্ষ ঃ** Starred Question No 192 আজি নাই।

**শ্ৰী আমিনুল ইছলাম ঃ** কালি আছিল।

**মাননীয় অধ্যক্ষ ঃ** কালিৰ কথা কেলেই উলিয়াইছে?

**শ্ৰী আমিনুল ইছলাম ঃ** চাৰ, কথাটো কৈছো। তাতে এনেকুৱা আছিল যে সত্ৰৰ মাটি, মোৰ সমষ্টিৰ মৈৰাবাৰীৰ পাঠাৰকুৰৰী সত্ৰত কোনে কোনে মাটি দান কৰিছিল, উত্তৰটো এনেকৈ দিলে যে এইটো মাটিৰ কথাটো যিহেতু ৰেভিনিউ বিভাগৰ গতিকে আমি এইটোৰ তথ্য নিদিও। কিন্তু সত্ৰখন যিহেতু সাংস্কৃতিক বিভাগৰ তেওঁলোকে এই নিজৰ সত্ৰত মাটি কোনে দান কৰিছিল এই কথাটো বেলেগ বিভাগক ঠেলি দিয়া যে হয়।

**মাননীয় অধ্যক্ষ ঃ** You will come to my chamber, yesterday it was the matter, I will discuss with you on this matter. এইটো আজি মই এতিয়া নকৰো। আপুনি মোৰ তাত আহিব পাৰে। Yes, now I have received the adjournment motion. মই প্ৰথমে একো নকও, কিন্তু যিহেতু adjornment motion admissibility ৰ কথা আছে, গতিকে admissibilityৰ ওপৰত আপোনালোকে কব পাৰে।

**শ্ৰী দেৱব্ৰত শইকীয়া ঃ** অধ্যক্ষ মহোদয়, আজি যিটো সংবাদ মাধ্যমত প্ৰকাশ হৈছে যে গ্ৰেপ্তাৰী পৰোৱানা অবিহনে অসমকে ধৰি উত্তৰ পূৰ্বাঞ্চলৰ ৫ ৰাজ্যৰ যিকোনো লোকক গ্ৰেপ্তাৰ কৰিব পাৰিব আৰু এই অধিসূচনাখনৰ বিষয়ে অন্য বাতৰি কাকতত প্ৰকাশ পাইছে, সামৰিক শাসনৰ আগ জাননী

অসম সহ ৫ ৰাজ্যৰ সীমান্তবৰ্তী জিলাত Warrent অবিহনে গ্ৰেপ্তাৰ তালাচীৰ ক্ষমতা Assam Rifles, এই অধিসূচনা মহোদয়, যদি জাৰি হয় তেতিয়াহলে ভাৰতৰ সংবিধানে প্ৰদান কৰা নাগৰিকৰ Freedom of movement ব্যাহত হ'ব, undeclared emergency হ'ব, যি কাৰ্য্যই গণতন্ত্ৰৰ প্ৰতি চৰম ভাবুকি। গতিকে আমি আপোনাৰ যোগেদি আজি সভাস্থগিত কাৰ্যসূচী কৰাব বিচাৰিছো আৰু আপুনি অনুমতি দিব বুলি ভাবিছো যিহেতু আমি যিটো কথা কৈছো এই কথাটো urgent and matter of public important page no. 5 & 6 ত যি নিৰ্দ্দেশনা আছে Kaul and Shakdher ৰ আৰু ঠিক তেনেকৈ page no. 572 ত আছে Motion should not be revived the discussion on a matter already taken in the same session আৰু ইয়াৰ factual basis আছে আৰু definitely এইখন যোৱা ২০১৮ চনৰ গণতন্ত্ৰ দিৱসৰ দিনা প্ৰধানমন্ত্ৰী ডাঙৰীয়াই Independent Day, 2018, তেখেতে এটা Highlight কৰিছিল যে Armed Forces Special Power of Act, he also promised that the Law against to the 'Triple Talaq" will be materialised and removal of armed forces special power act from large part of the North-East, এইটো withdraw কৰা হ'ব যিহেতু Our forces have assured in the new era of internal security. ঠিক তেনেকৈ মণিপুৰতো ২০১৪ চনৰ আৰু ইম্ফলত ২০১৪ চনত তেখেতে কৈছিল যে Armed Forces Special Power Act খন উঠাই লোৱা হ'ব আৰু তাৰপৰিবৰ্ত্তে এতিয়া দেখা গৈছে যে হঠাৎ যোৱাকালি কেন্দ্ৰীয় চৰকাৰে notification উলিয়াইছে। যিখনে আমাৰ জনসাধৰণৰ যিটো ইফালৰ পৰা সিফালে যাবলৈ বা freedom movement দিছে সেইখিনি নোহোৱা হ'ব আৰু যিখনে আমাৰ, যিহেতু এইটো recent occurrence আৰু Rules of Law ত যিটো আমাক কোৱা হৈছে যে সংবিধানে আমাক অধিকাৰ দিছে নাগৰিক সকলক, নাগৰিকৰ অধিকাৰ বেলেগ আৰু অন্য সকলৰ অধিকাৰ বেলেগ। নাগৰিকৰ অধিকাৰ খৰ্ব হ'ব যিটো সংবিধানে আমাক দিছে আৰু এতিয়া সততে কৈ থকা হৈছে যে উত্তৰ পূৰ্বাথঞ্চলত শান্তি বিৰাজ কৰিছে, তেনেহলে এনেকুৱা এখন আইন যিখন আইনৰ বাবে যোৱা সময়চোৱাত বহুত প্ৰতিবাদ হৈছিল, তাক উঠাই ল'বলৈ বহুত হেচা দিয়া হৈছিল, বিভিন্ন আন্দোলন হৈছিল। তাৰোপৰি যিটো Assam Rifles ক দিয়া হৈছে, তেখেত সকলৰ Human Right ৰ record টো খুব ভাল নহয়। বিভিন্ন তথ্য ওলাইছিল যোৱা সময়ত যে ১০০ টা ঘটনাৰ ভিতৰত ৩৭ টা Human Right violation ৰ case Assam Riflesয়ে কৰে। ইয়াৰ উপৰি ইয়াত যি Megistrate লাগে সেই তেনেকুৱা ধৰণৰ কোনো provision ৰখা হোৱা নাই। এজন সাধাৰণ বিষয়াক এজন নিম্নখাপৰ বিষয়াই কোনো warrent নোহোৱাকৈ যিকোনো মানুহক সোধপোছ কৰিব পাৰিব, তেওঁলোকক গ্ৰেপ্তাৰ কৰিব পাৰিব বা তেওঁলোকক বিচাৰি যিকোনো স্থানত তালাচী চলাব পাৰিব। তাৰ ফলত আমাৰ যি এটা পৰিৱেশ, সেই পৰিৱেশ বিনষ্ট হোৱাৰ সম্ভাৱনা আছে। কেন্দ্ৰীয় চৰকাৰে এনেকুৱা ধৰণৰ আইন গ্ৰহণ কৰি উত্তৰ পূৰ্বাঞ্চলৰ সৰ্বসাধাৰণ ৰাইজে যেনেধৰণৰ দাবী কৰি আহিছিল যে আমাকো মূল ভাৰতৰ লগত যাতে মূল সুতিত এই আইন, এই main stream of India ত এনেকুৱা ধৰণৰ কোনো আইন নাই, সেই আইন প্ৰত্যাহাৰ কৰি আমাকো অংশীদাৰ হ'বলৈ দিয়ক গণতন্ত্ৰ প্ৰক্ৰিয়াৰ, তাৰ প্ৰতি যেন এটা ভাবুকি দিছে। সেই গতিকে মই আপোনাৰ যোগেদি আজি সদনৰ সকলো কাৰ্যসূচী বাতিল কৰি আমাৰ এই সভা স্থগিত প্ৰস্তাৱৰ ওপৰত আলোচনা লৈ আৰু অসম চৰকাৰেও যাতে ইয়াৰ প্ৰতিবাদ কৰি এটা কেন্দ্ৰলৈ তীব্ৰ প্ৰতিবাদ

পঠাই, যিহেতু আমাৰ চৰকাৰ খনেও ৰাইজৰ কথামতে চলিম বুলি কৈছে মই সেই গতিকে আপোনাৰ দৃষ্টি আকৰ্ষণ কৰিলো আৰু মোৰ ভাষ্যগত প্ৰস্তাৱটো গৃহীত কৰিব লাগে বুলি অনুৰোধ জনালো।

**माननीय অধ্যক্ষ ঃ** ডেকা ডাঙৰীয়াৰ পৰাও এখন similar পাইছিলো আপুনিও admissibility কৰ পাৰে।

**শ্ৰী পবিন্দ্ৰ ডেকা, পাটাছাৰকুছি ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি অসমত প্ৰায়বোৰ দৈনিক বাতৰি কাকতত এটা অতি ভয়ংকৰ আৰু অতি সাংঘাটিক অসমৰ তথা উত্তৰ পূৰ্বাঞ্চলৰ জনজীৱন বিধ্বস্ত কৰিব পৰা বাতৰিয়ে Head line দখল কৰিছে। মই এই গোটেই বিষয়টো আলোচনা কৰাৰ বাবে সভা স্থগিত বিচাৰিছো আৰু সভা স্থগিত প্ৰস্তাৱাৰ জৰিয়তে এই গোটেই বিষয়টো সদনত আলোচনা কৰাৰ কাৰণে মই আপোনাক অনুৰোধ জনাইছো। মাননীয় অধ্যক্ষ মহোদয়, বাতৰি কাককত প্ৰকাশ পাইছে এনে ধৰণে অসম সহ উত্তৰ পূৰৰ ৫ ৰাজ্যক লৈ গৃহ মন্ত্ৰালয়ৰ ভয়ংকৰ অধিসূচনা Warrent অবিহনে গ্ৰেপ্তাৰৰ License, এজন সাধৰণ কনিষ্ঠবলেওঁ এজন মানুহক যিকোনো কাৰণ দৰ্শাই তেওঁক গ্ৰেপ্তাৰ কৰিব পাৰিব।

**মাননীয় অধ্যক্ষ** ঃ ডেকা ডাঙৰীয়া কনিষ্টবল জন Assam Rifles ৰ নেকি ?

**শ্ৰী পবিন্দ্ৰ ডেকা (মাননীয় সদস্য) ঃ** মাননীয় অধ্যক্ষ মহোদয়, Assam Rifles ৰ। অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ ভয়াবহ দিন সমাগত। কেন্দ্ৰীয় চৰকাৰে জাননী যোগে Assam Rifles ক দিছে Super Power, পৰোৱানা অবিহনে গ্ৰেপ্তাৰ কৰিব পাৰিব যিকোনো লোকক এইটো দিছে আমাৰ অসমে আৰু দৈনিক অসমে দিছে, সামৰিক শাসনৰ আগজাননী এয়া এক ভংয়কৰ কথা। অসমসহ ৫ ৰাজ্যৰ সীমান্তৱৰ্তী জিলাত Warrent অবিহনে গ্ৰেপ্তাৰ তালাচীৰ ক্ষমতা Assam Rifles ক দিয়া হৈছে। আমাৰ ভাৰতত নাগৰিকক যি মৌলিক অধিকাৰ দিয়া হৈছে, মৌলিক অধিকাৰ ১ নম্বৰতে খৰ্ব কৰিব, ২নম্বৰতে আজি এই বাতৰিটো পঢ়ি এনেকুৱা লাগিছেযে আমাক আকৌ অসম আন্দোলনৰ ১৯৮৫ চনৰ সেই সময় লৈকে কেন্দ্ৰীয় চৰকাৰে ঘূৰাই নিব বিচাৰিছে। অৰ্থাৎ সেই সময়ত যি সামৰিক অত্যাচাৰ, সেই সময়ৰ যি অৰ্ধ সামৰিক বাহিনীৰ অত্যাচাৰ, যি হত্যা, লুণ্ঠন সেই বিলাকলৈ আমাক ঘূৰাই নিবলৈ বিচাৰিছে। মই ৰাইজৰ ধাৰণা গম পোৱা নাই, মই ৰাতিপুৱাই বাতৰিটো পায় দৌৰি আহি মই ইয়াত Adjournment Motion ৰ জৰিয়তে সকলো কাৰ্য্যসূচী বন্ধ কৰি এইটো আলোচনা কৰাৰ কাৰণে মই আপোনাৰ ওচৰত আৱেদন জনাইছিলো। অধ্যক্ষ মহোদয়, এই Matter টোৰ ওপৰত আমাৰ যি সকলে ৰাতিপুৱাই বাতৰি কাকত পঢ়িছে, বিষয়টো সম্পৰ্কে বৃস্তিত বাখ্যা দিয়াৰ কোনো প্ৰয়োজন নাই কাৰণ এই সদনত এই ১২৬জন যি বিধায়ক আছো আমি সকলোৱে জানো আমাৰ চকুৰ আগত এই ৰাজ্যখনত কি কি ঘটনা ঘটি গৈছিল, ৮৫৫জন লোকক গুলীয়াই হত্যা কৰা হৈছে। সামৰিক বাহিনীক এনেধৰণে ক্ষমতা দিয়া হৈছিল যে আমাৰ মানুহে বাৰীত নিজৰ বাঁহনিৰ তলত গাঁত খান্দি লুকাই থাকিব লগীয়া অৱস্থা হৈছিল। আনকি ৰাতি গ্ৰেপ্তাৰ কৰিবলৈ গৈ ধন, সোণ-গহণা পৰ্য্যন্ত মহিলাৰ লুট পাত কৰিছিল। সেই দিনৰ কথা সকলোৱে জানে, সেই দিন যাতে আমাৰ কেন্দ্ৰীয় চৰকাৰে নৰেন্দ্ৰ মোডী ডাঙৰীয়াৰ চৰকাৰে এই দিনলৈ আমাক ঘূৰাই নিব বিচাৰিছে এনেকুৱা এটা অনুভৱ হৈছে। বিষয়টো হব লাগে Definite, অধ্যাদেশ জাৰি কৰি জনতাৰ উত্তৰ পূৰ্বাঞ্চলৰ জনতাৰ যি সাংবিধানিক মৌলিক অধিকাৰ খৰ্ব কৰাৰ যি পৰিকল্পনা সেই পৰিকল্পনা বাস্তৱত ৰূপায়িত কৰিবলৈ গৈছে, গতিকে বিষয়টো নিৰ্দিষ্ট আৰু জনস্বাৰ্থ সম্পৰ্কৰ হব লাগিব, It should be important for public এইটো এটা public important বিষয় এই কথাটো সকলোৱে জানে। এই অধ্যাদেশখনৰ ফলত কি হব

পাৰে জনসাধৰণৰ, আমাৰ কি হব পাৰে। ইয়াত কৈছে যে CAB বিৰোধী আন্দোলনে সমগ্ৰ উত্তৰ পূৰ্বাঞ্চলক ঘেৰি ধৰিছে তাৰ কাৰণে কৰা বুলি আমাৰ বাতৰি কাকত বিলাকে মন্তব্য কৰিছে। গতিকে এইটো এটা Matter of public importance সেইটো ফালৰ পৰা It has the quality of admissibility। গতিকে মই আপোনাক অনুৰোধ কৰো ইয়াত লিখা আছে admissibility কেতিয়া হব পাৰে, The Speker shall decide whether the matter to be discussed is definite and whether it is of urgent public importance. এইটো বিষয়ে মই বাখ্যা ৰাখিলো The right to move the adjournment of the Assembly for the purpose of discussing a definite matter of urgent public impor the following restrictions. Restrictions খিনি ইয়াত নাই মই পঢ়ি চাইছো, যিবোৰ restrictions দিছে, It does not contain these restrictions. গতিকে যিহেতু বিষয়টো অতি জনসাধৰণৰ স্বাৰ্থৰ পৰিপন্থী আৰু যিহেতু বিষয়টো একেবাৰে নিৰ্দিষ্ট যে এখন অধ্যাদেশ জাৰি কৰি উত্তৰ পূৰ্বাঞ্চলৰ জনসাধৰণৰ মৌলিক, সাংবিধানিক অধিকাৰ আৰু Right to live ৰ যি মৌলিক অধিকাৰ আছে সেইটো সম্পূৰ্ণভাবে খৰ্ব কৰিব বিচাৰিছে। মই ভাবো বিষয়টো আলোচনা হব দিব লাগে আৰু এই বিষয়টোত অসম চৰকাৰে কৰা নাই কৰিছে কেন্দ্ৰীয় চৰকাৰে কিন্তু অসম আৰু উত্তৰ পূৰ্বাঞ্চলক সাঁমৰি লৈছে। গতিকে The Govt. of Assam have some duties to do something. অসম চৰকাৰে কি ভাবিছে এই বিষয়ে স্পষ্ট ধাৰণা এই বিধান সভাৰ জৰিয়তে অসমৰ ৰাইজক জনাব লাগে সেই কাৰণে বিষয়টো আলোচনাৰ যোগ্য। গতিকে আপুনি আজি সদনৰ সকলো কাৰ্য্যসূচী বাতিল কৰি এই বিষয়টো আলোচনা হব দিব লাগে, ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় সদস্য শ্ৰী আমিনুল ইছলাম।

**শ্ৰী আমিনুল ইছলাম (ধিং) ঃ** মাননীয় অধ্যক্ষ মহোদয়, যিটো সভা স্থগিত প্ৰস্তাৱ ইয়াত অনা হৈছে, বিষয়টো অতি স্পৰ্শকাতৰ অতি উদ্দেগজনক আৰু এটা ভয়াবহ ইংগিত বহন কৰিছে। এটা কথাত কব গলেও আজিও সমগ্ৰ ভাৰতলৈকে emergency ৰ কথাটো ১৯৭৬/৭৭ ৰ emergency লগোৱা হৈছিল ভাৰতত। আজিও সেই emergency ৰ সেই কথাখিনি আজিও ভাৰতবাসিয়ে যেতিয়া স্মৰণ কৰে তেতিয়া সকলোৰে এটা ভয়াবহ অনুভৱ প্ৰত্যকজন লোকৰ অন্তৰত আজিও অনুভৱ হয়, গতিকে ভাৰতবাসীয়ে কেতিয়াও কামনা নকৰে যে আকৌ এনেকুৱা এটা পৰ্য্যায় আহক। এনেকুৱা এটা সময় আহক যাতে সেই emergency period ৰ নিচিনা এটা ভয়াবহ স্মৃতি পুনৰ আজিৰ প্ৰজন্মই যাতে ভোগ কৰিব নালাগে। এই যিটো উত্তৰ পূৰ্বাঞ্চলৰ ৫খন ৰাজ্যক সামৰি যিটো অধিসূচনা কেন্দ্ৰীয় চৰকাৰে জাৰি কৰিছে, আমি জানো পূৰ্বৰ দিনৰ যিটো অভিজ্ঞতা সেই অভিজ্ঞতাৰ পৰা আমি কব পৰো যে ইয়াৰ যে Misuse হব বা বহুতে ইয়াক বিভিন্ন উদ্দেশ্যত ব্যৱহাৰ কৰিব হয়তো CAB বিৰোধী আন্দোলন যি সকলে কৰিছে, তেওঁলোকক এই অধিসূচনাৰ জৰিয়তে তেওঁলোকক দমন কৰাৰ ক্ষেত্ৰত হওঁক বা ৰাজনৈতিকভাবে হওঁক এইটো অপ প্ৰয়োগ কৰি বহুতক কিন্তু বাকৰুদ্ধ কৰিব বিচৰা হ'ব আৰু এই power টো যদি Assam Rifles য়ে পায় তেতিয়া হলে Assam Rifles ক ব্যৱহাৰ কৰি যি সকলে সোতৰ বিপৰীতে বা সপক্ষে বা বিপক্ষে যি সকলে আজি আন্দোলন কৰি আছে, যি সকল মানৱ অধিকাৰ কৰ্মী, যি সকলে আজি সাম্প্ৰদায়িকতা আদিৰ বিপক্ষে মাত মাতি আছে, তেওঁলোকক হয়টো ন্যস্ত স্বাৰ্থ জনিত নহলে দমন কৰাৰ কাৰণে লক্ষ্য কৰি লব পাৰে। গতিক মই ভাবো আমাৰ দলৰ এইটো স্থিতি যে এইটো

আতি গুৰুত্বপূৰ্ণ বিষয় আৰু এইটো এটা recent occurance যিহেতু কালি আতি সম্প্ৰতি এই অধ্যাদেশখন জাৰি হৈছে। এইটো এটা must interest, অৰ্থাৎ সামগ্ৰীক ভাৱে সকলোধৰণৰ ৰাইজক চুই যাব পৰা এটা বিষয়বস্তু, যে যি কোনো পৰ্য্যায়ত ইয়াত চৰকাৰী, বে-চৰকাৰী, উচ্চ, মধ্য, নিম্নবিত্ত যিকোনো পৰ্য্যায়ৰ মানুহ, যিকোনো সময়ত victim হৈ যাব পাৰে । গতিকে এই ভায়বহ আৰু সকলো ধৰণৰ ৰাইজক চুই যাব পৰা এই বিষয়টো recent occurance, এইটো বহুলভাৱে জনসাধাৰণ লগত জড়িত বিষয়, গতিকে এটা adjornment motion ৰ কাৰণে বিষয়বস্তুটোৰ যি গুৰুত্ব হব লাগে, যিটো ব্যপকতা হব লাগে, যিটো nature হব লাগে, আমি ভাৱো যে এই বিষয়টো সকলো ফালৰ পৰা এটা সভা স্থগিত প্ৰস্তাৱ কাৰণে এটা উপযুক্ত আৰু বিবেচনাৰ বিষয়। গতিকে আমি অনুৰোধ কৰো যাতে এই বিষয়টো implement হোৱাৰ পিছত জনসাধাৰণ নিৰিহ, নিৰ্দোষ, নিৰপৰাদ আৰু সৎ লোকসকল যাতে কিবা নহয় কিবা নস্ত্য স্বাৰ্থজৰিত মহলৰ পাকচক্ৰত বা তেওঁলোকৰ ষড়যন্ত্ৰত বলি হবলগা নহয়, গতিকে আজিয়ে আমি এই বিষয়টো গুৰুত্বসহকাৰে অসম বিধান সভাত আলোচনা কৰি আমি অসমবাসীৰ যিহেতু সকলো জাতি-জনগোষ্টিৰ **১২৬** টা সমষ্টিৰ প্ৰতিনিধি আছে, আমি আমাৰ দৃষ্টিভঙ্গিটো আলোচনা কৰি কেন্দ্ৰীয় চৰকাৰলৈ প্ৰেৰণ কৰাটো উচিত যাতে অনাগত দিনত কোনো নিৰ্দোষ, নিৰপেক্ষ বা নিৰপৰাদ লোক যাতে এটা চক্ৰান্তৰ বলি হবলগা নহয়, সেই কাৰণে এই বিষয়টো আজি আমি ভাৱো আলোচনাৰ সুবিধা কৰি দিলে, আৰু আলোচনা কৰি আমাৰ মতামতটো আমি কেন্দ্ৰীয় চৰকাৰলৈ প্ৰেৰণ কৰিবলৈ দিলে ৰাজ্যবাসীৰ কাৰণে এটা উপকাৰ হব আৰু আগন্তুক দিনত এক ভয়াৱহ ভৱিষ্যতৰ কলঙ্কৰ পৰা অসমবাসী মুক্ত হব, এইটো আমি আশা কৰিছো আৰু আপোনাক আমি অনুৰোধ জনাইছো যাতে বিষয়টো আলোচনা কৰিবলৈ আজি সভা স্থগিত প্ৰস্তাৱটো গৃহিত কৰে। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** Thank you. Minister Please.

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, সংসদীয় পৰিক্ৰমা মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ কংগ্ৰেছ, এজিপি আৰু এ আই ইউ ডি এফ দলে আজি যিটো সভা স্থগিত প্ৰস্তাৱ তেখেতসকলে আনিছে। আমাৰ Rules 56, 57 (3) কৈছে যে The motion must not be received discussion on a matter which has been discussed in the same session আৰু মাননীয় অধ্যক্ষ মহোদয়, এই গোটেই বিষয়টো ওপৰত আমাৰ চৰকাৰে সদনত আলোচনা কৰি তেখেতসকলে যিখিনি কথা উত্থাপন কৰে, এই সম্পৰ্কত চৰকাৰৰ মতামত কি হব আৰু চৰকাৰে কি সিদ্ধান্ত লব, এইটোৰ কাৰণে আমি প্ৰস্তুত আছো তাত কোনো সন্দেহ নাই। কিন্তু মাননীয় অধ্যক্ষ মহোদয়, এই গোটেই কথাখিনি হৈছে যে এইটো এনেকুৱা এটা বিষয় নহয় যে আমাৰ যিহেতু অধিবেশন বৰ্তমান চলি আছে, গতিকে অধিবেশন চলি থাকিলে আজিৰ দিনতো অন্য ডিভাইজতো এই বিষয়টো আনিব পাৰে। তাৰ কাৰণে যে এটা সভা স্থগিত প্ৰস্তাৱ আনিব লাগিব তাৰ কোনো কথা নাই। আৰু কাশ্মীৰত শেহতীয়া ভাৱে যিটো ঘটনা হ'ল, এই ঘটনাৰ পিছত সামৰিক বাহিনীক যিহেতু ক্ষমতা দিছে, পুলিচক ক্ষমতা দিছে, তেতিয়া ভাৰতবৰ্ষৰ সকলো ৰাজনৈতিক দলে বিশেষকৈ major opposition party Congress য়ে তেওঁলোকে স্পষ্টভাৱে এইখিনি কথা কৈছে যে আমি এই ক্ষেত্ৰত চৰকাৰৰ লগত বা কাষত আছো। আৰু সকলো ৰাজনৈতিক দলে এইকথাখিনি কৈছে। গতিকে আজি অসম আৰু উত্তৰ পূৰ্ব্বাঞ্চলৰ কথাখিনি ইয়াত এই কাৰণে আহিছে যে আজিৰ আমাৰ ৰাজ্যখনে প্ৰায় ৪৮০০ কিলোমিটাৰ Foreign Country boundary আমাৰ ৰাজ্যখনে চেয়াৰ কৰে বিভিন্ন দেশৰ লগত। গতিকে obviously উত্তৰ পূৰ্ব্বাঞ্চলটো sensitive হয়।

মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয় বিৰোধী দলৰ দলপতিয়ে কৈছে যে Kaul Shakdher ত এইটো কথা কৈছে, Kaul Shakdher ত এইখিনি কথাও কৈছে যে page no. 564 - Police force to maintain Law and Order can not be a subject matter of adjournment motion has under the code of criminal procedure 1973. তাৰ পিছত কৈছে যে The action of the Government of the State which is empowered to make under the provision of the constitution can not be subject of an adjournment motion.

তাৰ পিছত কৈছে যে page no. 562 - Generally speaking the subject matter of an adjournment motion must not have direct or indirect relation to conduct or default on the part of the Government of India or State. গতিকে এইটো clearly কৈছে।

page no. 566 ত কৈছে যে In interpreting whether a matter is urgent or not, the Speaker guided not by the ordinary meaning of the term but by the technical use of the term made in the rule. The matter to be urgent must araising suddently in the nature of the immergency.

page no. 567 - Kaul Shakder, Practice and Procedure of Parliament ত কৈছে যে A matter is urgent not only if it is of very recent occurance and must be raised in the available opportunity of the time. The matter araising during the period when the House is not in session should be raised on the first day of the House. A matter which has been continue for sometime can not be raised through the adjournment motion.

তাৰ পিছৰ পেৰাটোত কৈছে যে A matter even of very recent occurance is not urgent. If the opportunity of its discussion will araise of the ordinary course of the business within the reasonably short time.

তাৰ পিছৰ পেৰাটোত কৈছে যে Similarly a matter which can not be raised under any other procedure or device like calling attention motion, calling attention notices , question, short notice question, half and hour discussion, short duration discussion etc. can not raised through adjournment motion.

page no. 572 ত কৈছে মাননীয় অধ্যক্ষ মহোদয়, The point is that if Hon'ble Speaker have a fairly good chance to raising the question on a debt, it will not be permitted as an adjournment motion. The adjournment motion is a device to bring something before the House which is not included in the agenda for the order paper. It is something like taking up a new matter which is not intended to taken up and which the Members has no notice whatever.

আৰু page no. 574 ত কৈছে - It has further been held that an order passed in the ordinary administrations of Law can not be the subject of an adjournment motion, even though there is no remedy for it under the Law. মাননীয় অধ্যক্ষ মহোদয়, এই গোটেইখিনি কথা Kaul and Shakder ত কৈছে আৰু Rules and Procedure Conduct of Business in Assam Legislative Assembly Rule 57 (3) ত কথাখিনি কৈছে। মাননীয় অধ্যক্ষ মহোদয়, আজিৰ দিনটোত এই বিষয়টো আলোচনা কৰা কাৰণে কোনো আপত্তি নাই। ইয়াত Kaul and Shakder ত clearly কৈছে আৰু ইয়াত কেইবাটাও device আছে, কোনোবাই short notice আনিব পাৰে, ৩০১ আনিব পাৰে, ৩০১ ত আজি দিলে কালি আহিব পৰা ব্যৱস্থা আছে। গতিকে এনেকৈ there are many devices, becuase Assembly is in session. সেই কাৰণে মই ভাৱো যে বিষয়টো আলোচনা হ'লে চৰকাৰে ইয়াৰ উত্তৰ দিব আৰু ইয়াৰ justification দিব। গতিকে সকলোতকৈ ডাঙৰ কথা হ'ল যে এই House ৰ পৰা এটা message বাহিৰত যাব লাগে মাননীয় অধ্যক্ষ মহোদয়, যে আমি সকলোৱে সন্ত্ৰাসবাদৰ বিৰোদ্ধে এক। কাৰণ কাশ্মীৰত যিটো ঘটনা হ'ল বা ভাৰতবৰ্ষত disturbance create কৰিবৰ কাৰণে destabilize কৰাৰ কাৰণে extremist force সমূহে যিধৰণে আজি ভাৰতবৰ্ষত কাম কৰি আছে, আজি অসম তথা উত্তৰ পূবাঞ্চলতো বিধায়ক পবীন্দ্ৰ ডেকা দেৰে কোৱাৰ দৰে এটা ভয়াবহ দিন হৈছে কাৰণ অসমতটো ৰেকৰ্ড আছে। ১৯৯৬ ত যেতিয়া অসম গন পৰিষদৰ চৰকাৰ আছিল তেতিয়া বাংল্াদেশ বোৰ্ডাৰ হৈ পাকিস্তানৰ পৰা আই এছ আই ৰ ৪ জন মানুহ সোমাইছিল আৰু তেতিয়া অসম গন পৰিষদৰ চৰকাৰে তেওঁলোকক গ্ৰেপ্তাৰ কৰিছিল। যেতিয়া ২০০১ চনত কংগ্ৰেছ চৰকাৰ আহিল সেইকেইজনক মুকলি কৰি দিছিল। মুকলি কৰি দিয়াৰ পিছত তেওঁলোকে টি ভি ৰ সন্মুখত কৈছিল যে, অসম, বাংলাদেশ সোমাবলৈ আমাৰ ভাল কাৰণ বাংলাদেশ বোৰ্ডাৰ অপেন তাত আমাৰ কোনো অসুবিধা নাই। সেইকাৰণে পাকিস্তানৰ পৰা বাংলাদেশ হৈ সোমাইছোহি আৰু অসম গন পৰিষদৰ চৰকাৰক আমি অভিশাপ দিছো যাতে এইখন চৰকাৰ আৰু কেতিয়াওঁ আহিব নোৱাৰে। এইটো মই নিজে দেখা কথা। শুনা কথা নহয়। গতিকে আই এছ আই য়ে যদি এইটো ৰোড লয় কি হ'ব যিহেতু আমি অসমে ৪৮০০ International Boundary share কৰিছো। গতিকে এই ক্ষেত্ৰত আমি এটা কথা ক'ব বিচাৰিছো যে অধ্যক্ষ মহোদয়, এইবিলাক আলোচনা হওঁক আৰু আলোচনা হ'লেও আমি উত্তৰ দিবলৈ সাজু। কিন্তু এনেকুৱা হ'ব নালাগে যে আজি সকলো কাম বাদ দি adjournment motion হ'ল এইকাৰণেই যে সন্ত্ৰাসবাদৰ ওপৰত যে চৰকাৰে আৰ্মীক সম্পূৰ্ণ ক্ষমতা দিছে, আসাম ৰাইফলচক ক্ষমতা দিছে গতিকে আমি যেন ইয়াৰ বিৰুদ্ধে নহয় যেন সন্ত্ৰাসবাদৰ বিৰুদ্ধেহে আছো এই মেছেজটোহে অসম বিধান সভাৰ পৰা যাব লাগে। গতিকে এই কথাখিনি মই অনুৰোধ কৰিছো অধ্যক্ষ মহোদয়, যে এইটো adjournment motion ৰ বিষয় হ'ব নোৱাৰে আৰু কিবা অন্য ডিভাইচত তেওঁলোকে এইটো আনক, এইখিনি আমি তথ্য, যুক্তি সহকাৰে চৰকাৰক দিবলৈ সাজু আছো। গতিকে ইয়াত adjournment motion ৰ ফিজিবিলিটী নাই। যেতিয়া মাননীয় সদস্য সকলে ইয়াত adjournment motion ৰ ফিজিবিলিটীৰ ওপৰত কৈছে, adjournment motion এলাও কৰিলেও সেইখিনিয়ে ক'ব তাতকৈ বেছি নকয়। চৰকাৰৰ ইয়াত বহুত ক'বলগীয়া আছে। গতিকে অধ্যক্ষ মহোদয়, আজি এটা কথা সদনৰ পৰা যাওঁক যে আমি সকলো দল, সংগঠন নিৰ্বিশেষে সন্ত্ৰাসবাদৰ বিৰুদ্ধে আছো, ভাৰতবৰ্ষৰ সাৰ্বভৌমত্বৰ সপক্ষে আছো।

**শ্ৰী দেবব্ৰত শইকীয়া ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই আইনখনত তেখেতে কাশ্মীৰৰ বিষয়ে কৈ আছে যদিও এই আইনখন অকল উত্তৰ পূৰ্বাঞ্চলৰ। তেখেতে প্ৰথমতে যিটো preamble দিছে যে it can not be discussed if the State Government take help of para-military forces in case of maintaining of law and order. তাৰ অৰ্থ এইটো হ'ব নেকি যে উত্তৰ পূৰ্বাঞ্চলৰ ৰাজ্য কেইখনত সাধাৰণ ভাৱে চৰকাৰে যিটো প্ৰশাসন কৰিব লাগে তাৰ law and order ভাগি পৰিছে সেইকাৰণে paramilitary force ক special power দিয়া হৈছে। দ্বিতীয়তে, তেখেতে যিটো কথা কৈছে page no. 578 - it is special power and definit, কোনো ordinary administration ৰ নহয়। Debate ৰ scope, no scope এইটো সম্পূৰ্ণ আপোনাৰ discretion, definit, urgent, public protest এইটো absolutely আপোনাৰ discretion সেয়েহে আমি আপোনাক পুনৰ অনুৰোধ জনাইছো।

**মাননীয় অধ্যক্ষ ঃ** Actually আপুনি Kaul and Shakdher ৰ প্ৰথম পেজটোতে আছে। মই দুটা কথা ভাল পাইছো, চৰকাৰে কৈছে যে আমি এইটো কথা পাতিবলৈ প্ৰস্তুত আৰু যিটো concern সেইটো ভাল লাগিছে। বিধায়ক শ্ৰী পবীন্দ্ৰ ডেকা ডাঙৰীয়াই এটা কথা কৈছে যে চৰকাৰৰ মনোভাৱ কি ? সেইটো আমি ভালদৰে জনাব বিচাৰিছো আৰু চৰকাৰে কৈছে যে তেওঁলোক ক'বলৈ সাজু আছে। দুয়োটা পক্ষৰে এটা মিল আছে যে, বিষয়টো জনাৰ ক্ষেত্ৰত কাৰো আপত্তি নাই। Kaul and Shakdher ৰ প্ৰথম পেজটোতে লিখিছে যে "the primary object of an adjournment motion it should draw the attention of the Government to a matter of urgent public importance matter so as to criticise the decision of the Government" আৰু লগতে আমাৰ যিখন Rules and procedures and conduct of business of Assam Legislative Assembly ৰ 57(8) ত লিখিছে যে 'that it must not relate to a matter which is not primarily the concern of the Government of the State' যদি State এ লোৱা decision এটা criticise কৰে তেতিয়া হয়তো মোৰ adjournment motion টো এলাউ কৰাত আপত্তি নাই। কিন্তু কেন্দ্ৰীয় চৰকাৰে লোৱা সিদ্ধান্ত এটাক আমি যদি ইয়াত আলোচনা কৰি adjournment motion আনো I think that is not allowed either by the book of Kaul and Shakdher or Rules also. যিহেতু দুয়োটা পক্ষই বিচাৰিছে মই আলোচনাটো এলাও কৰিব পাৰো যিহেতু দুটা দিন আছে। কিন্তু এইটো adjournment motion ত আনিব নোৱাৰে কাৰণ এইটো Minister's responsibility. In the 1st point of Kaul and Shakdher we see the Minister's responsibility. কেন্দ্ৰীয় চৰকাৰে লোৱা সিদ্ধান্ত এটাত আমাৰ Minister য়ে কেনেকৈ responsibility ল'ব ? সেইকাৰণে মই কৈছো যে I can give an opportunity to raise the matter but not in the adjournment motion. সেইকাৰণে মই এইটো এলাও কৰা নাই। আপোনালোকে যদি বেলেগ অৰ্থত দিয়ে মই দিবলৈ সাজু। rule 50, 301 যিকোনো এটাত দিয়ক। আপোনালোকে আলোচনা কৰি আপোনালোকৰ concern চৰকাৰক জনাব পাৰে। Government should also express their views. মোৰ আপত্তি নাই। কিন্তু adjournment motion under the rules, I disallowed.

(সদনত হুলস্থুল)

(বিৰোধীয়ে সদন ত্যাগ কৰে)

এতিয়া শূন্যকালীন ঘণ্টা। শ্ৰী মৃনাল শইকীয়া।

**াননীয় অধ্যক্ষ ঃ** এতিয়া মাননীয় সদস্য মৃণাল শইকীয়া ডাঙৰীয়াই কওঁক।

**শ্ৰী মৃণাল শইকীয়া, বিধায়ক (খুমটাই) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি শূন্য কালীন ঘণ্টাত মই যিটো প্ৰশ্ন ৰাখিছিলো তাৰ আলোচনাৰ বাবে মোক ক'বলৈ দিয়াৰ বাবে ধন্যবাদ জনালো। মোৰ শূন্য কালীন ঘণ্টাৰ যিটো বিষয় আছিল, সেইটো 'খবৰ' বাতৰি কাকতৰ আঁত ধৰি দিছিলো। তাত যোৱা ১৮-০২-২০১৯ তাৰিখে এটা বাতৰি ওলাইছিল যে "প্ৰধানমন্ত্ৰী জীৱন বীমা আঁচনিৰ নামতো ৰাজ্যত বিয়াগোম দূৰ্নীতি। " এই বাতৰিটোৰ মূল তথ্য ভিত্তিক অসমীয়া যুৱমঞ্চত জিতুল ডেকা ডাঙৰীয়াই অতি তথ্য সহকাৰে এখন Press Meet দিছিল। প্ৰধানমন্ত্ৰী জীৱন বীমা আঁচনিৰ নামত ভয়ঙ্কৰ আৰু বিয়াগোম কেলেংকাৰী এটা হৈ আছে। তাত এনেকুৱা হৈ আছে যে জীৱিত মানুহেও এই বীমা আঁচনি কৰি, মৃত দেখাই এই বীমাৰ ধন ২ লাখ টকা আত্মসাৎ কৰিছে। ইয়াৰ দুটা উদাহৰণ 'খবৰ' বাতৰি কাকতখনত ওলাইছে যে আমিনা পাৰবিন আৰু চানমালা বেগম এই দুগৰাকী ব্যক্তি জীয়াই আছে। অথচ তেওঁলোকে প্ৰধান মন্ত্ৰী জীৱন বীমাৰ ২ লাখ টকাকৈ লাভ কৰিছে। ইয়াতকৈ আৰু কি ভয়ঙ্কৰ জালিয়াতি অসমত হ'ব পাৰে? আটাইতকৈ ডাঙৰ কথা হৈছে যে আমিনা পাৰবিনৰ নমিনি হ'ল-তেখেতৰ স্বামী। এই স্বামী জনেই দালাল ৰূপ লৈ চানমালা বেগমৰো জীৱন বীমা কৰাই মৃত্যু হোৱাৰ আগতে তেওঁৰ মৃত্যু দেখুৱাই তেওঁ এই ২ লাখ টকা আত্মসাৎ কৰিছে। এই বাতৰি কাকতত পোৱা তথ্য মতে বৰপেটা জিলাত দেখা গৈছে যে আমাৰ জনস্বাস্থ্য বিভাগৰ চেণ্টাৰ সমূহত ডাক্তৰ, গাওঁবুঢ়া আৰু বেংক বিষয়া সকলোৱে মিলি এনেকুৱা বহু কোটি টকীয়া কেলেংকাৰী কৰিবলৈ আৰম্ভ কৰিছে। এনেকুৱা কেলেংকাৰী কেৱল বৰপেটাতে নহয়, অসমৰ অন্য জিলাতো হৈ আছে। কিন্তু আমাৰ দৃষ্টিগোচৰ হোৱা নাই। ইয়াত তথ্য সহকাৰে আছে যে ভুৱা ব্যক্তিৰ নামো ভোটাৰ তালিকাত সন্নিবিষ্ট হৈ আছে। ইয়াত দিয়া হৈছে- আনোৱাৰ খান, মজিদুৰ ৰহমান, কামলউদ্দিন আহমেদ এই তিনিগৰাকী মানুহৰ কোনো অস্তিত্ব নাই। কিন্তু তেওঁলোকৰ নাম ভোটাৰ লিষ্টত আছে। পিছত তেওঁলোকক মৃত দেখুৱাই যাতে এই জীৱন বীমাৰ ধনখিনি আত্মসাৎ কৰিব পাৰে। যিটো সময়ত প্ৰকৃত ভাৰতীয়লোকৰ নাম সন্নিবিষ্ট কৰিবৰ বাবে বহু অসুবিধা হয়, বহুতো লোকৰ নাম ভোটাৰ তালিকাৰ পৰা বাদ পৰি যায়, তেনে সময়ত ভুৱা লোকৰ নাম কেনেকৈ ভোটাৰ তালিকাত সন্নিবিষ্ট হৈছে। সেইটো চিন্তনীয় বিষয়। 'প্ৰধানমন্ত্ৰী জীৱন বীমা আঁচনি' আমাৰ মাননীয় প্ৰধানমন্ত্ৰী ডাঙৰীয়াই আৰম্ভ কৰিছিল। য'ত ৩৫০ টকাকৈ বছৰি দিব লাগে। তেতিয়া কোনোবা লোকৰ মৃত্যু হ'লে ২ লাখ টকাকৈ পাব?। এই আঁচনিটোকে মূলধন কৰি কিছু কিছু অঞ্চলত বিশেষকৈ বৰপেটা, গোৱালপাৰা, ধুবুৰী আদি জিলাত কিছু দালাল প্ৰকৃতিৰ লোকে তাৰ গাওঁবুঢ়াসকলৰ লগত লগলাগি এনেকুৱা এটা বিয়াগোম দূৰ্নীতি সংঘটিত কৰি আহিছে। মই জানিব পৰা মতে কিছুমান Public Health Center আছে। যেনে-তিতাপানী, কাঁহীয়া, ভেল্লা, কেঁওটকুছি আদি PHC বিলাকৰ ডাক্তৰসকলে অতি সুলভ মূল্যত মৃত্যুৰ প্ৰমাণ-পত্ৰ বিক্ৰী কৰি আছে। কোনো ব্যক্তি গ'লে তেওঁলোকে পইচা লৈ মৃত্যুৰ প্ৰমাণ-পত্ৰসমূহ বিক্ৰী কৰে। সেই গাওঁবুঢ়াসকলে প্ৰাৰম্ভিক যিখিনি কাম, যিখিনি কথা লিখি দিব লাগে সেইখিনি লিখি দিয়ে। এইধৰণে গাওঁবুঢ়া, ডাক্তৰ আৰু বেংক বিষয়া সকলে মিলি এই বিয়াগোম দূৰ্নীতি কৰি আছে। সেইকাৰণে মই আপোনাৰ যোগেদি চৰকাৰক অনুৰোধ কৰিব বিচাৰিছো যে এনেকুৱা দূৰ্নীতি কেৱল বৰপেটা জিলাতে হৈছে এনে নহয়, এনেকুৱা বহুত

জিলাত দূৰ্নীতি হৈ আছে। সেয়েহে গোটেই অসমতে প্ৰযোজিত হোৱাকৈ এটা তদন্ত হ'ব লাগে আৰু যিসকল ডাক্তৰ এই ভুৱা মৃত্যুৰ প্ৰমাণ-পত্ৰ দিয়াৰ লগত জড়িত হৈ আছে, ইতিমধ্যে প্ৰমাণ হৈ আছে তেনেকুৱা লোকক অতি শীঘ্ৰে গ্ৰেপ্তাৰ কৰিব লাগে। এনেকুৱা গাওঁবুঢ়াৰ চাকৰি বাতিল কৰাৰ লগতে তেওঁলোকক গ্ৰেপ্তাৰ কৰিব লাগে, দালালবিলাকক গ্ৰেপ্তাৰ কৰিব লাগে। এই দূৰ্নীতি অসমৰ কাৰণে অতি ভয়ংকৰ যে ভোটাৰ লিষ্টতো ভুৱা ব্যক্তিৰ নামো অন্তৰ্ভুক্ত কৰিছে। এই সমূহ অন্ত কৰিবৰ কাৰণে চৰকাৰে অতি গুৰুত্বসহকাৰে এই বিষয়টো ল'ব লাগে আৰু ব্যৱস্থা গ্ৰহণ কৰিব লাগে। ধন্যবাদ।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, মাননীয় মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য মৃণাল শইকীয়াদেৰে যিটো কথা উত্থাপন কৰিছে, সেই সম্পৰ্কে চৰকাৰ অৱগত। এই ক্ষেত্ৰত আমাৰ চৰকাৰৰ আজিৰ দিনৰ স্থিতি মই জনাব বিচাৰিছো যে "প্ৰধানমন্ত্ৰীৰ জীৱনজ্যোতি বীমা" আঁচনিৰ নামত হোৱা দূৰ্নীতি সম্পৰ্কত অতিৰিক্ত আৰক্ষী পৰ্য্যায়ত তদন্ত ইতিমধ্যে আৰম্ভ কৰা হৈছে। এই তথ্যৰ প্ৰতিবেদন পোৱাৰ পিছত আইন মতে উপযুক্ত ব্যৱস্থা লোৱা হ'ব। উল্লেখনীয় যে নিতুল ডেকা নামৰ ব্যক্তি এগৰাকীয়ে মহামান্য উচ্চ ন্যায়ালয়ত বীমা আঁচনিৰ নামত সংঘটিত হোৱা দূৰ্নীতিৰ নামত ৰাজহুৱা স্বাৰ্থ জড়িত আবেদন নং-44/2018 দাখিল কৰে। এই ক্ষেত্ৰত বৰপেটা আৰক্ষী নিৰেষক গোচৰ 1907/2018 পঞ্জীয়ন কৰে আৰু তদন্ত প্ৰক্ৰিয়া আৰম্ভ কৰি বৰ্তমানলৈকে মুঠ ১৮ জন অভিযুক্তক গ্ৰেপ্তাৰ কৰা হৈছে। তাৰে ৩ জন বৰ্তমান ন্যায়িক জিম্মাত আছে, আৰক্ষী এইক্ষেত্ৰত তদন্ত অব্যাহত ৰাখিছে। বৰ্তমান গোচৰটো মহামান্য গুৱাহাটী উচ্চ ন্যায়ালয়ত বিচাৰাধীন হৈ আছে। চৰকাৰে এই ক্ষেত্ৰত সচেতন আৰু ব্যৱস্থা গ্ৰহণ কৰি আছে। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মাননীয় সদস্য প্ৰদীপ হাজৰিকা দেৱে কওঁক।

**শ্ৰী প্ৰদীপ হাজৰিকা, বিধায়ক (আমগুৰি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, নিয়মীয়া বাৰ্তাত প্ৰকাশিত হোৱা বিশেষ বাতৰি এটা মই সদনত দাঙি ধৰিব বিচাৰিছো। সেইটো হৈছে- "দেশৰ সুৰক্ষাত ভয়ানক আপোচ ঃ ধোবাংবাং ভাৰত-বাংলাদেশ সীমান্ত। অসমত খিলঞ্জীয়াৰ সুৰক্ষা সুদূৰপৰাহত-উন্মুক্ত সীমাৰে হোৱাহোৰে সোমোই আছে অবৈধ বাংলাদেশী।" মাননীয় অধ্যক্ষ মহোদয় এইখন বাতৰিকাকত আমাৰ ইয়াৰ পৰা দৈনিক প্ৰকাশিত হোৱা নিয়মীয়া বাৰ্তা। ইয়াৰ লগতে অন্য কেইবাখনো বাতৰি কাকতত এনেধৰণৰ ভয়ানক বাতৰি দুদিন-তিনিদিনৰ পৰা প্ৰকাশিত হৈ আছে। অসমীয়া প্ৰতিদিন কাকতত প্ৰকাশ হৈছে- 'জেহাদেৰে ভাৰত কপাবলৈ গঠন জামাদুল মুজাহিদিন।' এইটো আমাৰ ইয়াতেই নহয়, বাংলাদেশৰ সংবাদ পত্ৰ ঢাকা ত্ৰিবিউনতো প্ৰকাশ হৈছে। এইটো এইকাৰণেই গুৰুত্বপূৰ্ণ কাৰণ ইয়াত ৩-৪ জন এনেকুৱা ব্যক্তিৰ নাম আছে, যিকেইজন বৰপেটা জিলাৰ পৰা যোৱা। এইটোৰ লগতে আৰু এটা সাংঘাতিক বাতৰি ওলাইছে যে মৰিগাওঁত প্ৰৱেশ ছয় ৰোহিংগীয়াক সহায় কৰিবলৈ গোহাৰি পত্ৰ। এই গোটেই কেইটা আৰু ইয়াত নিয়মীয়া বাৰ্তাত যিটো অসমত দেশৰ সুৰক্ষাত ভয়ানক আপোচ, ধোবাংবাং ভাৰত-বাংলাদেশ বুলি দিছে। ইয়াৰ ছবিটো এনেকুৱা যে ইয়াৰ বোৰ্ডাৰত একো নাই। বোৰ্ডাৰটো একেবাৰে খালি। তাত কোনো তাঁৰ কাঁটা বা কোনো বেৰিয়াৰ নাই। আমি উত্তৰ-পূৰ্ব্বাঞ্চলৰ মানুহখিনি যথেষ্ট চিন্তিত হৈছো। আমি দেখিবলৈ পাইছো যে International border between Bangladesh and India ৰ total length হ'ল 4165 k.m. আৰু এই border টোৱেই হৈছে 5th longest border in the world. অধ্যক্ষ মহোদয়, ইয়াৰ ভিতৰত ২৬২ কিঃমিঃ অসমৰ সীমান্তৰ লগত আছে, ৮৫৬ কিঃমিঃ ত্ৰিপুৰাৰ লগত, ১৮০

কিঃমিঃ মিজোৰামৰ লগত, ৪৪৩ কিঃমিঃ মেঘালয়ৰ লগত আৰু ২,২১৭ কিঃমিঃ পশ্চিম বংগত পৰিছে। কিন্তু বৰ্তমান সময়ত ইমান ভয়াৱহ পৰিস্থিতিৰ সৃষ্টি হৈছে যে আজি এই সীমান্ত সুৰক্ষিত হৈ থকা নাই আৰু দেশৰ internal security ৰ ক্ষেত্ৰত ই এক ভয়াৱহ ৰূপ লোৱা দেখা গৈছে। অধ্যক্ষ মহোদয়, নিয়মীয়া বাৰ্তা কাকতত কৰিমগঞ্জৰ সীমান্তত ৩.৫ কিঃমিঃ ঠাই সম্পূৰ্ণ উন্মুক্ত হৈ থকাৰ কথা লিখা হৈছে। এই সীমান্তদিয়েই দিনে-নিশাই অবৈধ বাংলাদেশীয়ে সীমান্ত সুৰক্ষা বাহিনীৰ চকুত ধূলি দি যিকোনো সময়তে আমাৰ ইয়ালৈ আহি আছে। গতিকে দেশৰ সুৰক্ষাৰ প্ৰতি ই এক ভাবুকি স্বৰূপ হৈছে। বাংলাদেশৰ কুশ্বিয়াৰা নদী পাৰ হ'বলৈ তিনি মিনিট সময় লাগে আৰু এই নদীখন পাৰ হৈ মানুহ সিপাৰৰ পৰা ইপাৰলৈ আহে কিন্তু এই কুশ্বিয়াৰা নদীখনেই একেবাৰে মুকলি হৈ আছে। কৰিমগঞ্জত আগৰে পৰা বাংলাদেশৰ পৰা মানুহ আহি ঘৰ বান্ধি তাত বসবাস কৰি আছে কিন্তু এই মানুহখিনিৰ লগতে যদি নতুনকৈ অবৈধ বাংলাদেশী লগ হৈ থাকে তেন্তে তেওঁলোকক আজি অহা বুলি কোনেও চিনাক্ত কৰি উলিয়াব নোৱাৰিব । এই লোক সকলক ধৰাৰ বাবে যদি কিবা ব্যৱস্থা গ্ৰহণ কৰা হয় তেন্তে সেই ঠাইৰ পুৰণি মানুহখিনিয়ে নতুনকৈ অহা মানুহখিনিৰ সুৰক্ষাৰ বাবে হুলস্থুলীয়া পৰিৱেশৰ সৃষ্টি কৰে আৰু তাত কেতিয়াবা ৰাজনৈতিক হেঁচাও প্ৰদান কৰা হয় যাতে সেই মানুহখিনিক দিগদাৰ নিদিয়ে। গতিকে, সীমান্তত পৰ্যাপ্ত পৰিমাণৰ BSF জোৱানৰ অভাৱ আৰু উল্লেখিত কাৰণবোৰৰ বাবেই অহৰহ সিপাৰৰ পৰা ইপাৰলৈ অবৈধভাৱে মানুহ আহিবলৈ সক্ষম হৈছে। সীমান্তত flood light দিয়া হৈছে যদিও সেই light বোৰ নজ্বলে আৰু BSF সকলে generator দি এই লাইটবোৰ জ্বলোৱাৰ ব্যৱস্থা কৰে যদিও ক্ষন্তেক সময় পিছত ই নুমাই যায় গতিকে এই আন্ধাৰৰ সুযোগতে অবৈধলোক ভিতৰলৈ প্ৰৱেশ কৰে। এনে ধৰণৰ ঘটনাবোৰ প্ৰতিৰোধ কৰিব নোৱাৰাৰ বাবেই কৰিমগঞ্জৰ ৰাইজৰ BSF জোৱান সকলৰ প্ৰতি বিশ্বাস নাইকিয়া হৈ গৈছে। গতিকে, এই অবৈধ বাংলাদেশী বোৰ কি ধৰণে প্ৰতিৰোধ কৰিব পাৰি তাৰ সমাধান উলিওৱাটো অতি প্ৰয়োজন। কৰিমগঞ্জৰ ছৰিছা আৰু খলাছৰা নামৰ ঠাই দুখনৰ ৩ কিঃমিঃ অঞ্চলত কাইটীয়া তাঁৰৰ বেৰ নিৰ্মাণৰ কাম বন্ধ হৈ আছে কাৰণ ঠিকাদাৰ আৰু NBCC ৰ কৰ্মীসকলে যেতিয়া তাত কাম কৰিবলৈ যায়, তেতিয়া বেৰৰ কাষতে বসতি কৰি থকা এই লোকসকল আঁতৰি নিদিয়ে যাৰ ফলত কৰ্মী সকলে পিছ হুঁহকি আহিবলৈ বাধ্য হৈছে। গোবিন্দপুৰ, জাৰাপাটা, লাফাছাইল গাওঁ সমূহৰ মাজেৰে যোৱা সীমান্তৰ বেৰৰ মাজতো এই লোকসকলে ঘৰ নিৰ্মাণ কৰি বসবাস কৰি আছে। গতিকে অধ্যক্ষ মহোদয়, সীমান্তত যদি border fencing কৰি দিয়া হয়, নিশ্চিত ভাৱে এই সমস্যাবোৰ সমাধান হ'ব। এই সমস্যাবোৰ গুৰুত্ব সহকাৰে চোৱাৰ সময় আমাৰ ইতিমধ্যে আহি পৰিছে।

আমি ১৯৭৮ ৰ পৰা বিদেশী সমস্যাবোৰ দূৰ কৰাৰ বাবেই আন্দোলন কৰিছিলো। ইয়াৰ জৰিয়তে আমি দেশৰ চকু মোকলাই দিছিলো যাতে দেশেও উপলব্ধি কৰে যে দেশৰ নিৰাপত্তাৰ খাতিৰত কিমান ভয়ানক অৱস্থা এটা সংঘটিত হৈ আছে আৰু এই ক্ষেত্ৰত যাতে গুৰুত্ব দিয়ে। কিন্তু সেই আন্দোলনৰ পিছৰ পৰা আজি পৰ্যন্ত প্ৰায় ৪০ বছৰ হ'ল, আন্দোলনৰ পিছত চুক্তিও হ'ল কিন্তু তাৰ পিছতো আমি চৰকাৰ গঠন কৰি বা ৰাইজৰ প্ৰতিনিধি হৈ এই সমস্যাটোৰ কথা কৈ আছো যদিও ইয়াৰ সমাধান হোৱা নাই। অসমীয়াত এষাৰ কথা আছে যে- 'কেঠা তিতিলে গালৈ গধূৰ'। এই সমস্যাটো আমাৰ এতিয়া বাঢ়ি আহিছে।

দেশত অবৈধ বাংলাদেশীৰ সমস্যাৰ লগতে এতিয়া জেহাদীৰ সমস্যাও বাঢ়ি আহিছে। JMB ৰ leader চালাউদ্দিনৰ লগত এতিয়া বৰপেটাৰ মানুহ গৈ লগ লাগিছে। তেওঁলোকে

জেহাদ প্ৰস্তুত কৰি ভাৰতবৰ্ষক ধৰ্ম যুদ্ধলৈ পৰিৱৰ্তন কৰিবলৈ সাজু হৈছে। অলপতে, কাশ্মীৰৰ পুলুৱামাত যি ঘটনা ঘটি গ'ল সেই বিষয়ে সকলো অৱগত। এইটো এটা খুব গম্ভীৰ বিষয়। আনহাতে, ৰহিংগা সকলো অবৈধভাৱে মৰিগাঁৱলৈ আহিছিল আৰু শেষত তেওঁলোকক ভাত-পানী খুৱাই পইচা তুলি দি ইয়াৰ পৰা পঠিয়াই দিব লগা হৈছিল। কিন্তু, অধ্যক্ষ মহোদয়, কোৱা হৈছিল যে, এই লোকসকল সহজ-সৰল মানুহ আৰু মানৱতাৰ খাতিৰত সহানুভূতি জনাই এওঁলোকক চাব লাগে। কিন্তু, মই বুজি পোৱা নাই যে এওঁলোক কেনেকৈ সহজ-সৰল লোক হ'ল ? এওঁলোক আমাৰ ইয়াত অবৈধভাৱে সোমাইছিল। আমাৰ ৰাজ্যৰ এজন মানুহ বিহাৰ বা অন্য ৰাজ্যলৈ যাব নোৱাৰে। তেনে স্থলত, এখন দেশৰ পৰা আন দেশ পাৰ হৈ অহা এই ৰহিংগা সকল কেনেকৈ সহজ-সৰল হ'ব পাৰে অধ্যক্ষ মহোদয় ? চীন দেশৰ পৰা আমাৰ সীমান্তত ৫ হাজাৰ কিঃমিঃ লৈ border আছে, ম্যানমাৰৰ পৰাও ঠিক তেনেদৰে প্ৰায় ১৫০০ কিঃমিঃ ৰ border আছে। কিন্তু এই লোকসকলে আমাৰ কোনো ধৰণৰ অসুবিধাৰ সৃষ্টি কৰা নাই। কিন্তু, এই বাংলাদেশ সীমান্তৰ পৰাই ১২০ লাখ মানুহ অবৈধভাৱে বিভিন্ন সময়ত বিভিন্ন ধৰণেৰে আমাৰ দেশলৈ আহি আছে। ১৯৫০ চনত Noakhali riot ৰ সময়ত, ১৯৬৪ চনৰ East Pakistan riot ৰ সময়ত, ১৯৪৭ চনত Partition হোৱাৰ সময়ত আৰু ১৯৭১ চনত বাংলাদেশ স্বাধীন হোৱাৰ সময়তো বিভিন্ন মানুহ অসমলৈ আহিছিল আৰু তেতিয়াৰ পৰা আজি পৰ্যন্ত আমাৰ ইয়ালৈ মানুহ আহিয়েই আছে। এইটো যেন এটা কেতিয়াও শেষ নোহোৱা প্ৰক্ৰিয়া হৈ পৰিছে। আজিৰ সময়ত দেখা গৈছে যে, এই অনুপ্ৰৱেশকাৰী সকলে হাথিয়াৰ পাতি সম্পূৰ্ণ মৌলবাদী, জেহাদী ৰূপে আমাৰ ইয়াত সোমাইছে যিয়ে উত্তৰ-পূৰ্বাঞ্চলত শান্তি-পূৰ্ণ ভাৱে থকা সহজ-সৰল মানুহক আঘাত দিছে। অধ্যক্ষ মহোদয়, ভাৰতবৰ্ষৰ সহজ-সৰল মানুহ বুলিলে সদায় উত্তৰ-পূৰ্বাঞ্চলৰ লোকসকলকে বুজা যায় কাৰণ they do not disturb any other people, even the Naga people,তেওঁলোকে কাকো ক্ষতি কৰা নাই, they are fighting for their own cause which is different issue. অধ্যক্ষ মহোদয়, এই অনুপ্ৰৱেশকাৰী সকল কিন্তু সাধাৰণ মানুহ নহয়। কাৰণ তেওঁলোকৰ কাপোৰ-কানি, কাগজ -পাতি একোৱেই নাই। They have come to this area with an ultra motive and these are the proof.

**মাননীয় অধ্যক্ষঃ** এক মিনিট, আপোনাৰ Zero Hour ৰ Noticeটো দীঘলীয়া যদিও খুব sensitive সেয়েহে আপোনাক কোৱাৰ সুবিধাখিনি দিছো। গতিকে আপুনি পিছবেলা আহি সোনকালে বক্তব্য ৰাখি শেষ কৰি দিব যাতে মন্ত্ৰী ডাঙৰীয়াই উত্তৰটো দিব পাৰে। এতিয়া ইতিমধ্যে ১১-৩০ বাজিছে গতিকে সদন আবেলি ৩ বজালৈ স্থগিত ৰখা হ'ব। ইয়াৰ লগতে মই এটা কথা ক'ব বিচাৰিছো যে, কাইলৈ 'Speaker's Initiative' ত অসমৰ কলা-সংস্কৃতিৰ সংৰক্ষণৰ বিকাশ সম্পৰ্কত আমি বিষয়টো ভালকৈ খৰচি মাৰি বুজি লোৱাৰ স্বাৰ্থত এই ক্ষেত্ৰখনত জড়িত কিছু বিশেষজ্ঞলোকক ৰাতিপুৱা ১০-৩০ বজাত অসম বিধান সভাৰ কেন্দ্ৰীয় সভাগৃহলৈ নিমন্ত্ৰণ কৰা হৈছে। আপোনালোক উপস্থিত থাকিলে মই ভাৱো আমাৰ আলোচনাটো ফলপ্ৰসূ হ'ব। এই ক্ষেত্ৰত বোধকৰো আপোনালোকে চিঠি পাইছে। তথাপিও মই এই সুযোগতে সকলোকে অনুৰোধ কৰিছো যাতে কাইলৈ ৰাতিপুৱা ১০-৩০ বজাত অসম বিধান সভাৰ কেন্দ্ৰীয় সভাগৃহত উপস্থিত থাকে। কাইলৈ দুপৰীয়াৰ আহাৰৰ ব্যৱস্থাও কৰা হৈছে গতিকে আলোচনাৰ পিছত ভাত খাই যাব পাৰিব।

এতিয়া সদন বিয়লি ৩ বজালৈ স্থগিত ৰখা হৈছে।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া শ্ৰী প্ৰদীপ হাজৰিকা।

**শ্ৰী প্ৰদীপ হাজৰিকা (আমগুৰি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, দৈনিক বাতৰিকাকতখনত যিখিনি কথা দাঙি ধৰিছে তাৰে দুটামান শাৰী মই ইয়াত ক'ব বিচাৰিছো। ইয়াত আছে যে মৌলবাদী সংগঠনটোৱে এইবাৰ গঠন কৰিছে জামাত উল মুজাহিদীন। মূলত ভাৰতত ধৰ্মযুদ্ধ চলোৱাৰ উদ্দেশ্যেই JMI গঠন কৰা বুলি JMB ৰ মুৰব্বী ছালাউদ্দিনে সদৰী কৰিছে। বাংলাদেশৰ পৰা প্ৰকাশিত সংবাদপত্ৰ 'ঢাকা ট্ৰিবিউন'ৰ এক সাক্ষাৎকাৰত ছালাউদ্দিনে এই কথা ঘোষণা কৰিছে। তেওঁ লগতে এই কথাও কৈছে যে ইছলামৰ জৰিয়তে তেওঁলোকে ভাৰতত অধিকাৰ প্ৰতিষ্ঠা কৰিব। এই কথাখিনি উল্লেখ কৰাৰ উপৰিও বিভিন্ন সময়ত অসমত JMB ৰ ক্ৰমবৰ্দ্ধমান কাৰ্য্যকলাপ পোহৰলৈ আহিছে। বিশেষকৈ বৰপেটা জিলাৰ বহুসংখ্যক যুৱকে JMB ত যোগদান কৰা কথাখিনি প্ৰকাশ পাইছে। বিভিন্ন মৌলবাদী কাৰ্য্যকলাপত জড়িত হৈ পৰাটো আৰক্ষীয়ে ইতিমধ্যে ধৰা পেলাইছে।

পশ্চিমবঙ্গৰ ২০১৪ চনৰ বোমা বিস্ফোৰণ ঘটনাত master mind হিচাপে চিহ্নিত জেহাদী সদস্য ছাহানুৰ আলম বৰপেটা জিলাৰে আছিল। তদুপৰি যোৱা ১ ফেব্ৰুৱাৰীত আব্দুল মতিন আৰু আৰিফুল ইছলাম নামৰ এই দুজন সদস্যও বৰপেটা জিলাৰ পৰাই ইয়াত যোগদান কৰিছিল। এই সংগঠনটোৱে বৰপেটাত এক শক্তিশালী নেটৱৰ্ক গঢ়ি তুলিবলৈ সক্ষম হৈছে। CID ৰ বিভিন্ন সূত্ৰৰ পৰা এই কথাবিলাক জনায় যে ইতিমধ্যে ছালাউদ্দিন নামৰ যিজন মূল নেতা তেওঁ বৰপেটাত আহি তাৰ পৰা আকৌ ঘূৰি গৈছে। তেওঁ ধুবুৰী হৈ বৰপেটালৈ অহা বুলি কথাটো ওলাইছে। অধ্যক্ষ মহোদয়, এই গোটেই কথাখিনি মই এই কাৰণেই দাঙি ধৰিছো যে বৰ্তমান এই গোটেই বিষয়টোৱে এটা ভয়ানক ৰূপ লৈছে। সীমান্ত অঞ্চলটোৰ যিটো ছবি মই দেখুৱাইছো এইটো কৰিমগঞ্জ জিলাৰ। ইয়াত একোৱেই নাই। যোৱা বিধানসভাত অসম চুক্তিৰ ওপৰত আলোচনা কালত rule 50 ৰ under ত আমাৰ সদস্য কেশৱ মহন্ত আৰু পদ্ম হাজৰিকা ডাঙৰীয়াই move কৰা এটা প্ৰস্তাৱ ইয়ালৈ আহিছে। এইটো ইয়াত আলোচনা হৈছিল আৰু আমাৰ গোটেই কেইটা দলৰ সদস্যক লৈ উপাধ্যক্ষ মহোদয়ৰ নেতৃত্বত টা দলে পাকিস্থান border visit কৰিছিল। কি ধৰণে fencing দিয়া হৈছে, কেনেকৈ তাত protection দিয়া হৈছে এইবোৰ চাবৰ কাৰণে আমাৰ বিধানসভাৰ পৰা এটা দল গৈছিল উপাধ্যক্ষ মহোদয়ৰ নেতৃত্বত। তেওঁলোকে ত্ৰিপুৰা সীমান্ত অঞ্চলটোও চাইছিলে আৰু পশ্চিমবঙ্গৰ সীমান্তটো কি ধৰণে ৰাখিছে সেইটো চোৱাৰ লগতে অসমৰ সীমাও পৰিদৰ্শন কৰিছিল। তাৰ ওপৰত তেওঁলোকে এটা report ও দিছিলে। ইমানখিনি চোৱাৰ পিছত আমি দেখিছো যে সীমান্ত অঞ্চলত এতিয়াও বহুখিনি অঞ্চল উন্মুক্ত হৈয়ে আছে।

১৯৪৭ বা ১৯৩৭ ৰ পৰা যি কাৰণতে নহওক মানুহ বাংলাদেশৰ পৰা আহি আছে। সেই লোকসকলৰ লগতে লাহে-লাহে উন্মুক্ত সীমাইদি জেহাদী অসমলৈ অহাটো প্ৰমান হ'ল। ইয়াত এতিয়া নিশ্চয় কাৰো সন্দেহ নাই। আমি বহু কথাই ইয়াত আলোচনা কৰিছো। আমি প্ৰত্যেকে এই বিষয়টো খুব গুৰুত্বসহকাৰে চোৱা দৰকাৰ। এই বিষয়টো এতিয়া সাধাৰণ মানুহ অহাৰ বিষয় হৈ থকা নাই। ইয়াত এটা সৰু অঞ্চলৰ নিৰাপত্তা জড়িত হৈ থকা নাই। এতিয়া গোটেই দেশখনৰ internal security ৰ ওপৰত এটা আক্ৰমন আহি পৰিছে। এইটোৱে আমাৰ গোটেই অঞ্চলৰ মানুহক চিন্তিত কৰি তুলিছে। সচাঁ অৰ্থত ক'বলৈ গলে অসমৰ মানুহৰ ৰাতি চকুত টোপনি নাই বুলি ক'ব পাৰি। কোনোটো বস্তুৰেই যেন আজি আমাৰ নিৰাপত্তা নাই। এই কথাটো ভাৰতবৰ্ষৰ প্ৰতিখন ৰাজ্যই অনুভৱ কৰিছে।

আজি আমাৰ ওচৰৰ যিসমূহ ৰাজ্য আছে তেওঁলোকৰো বহু ঠাইত আন্তৰাষ্ট্ৰীয়

সীমা উন্মুক্ত অৱস্থাত আছে। মিজোৰামত boundary seal হোৱা নাই, মেঘালয়তো boundary seal হোৱা নাই লগতে মনিপুৰৰো আন্তৰাষ্ট্ৰীয় সীমা seal হোৱা নাই। এজন Research Fellow ই দিয়া কথা দুটামান মই ইয়াত দাঙি ধৰিব বিচাৰিছো। এই ঘটনাবিলাক আগতেই তেওঁলোকে জনাইছিল কিন্তু এতিয়া এইবিলাক সত্যত পৰিণত হৈছে। তেখেত সকলে কৈছে যে - Bangladeshi have put tremendous pressure on land and creating socio-political and environmental problems that have indirect adverse effect on the economy. দ্বিতীয়তে তেওঁলোকে জনাইছে -The American hardly contribute to the Government revenue. তৃতীয়তে তেওঁলোকে কৈছে - While government spends a substantial amount to maintan this significantly large portion of population.

-চৰকাৰে বহুত খৰচ কৰিছে অধ্যক্ষ মহোদয়। চৰকাৰখন যিমান ভাল হব পাৰে তাতকৈ বেছি ভাল। আজি আমাৰ এইখন চৰকাৰে লৈছে। এতিয়া কাম কৰি আছে। কিন্তু আজি আমি এই সদনৰ ভিতৰত থাকোতে দেখিছো, যে ইয়াতো কোনো ফালৰ পৰা গুৰুত্ব নাইপোৱা। আজি ধুবুৰী অঞ্চলটোত মই নিজেও গৈছো ধুবুৰী অঞ্চললৈ, আজি মানকাছাৰ শালমৰা অঞ্চললৈ আমি গৈছো, মই দেখিছো যে কোনোধৰনৰ ইয়াত গুৰুত্ব পোৱা নাই। ইয়াৰ ওপৰেদি মানুহ পাৰ হৈ আহিছে। ইয়াৰ ওপৰেদি গৰু পাৰ কৰি নিছে। য'ত Fencing আছে তাতো এইটো হৈ আছে। এতিয়া অধ্যক্ষ মহোদয় ইয়াত আমাৰ আলোচনা কৰা কালত কেইবাটাও কথা কোৱা হয়, যে এই যিখিনি মানুহ আছে, এইখিনি দুখীয়া মানুহ। এই মানুহখিনি অশিক্ষিত মানুহ। এইখিনি মানুহৰ যিহেতু সংখ্যা বহুত। সেইকাৰনে বহুত ইগনোৰেঞ্চ আছে। তেখেত সকলক চাব লাগে অধ্যক্ষ মহোদয়। এতিয়া অধ্যক্ষ মহোদয় আমাৰ কাষতে এখন দেশ আছে চীন। Highest populated country in the world. আৰু একে ককাই ভাই ইপাৰেও আছে সিপাৰেও আছে অধ্যক্ষ ডাঙৰীয়া। ইপাৰেও একে মানুহ সিপাৰেও একে মানুহ। আমাৰ ইয়াটো চিংফৌ আছে চীনটো চিংফৌ আছে, ইপাৰ সিপাৰ। আমাৰ ইয়াটো নগা মানুহ আছে ম্যানমাৰটো নগা মানুহ আছে অধ্যক্ষ মহোদয়। ককায়েকৰ ঘৰটো সিফালে আৰু ভায়েকৰ ঘৰটো ইফালে তাত কিন্তু কোনো বৰ্ডাৰ চিল কৰা নাই। It is free. অসম ৰাইফলচৰ মানুহ আছে কিন্তু It is free. সেই সময়ত ম্যানমাৰখন কিমান দুখীয়া আছিল, পিন্ধিবলৈ কাপোৰ নাই বৰ্ডাৰ অঞ্চলত থকা মানুহখিনি দেখিলে আপুনি আচৰিত হ'ব। চিকিৎসালয় নাই, বিদ্যালয় নাই। তেওঁলোকে গছৰ আলু খান্দি খাই, এই কথাটো অলপ খবৰ কৰিলে আপুনি গম পাই যাব। এতিয়া সেই দুখীয়া যিবিলাক মানুহ সেই বিলাক মানুহৰ পৰা এনেকুৱা ধৰনে আহা নাই মানুহ আৰু একে জাতীয় মানুহ থকা আজি মিচি মানুহ আদি মানুহ এই মানুহ বিলাক চীনৰ ফালেও আছে কিন্তু সেই ফালৰ পৰা অহা নাই। বাংলা দেশৰ পৰা অহা মানুহ মই বাদেই দিছো। এতিয়াটো আমাৰ ইয়াত ৰহিংগিয়া আহি গ'ল। যিখিনি মানুহ মনিপুৰৰ পৰা আহি ইয়াত সোমালে। এই গোটেই বিলাকে কি বুজাইছে। আমি কৈ আছো যদিও কোনো গুৰুত্ব দিয়া নাই। কোনো যে কাম কৰা নাই আৰু গোটেই বিলাক যে এৰি দিছো যি হয় হওঁক বুলি। এতিয়া Un official gun is visiting in the entire region. Un official gun ঘুৰিফুৰা মানে ই যতে ততে attack কৰিব যাকে তাকে মাৰিব। মানুহ কোনো সুৰক্ষিত নহয়। official gun হলে তেতিয়া তাক নিয়ন্ত্ৰণ কৰিব পাৰি। when all un-official gun is moving in the area, who will control this?

আনকি গড় হত্যা কৰিবৰ কাৰনে AK-47, AK-56 using by this people অধ্যক্ষ মহোদয়, এইবোৰ gun কেনেকৈ সোমাইছে ইয়াত। এতিয়া সেই কাৰণে এই matter টো It is also a serious matter আৰু the situation is alarming now মই সেই কাৰণে অধ্যক্ষ মহোদয় জনাব বিচাৰিছো আমাৰ মাজত বহুত misunderstanding হয়। আমাৰ ইয়াতে বহুতে কয়, মইয়ো শুনি থাকো। মই কেইবাজনো মানুহক কৈছো আনকি আমাৰ ৰিপ'টাৰকো কৈছো যে আপোনালোকে এই কথাবোৰ কিয় নিলিখে। মই কৈছো যে এই বিলাক কথা নিলিখিলে সমাজ সংস্কাৰ কেনেকৈ হ'ব। এতিয়া আমাক বহুতে বেয়া পায়। ইয়াতো আমাক কয় বহুতে যে, উজনিৰ ফালে যদি মানুহ যায়, দাড়ি থকা মানুহ যদি দেখে তেতিয়াহলে এই মানুহবিলাকৰ ওপৰত অত্যাচাৰ কৰে। এইটো ভুল কথা। এইটো একেবাৰে ভুল কথা। মই এইটো কথা সম্পূৰ্ণভাৱে বিৰোধ কৰিছো। কিয়নো মই শিৱসাগৰৰ এজন শিৱসাগৰীয়া। তাত কোনো মানুহক তেনেকুৰা ব্যৱহাৰ কৰা নহয়। এতিয়া আমাৰ তাত তেওঁলোকে কাম কৰি আছে, কোনেও একো কৰা নাই। কিন্তু অধ্যক্ষ মহোদয়, বহুত মানুহে তাত কাম কৰিবলৈ গৈ তাৰ পৰাই ছোৱালী এজনী লৈ গুছি আহে, তেতিয়া অধ্যক্ষ মহোদয়, মানুহবোৰেটো বেয়া পাবই। তাতে কোনোবা এঘৰত চোৰ কৰি থৈ গুছি আহে, তেতিয়াটো বেয়া পাবই। কোনোবা এঘৰত এজন মানুহ মাৰি থৈ গুছি আহে। অধ্যক্ষ মহোদয়, Problem is not lying in the border, it has cross the border,it has enter in the region, now it has growingly enter in to a house এই কাৰণেই এই Problem টো এতিয়া তাত থকা নাই। অধ্যক্ষ মহোদয়, মই এই কাৰনেই এই কথাকেইটা দাঙি ধৰিছো এই ঘটনা বিলাক যি বিলাক ঘটনা ঘটি আছে এই ঘটনা বিলাকক সংস্কাৰ কৰিবৰ কাৰনে আমাৰ মানুহবিলাকে শুদ্ধ কথা বিলাক, সত্য কথা বিলাক কৈ আলোচনা কৰে, সকলো যদি বহি আলোচনা কৰে মই ভাৱো যে ইয়াৰ সমাধান নিশ্চয় ওলাব। আমি ঠিক কৰিব পাৰিম। আজি কৰিমগঞ্জত যি ঘটনা অধ্যক্ষ মহোদয়, কৰিমগঞ্জৰ ঘটনাটোত, কৰিমগঞ্জৰ ৰাইজে লিখিছে যে তাত ইপাৰৰ পৰা অহা যিখিনি মানুহ আছে, আগতে আহি যিখিনি মানুহে থিতাপি লৈছে, সেই সকল তেওঁলোকৰ মাজতে সোমাই যায়, BSF যদি যাইয়ো চিনাকী কৰিব নোৱাৰিব। তেনেকুৰা এটা অৱস্থা পাইছে। অধ্যক্ষ মহোদয় যদি আমি Problem solve কৰিবলৈ হয় আমি তেতিয়া সকলো মানুহে লগ লাগি মাত মাতিব লাগিব। তেতিয়া আমি ইয়াৰ কিবা এটা ৰাস্তা উলিয়াব পাৰিম। নহলে ইয়াৰ ৰাস্তা কেতিয়াও নোলাব। এতিয়া সেই কাৰণে মই আপোনাক এই কথাখিনি কবলৈ দিয়াৰ কাৰনে ধন্যবাদ জনাইছো আৰু মই মোৰ কথাখিনি সামৰনি মাৰিছো।

**মাননীয় অধ্যক্ষ ঃ**- Thank you. Minister please.

**শ্ৰী কমলাক্ষ্য দে পুৰকায়স্থ, সদস্য ঃ**- ছাৰ ২ টা কথা কবলৈ যদি সুযোগ দিয়ে ভাল পাম। ২ মিনিটৰ যদি সুযোগ দিয়ে ভাল হয়।

**মাননীয় অধ্যক্ষ ঃ**-২ মিণিট যদি কওঁক।

**শ্ৰী কমলাক্ষ্য দে পুৰকায়স্থ, সদস্য ঃ**- ছাৰ প্ৰদীপ হাজৰিকা ডাঙৰীয়াই যিটো কলে প্ৰধানকৈ কৰিমগঞ্জৰ যিটো কথা, কৰিমগঞ্জ জিলাত প্ৰায় ১০ খন গাৱঁ আছে অধ্যক্ষ মহোদয়, গমিনপুৰ, নৰ্থ লাপাচায়, জেৰা বাতা, তেছুৰা, লাটুকান্দি, দেওপুৰ এনেকুৰা ১০ খন গাৱঁ আছে। অধ্যক্ষ মহোদয় যিটো আমাৰ Border Fencing ১০৫ কিঃ মিঃ ইতিমধ্যে ১০১ কিঃ মিঃ সম্পুৰ্ন হৈ গ'ল। টাউনৰ যিখিনি অংশ আছে ৩.৫ কিঃ মিঃ আমি সেইখিনি কৰিব পৰা নাই। ১০ বছৰ হৈছে, ৰাজনাথ সিং ডাঙৰীয়া আহিছিল। অহাৰ পিছতো কিন্তু আমি সেইখিনি কৰিব পৰা নাই। Fencing ৰ

বাহিৰত যি ১০ খন গাঁও আছে সিহতৰ কিন্তু বহুত সমস্যা। জেলৰ নিচিনা। ৰাতি হ'লে সিহত ওলাব নোৱাৰে। এই সমস্যাটোৰ সমাধান আমি কেনেকৈ কৰিব পাৰিম। প্ৰদীপ হাজৰিকা ডাঙৰীয়াই ঠিকেই কৈছে, কেইদিন মান আগতে কল্পনা শুক্লবৈদ্য যিজন মানুহ আছে, আমাৰ বিধান সভাত কথা হৈছিল, অধ্যক্ষ মহোদয়, বাংলাদেশৰ পৰা আহি তাত মাৰা হৈছিল। আগতে কিছুমান সমস্যা আছিল এতিয়া কি হয়, নতুন কনষ্ট্ৰাকশ্যন কৰিববলৈ নিদিয়ে। ৰাতি যদি সিহতৰ কিবা সমস্যা হয়, চিকিৎসালয়ত আহিববলৈ নিদিযে, জেলৰ নিচিনাকৈ সিহতে আছে। এইটো কাৰনে মই চৰকাৰৰ ওচৰত এটা অনুৰোধ জনাম যদি আমি Zero line fencing টো বনাই দিও সিহতক যদি ভাৰতৰ ফালে লৈ আনিব পাৰো তেনেহলে সমস্যাটো সমাধান হ'ব। আগতে আছিলে, আগতে বাংলাদেশৰ পৰা মানুহ আহিছিল আজি কালি Border টো চিল কৰি দিয়াৰ কাৰনে সেইখিনি নহয় অধ্যক্ষ মহোদয়।কিন্তু আমাক এটা permanent solution লাগিব। solution ৰ কাৰনে যদি Zero line fencing টো হৈ যায়, টাউনৰ অংশখিনি যদি চিল হৈ যায়, তেনেহলে প্ৰদীপ হাজৰিকা ডাঙৰীয়াই যিটো কৈছে, কৰিমগঞ্জৰ সমস্যাটো আমি সমাধান কৰিব পাৰিম। permanent solution এটা আমি চৰকাৰৰ ফালৰ পৰা বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ**- Thank you. Minister please.

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰীঃ**- মাননীয় অধ্যক্ষ মহোদয়, আমাৰ সন্মানীয় সদস্য প্ৰদীপ হাজৰিকা ডাঙৰীয়াই আজি খুব ধুনীয়াকৈ কথাখিনি কৈছে আৰু মই শুনি বৰ ভাল পাইছো। কমলাক্ষ্যদে পুৰকায়স্থ ডাঙৰীয়াইয়ো ভাল কথা কৈছে। ভাল Suggestion দিছে। গতিকে আজি এই আলোচনাটো খুব ভাল হৈছে। হাজৰিকা দেবৰ কথাখিনি মই বৰ মনোযোগেৰে শুনিছো। আৰু বিধান সভাৰ মজিয়াত এনেকুৱা ধৰনৰ গঠনমূলক আলোচনা হলে মই ভাবো যে ৰাজ্যখনৰ বহুখিনি উন্নতি হ'ব। তেখেতে এটা ডাঙৰ কথা কৈছে যে আমাৰ বৰ্ডাৰৰ সমস্যাটো শেষ হৈ গ'ল। এতিয়া আমাৰ ঘৰত সোমাববলৈ বাকী আছে এইটো কিন্তু বৰ ডাঙৰ কথা কৈছে, এই কথাটো নোহোৱা নহয়। আৰু Free gun এই যিটো কথা কৈছে এইটোও ডাঙৰ কথা। এই গোটেইখিনি কথা লৈ পুলিছৰ বৰ্ডাৰ বিভাগ, অসম পুলিছ, আৰু অসম চৰকাৰ এই ক্ষেত্ৰত এলাৰ্ট আছে আৰু এইটো ভিজিলেঞ্চেও একে পৰিমানে অসমৰ বিভিন্ন ঠাইত ৰাখিছে। বোৰ্ডাৰৰ ফেঞ্চিং পাৰ হৈ ওপৰলৈকে গুচি অহা যিটো কথা কৈছে, এইটো এটা সময়ত আছিল। এতিয়া আমাৰ এইবাৰ চৰকাৰ অহাৰ পাছত বোৰ্ডাৰ এলেকাত মাননীয় মুখ্যমন্ত্ৰী নিজে গৈ তাত ৰাতি থাকি মানকাছাৰৰ নিচিনা ঠাইত। তেখেতে গোটেই অঞ্চলখিনি পৰিভ্ৰমণ কৰি তাৰ গোটেইখিনি কথা চাইছে আৰু এই সম্পৰ্কে ভাৰত চৰকাৰৰ লগতো গোটেইখিনি কথা আলোচনা কৰিছে। এতিয়া কি হৈছে যে, তাত এনেকুৱা দিনো BSF ৰ গৈছে যে, আমাৰ BSF ৰ মানুহ নি বাংলাদেশৰ মানুহে কাটি আমাৰ গছত ওলোমাই থৈ গৈছে। মানকাছাৰ অঞ্চলত। তেনেকুৱা দিন এটা আমাৰ মানকাছাৰ অঞ্চলত সংঘটিত হৈছিল আৰু সেই কাৰণে মানকাছাৰৰ পৰা অলপ দূৰ গৈ বোৰ্ডাৰেৰে তাত যিটো BSF ৰ পোষ্ট আছে, তাত তেওঁলোকে শ্বহীদ সকলৰ স্মৃতিত যিয়ে যায় শ্ৰদ্ধাঞ্জলী অৰ্পণ কৰে, BSF ৰ জোৱান সকলক। নিৰ্মমভাৱে তেওঁলোকক হত্যা কৰিছিল এটা সময়ত। সেই সময়খিনি এতিয়া নাই। এতিয়া আমাৰ চৰকাৰ অহাৰ পাছত এই বোৰ্ডাৰ ভালকৈ ছীল কৰা হৈছে। তাতকৈ ডাঙৰ কথা হ'ল যে, BSF ক এটা morale boosting দিয়াৰ কাৰণে আৰু বস্তুটো বেছি টাইট কৰাৰ কাৰণে যে হাজৰিকা ডাঙৰীয়াই যিটো কথা কৈছে যে, বোৰ্ডাৰ ফেঞ্চিঙৰ ওপৰলৈ গুচি আহে নেকি মানুহ। সেই কাৰণে

2nd Line Of Defence ৰ কাৰণে তাত অসম পুলিচৰ বেটেলিয়ান নিয়োগ কৰিছে এতিয়া। গতিকে 24x7 এইটো আমাৰ আজিৰ দিনটোত পহৰা চলি আছে। গতিকে এই কথাটো যথেষ্ট পৰিমাণে strict হৈছে আৰু ইণ্ডো-বাংলাদেশ বোৰ্ডাৰ আমাৰ চৰকাৰ অহাৰ পাছত আমাৰ এইটো priority agenda আছিল আৰু মুখ্যমন্ত্ৰী ডাঙৰীয়া সেই হিচাপে ব্যৱস্থাটো লৈছে। ভাৰতবৰ্ষৰ গৃহমন্ত্ৰী ৰাজনাথ সিং ডাঙৰীয়া নিজে আহিছে, নিজে পোষণ কৰিছে এইখিনি কথা। গতিকে সেই কাৰণে এই গোটেই যিটো কথা, এই কথাখিনি এনেকুৱা ধৰণৰ যে, আজিৰ দিনটোত আমাৰ শংকাটো আছে যথেষ্ট পৰিমাণে। শংকা নথকা নহয়। অধ্যক্ষ ডাঙৰীয়া, এতিয়া আটাইতকৈ ডাঙৰ শংকা হৈছে যে, এটা সময়ত সেই যিসকল মানুহ বাংলাদেশৰ পৰা আহিল, অৰ্থনৈতিক অভাৱৰ কাৰণে বাংলাদেশৰ পৰা অসমত বহিলে যিটো হাজৰিকা ডাঙৰীয়াই কৈছে আৰু তেওঁলোকক ইয়াতে settle কৰা হ'ল আৰু settle কৰি আমাৰ মাটিত তেওঁলোক থাকিল। এইটো এটা অৰ্থনৈতিক সমস্যাৰ কাৰণে আহিছিল। কিন্তু আজিৰ যিখিনি মানুহ এইফালেদি সোমাব বিচাৰিছে, সেইখিনি অকল অৰ্থনৈতিক সমস্যাই নহয় যে তেওঁলোকে এটা উগ্ৰপন্থী মনোভাৱ লৈ বা উগ্ৰপন্থীৰ সহায়তহে আজি দিনটোত সোমাব বিচাৰিছে। যিটোৱে ভাৰতবৰ্ষৰ অখণ্ডতাৰ প্ৰতি sovereignty ৰ প্ৰতি এটা ডাঙৰ threat হৈছে আজিৰ দিনটোত। গতিকে সেই কাৰণে এই কথাটো বহুত উদিগ্ন আৰু দ্বিতীয় কথাটো যে, প্ৰথম বাৰৰ বাবে এইফালেদি ISI ৰ মানুহ যেতিয়া আহিছিল তেতিয়া অসম গণ পৰিষদৰ চৰকাৰ আছিল, ১৯৯৬-২০০১ চনত। তেতিয়া চাৰিজন মানুহ তাত গ্ৰেপ্তাৰ কৰা হৈছিল। গ্ৰেপ্তাৰ কৰাৰ সময়ত সেইখিনি মানুহ থাকিল। কিন্তু ২০০১ ত কংগ্ৰেছ চৰকাৰ অহাৰ পাছত সেই চাৰিজন মানুহক যেতিয়া মুকলি কৰি দিয়া হ'ল জেলৰ পৰা, তেওঁলোকে টিভিত interview দিছিল যে আপোনালোকে পাকিস্তানৰ ISI বাংলাদেশৰ এইফালেদি অসমত কিয় সোমাল। মই নিজে দেখিছো, মই কাৰোপৰা শুনি কোৱা নাই। তাৰে ভিতৰত তেওঁলোকে কৈছে যে, ইণ্ডো-বাংলাদেশ বোৰ্ডাৰেদি সোমাবলৈ সুবিধা। ইয়াত বেছি strict নহয়। গতিকে আমি পাকিস্তান বোৰ্ডাৰেদি সোমাবলৈ টান। সেই কাৰণে আমি ইয়াত আহিছিলো, কিন্তু এ জি পি যিখন চৰকাৰ ইয়াত সোমোৱাই দিলে। আমি অভিশাপ দিছো যাতে তাহাতে ক্ষমতাত আহিব নোৱাৰে। এনেকুৱা ধৰণৰ তেওঁলোকে অভিশাপ দি গৈছে টি.ভিত সেই সময়ত। গতিকে এই ৰোডটো তেওঁলোকৰ কাৰণে easy আছিল আৰু অধ্যক্ষ ডাঙৰীয়া, আজি কথাটো ওলোৱাৰ কাৰণে মই কওঁ, যে ১৯৯১ চনত প্ৰথমবাৰ ISI ৰ সম্পৰ্কত এই বিধান সভাত মই উত্থাপন কৰিছিলো। অসমত ISI ৰ কিমানখিনি সোমোৱাইছিল। তেতিয়া প্ৰয়াত হিতেশ্বৰ শইকীয়া ডাঙৰীয়া অসমৰ মুখ্যমন্ত্ৰী আছিল আৰু মুখ্যমন্ত্ৰী থকা অৱস্থাত তেতিয়া তেওঁ এই সম্পৰ্কত উত্তৰ দিছিল আৰু উত্তৰ দিওঁতে মোৰ আজিও মনত আছে যে এই ISI ৰ বিষয়টো লৈ দৈনিক অসম, ট্ৰিবিউন, দৈনিক জনমভূমি আৰু অগ্ৰদূত এইবিলাক পেপাৰহে আছিল। এই বিষয়টো লৈ গোটেই কেইখন পেপাৰত হেডলাইন আহিছিল। গতিকে চৰকাৰৰ যিটো আঁচনি ধাৰাবাহিকভাৱে চৰকাৰৰ যিটো ব্যৱস্থা পূৰ্বৰ পৰা লৈ থাকিব লাগিছিল, এই ধাৰাবাহিকভাৱে লৈ নথকাৰ কাৰণে এই বোৰ্ডাৰৰ সমস্যাটো হৈছে, নোহোৱা নহয়। কিন্তু অধ্যক্ষ ডাঙৰীয়া, এতিয়া আমাৰ যিখিনি লেণ্ড বোৰ্ডাৰ প্ৰায় সম্পূৰ্ণ হৈছে, অলপ লেণ্ড বোৰ্ডাৰ বাকী আছে। গতিকে লেণ্ড বোৰ্ডাৰৰ ক্ষেত্ৰত আমাৰ CPWD, NPCC আৰু NBCC ত তেওঁলোকে কাম কৰি আছে। পি ডব্লিউ ডি অ' তেওঁলোকেও কাম কৰি আছে। গতিকে তেওঁলোকৰ যিখিনি কাম সেইখিনি প্ৰায় সম্পূৰ্ণ হোৱাৰ পথত। এতিয়া অধ্যক্ষ ডাঙৰীয়া, এটা কথা ঠিক যে, ভাৰত বাংলাদেশ সীমান্তৰ বেৰৰ কাম সম্পূৰ্ণৰূপে কেন্দ্ৰীয় চৰকাৰৰ অধীনৰ বিষয় আৰু এই বেৰ নিৰ্মাণৰ কাম কেন্দ্ৰীয় চৰকাৰৰ

অধীনত অৰ্থাৎ CPWD, NPCC আৰু NBCC য়ে কৰি আছে। এই প্ৰসংগত উল্লেখ কৰিব পাৰি যে, কৰিমগঞ্জ চহৰৰ ওচৰৰ কুছিয়াৰা নদীৰ পাৰত ৪.৫ কিলোমিটাৰ দৈৰ্ঘ্যৰ এশাৰী কাইটীয়া তাৰৰ বেৰ নিৰ্মাণৰ কাম NBCC ৰ জৰিয়তে চলি আছে। এই অংশৰ কাইটীয়া তাৰৰ বেৰ ৩.৫ কিলোমিটাৰ দৈৰ্ঘ্যৰ উন্মুক্ত অঞ্চল সামৰি ল'ব। যিটো শ্ৰীকমলাক্ষ্য দে পুৰকায়স্থ ডাঙৰীয়াই কৈছে। এশাৰী কাইটীয়া তাৰৰ বেৰ নিৰ্মাণৰ প্ৰয়োজনীয়তাৰ কাৰণে এই কুছিয়াৰা নদীৰ পাৰৰ ঘন বসতিপূৰ্ণ অঞ্চল সামৰি ল'ব। NBCC ৰ তথ্যমতে কামৰ গতি লেহেমীয়া হোৱাৰ কাৰণ হৈছে, যে নক্সা সংক্ৰান্তত বোৰ্ডাৰ গাৰ্ড্চ আৰু বাংলাদেশৰ পৰা পোৱা বাধা। এই দুটা কথা হৈছে। সেয়ে Ministry of Home Affairs Government of India ক অনুৰোধ কৰা হয়, যাতে উক্ত সন্দৰ্ভত Ministry of External Affairs Government of India আৰু বাংলাদেশ চৰকাৰৰ লগত বিষয়টো যোগাযোগ কৰি সোনকালে নিষ্পত্তি কৰিব পৰা যায়। গতিকে 41st High Level Empowered Committee Meeting ত Director Minister of External Affairs য়ে জনাইছে যে সঘনাই বাংলাদেশ প্ৰাধিকৰণৰ লগত যোগাযোগ কৰা সত্বেও কোনো ধৰণৰ স্পষ্টিকৰণ এতিয়ালৈকে পোৱা নাই। সোনকালে পোৱাৰ আশা কৰা হৈছে। উল্লেখযোগ্য যে, দহ খন ভাৰতীয় গাওঁ বৰ্তমান ভাৰতৰ সীমান্তৰ বেৰৰ বাহিৰত অৱস্থিত হৈ আছে। এইটো দে ডাঙৰীয়াই কৈছে। এই উক্ত ৩.৫ কিলোমিটাৰ উন্মুক্ত সীমাইদি যাতায়ত চলি থাকে। APDCL ৰ পোৱা তথ্য মতে কৰিমগঞ্জ জিলাত বৰ্তমান ইণ্ড-বাংলাদেশ সীমান্তৰ ফ্লাড লাইটৰ কাম ৪০ শতাংশ বাকী আছে, ৬০ শতাংশ কাম হৈ গৈছে ইতিমধ্যে। ইয়াৰ কাৰণসমূহ বৃষ্টিপাত, যাতায়তৰ অসুবিধা আৰু light of way সমস্যা এই যে বাকী আছে, তাৰ কাৰণে এইকেইটা হ'ল। মাননীয় অধ্যক্ষ ডাঙৰীয়া, কৰিমগঞ্জ জিলাত কাটাতাৰৰ বেৰ আছে ১০৮.৩৪ কিলোমিটাৰ। কাটাতাৰ নথকা ভূমিৰ সীমা হ'ল ৫.৫০৫ কিলোমিটাৰ। এইখিনিত কাটা তাঁৰ নাই। যিটো কথা দে ডাঙৰীয়াই কৈছিল। ৪.৩৫ কিলোমিটাৰৰ ভিতৰত ফেঞ্চিং নাই, যিটো কথা কৈছে যে, গাওঁকেইখন থকা সেই অঞ্চলত। ১.০২৫ কিলোমিটাৰত ৩৫ টা গেপ আছে আৰু ৬০ মিটাৰৰ কাটাতাৰ তাত চিঙিছে। গতিকে অলপতে হ'বলগীয়া Indo-Bangladesh Boundary Conference ত বিদেশ মন্ত্ৰণালয়ে উক্ত কাটাতাৰ নথকা ঠাইত ফেঞ্চিং দিবলৈ সিদ্ধান্ত লৈছে। সৰ্বমুঠ ৬০ টা গেপৰ ভিতৰত পি ডব্লিউ ডি এ ৩৫ টা গেপৰ কাম ইতিমধ্যে সম্পূৰ্ণ কৰিছে। ২৫ টা গেপ ইতিমধ্যে সম্পূৰ্ণ কৰা হৈছে। NBCC য়ে চিগাতাৰৰ মেৰামতিৰ কাম কৰি আছে আৰু দিনে নিশাই 24x7 নৈকাৰ পেট্ৰলিং সেই ঠাইসমূহত বিশেষভাৱে vigilance ৰ চাৰ্ভেৰ যন্ত্ৰ-পাতি বহুৱা হৈছে। ৩৫ টা গেপ এৰিয়াত ২৪ ঘণ্টাই পহৰা দিয়াৰ ব্যৱস্থা আছে। নলাবোৰত কইল, বাৰবেদবাৰ আদি দিয়া হৈছে, কোনোবা আহিলে এলাৰ্ম চিষ্টেমো আছে তাত। নলাবিলাকেদি যদি কোনোবাই মনে মনে আহিলে তাত এলাৰ্ম চিষ্টেমৰো ব্যৱস্থা কৰা আছে। হৈ যোৱা কাটাতাৰৰ ঠাইকেইটাতো পহৰাৰ ব্যৱস্থা কৰা হৈছে। ২০ টা জিলা আৰক্ষীৰ task force আছে আৰু 2nd Line Of Defence হিচাপে ৫ টা শিবিৰ আছে। তেওঁলোকে BSF ৰ লগত পেট্ৰলিং কৰাৰ উপৰিও ওচৰৰ গাওঁবিলাকত চোৰা-চিতা কৰে। অলপতে ৩৫ জন ৰহিংগীয়াক কৰিমগঞ্জ পুলিছে কৰায়ত্ত কৰিছে। যোৱা ৩ বছৰত ৯৫ জন সন্দেহযুক্ত বাংলাদেশী নাগৰিকৰ বিৰূদ্ধে ন্যায়াধীশলৈকে গোচৰ কৰিমগঞ্জ পুলিচে প্ৰেৰণ কৰিছে। গতিকে ৰহিংগীয়াৰ ক্ষেত্ৰত যিটো কথা হৈছে, সেইটো ডাঙৰ concern.ইতিমধ্যে আমাৰ পুলিচে ৰহিংগীয়া যিখিনিক ধৰিছে এতিয়ালৈকে, আৰু তেওঁলোকক অসম পুলিচৰ বোৰ্ডাৰ বিভাগে তেওঁলোকক লৈ গৈ পোষ্ট বেক কৰা নাই। তেওঁলোকে বাংলাদেশৰ

বি ডি আৰৰ লগত বাংলাদেশ পইণ্টত তেওঁলোকক গতাই দিছে, আৰু তেওঁলোকে তেনেকৈ গ্ৰহণ কৰি লৈছে। গতিকে ৰহিংগীয়াৰ ক্ষেত্ৰতো strict vigilence ৰখা হৈছে। আৰু যিবিলাক Anti-National বুলি Apprehend কৰা হৈছে, তেনেকুৱা মানুহ কৰিমগঞ্জত ইতিমধ্যে মই কৈছোয়েই অধ্যক্ষ ডাঙৰীয়া, ৩৮ জন মানুহ ধৰা হৈছে আৰু এতিয়া যিখিনি আমাৰ কাম আছে smart fancing ৰ কাম প্ৰায় ৩ কিলোমিটাৰ এৰিয়া বি অ' পি লাটিটিলা যিটো আছে, লাটিটিলা অঞ্চলত চিভিল ৱৰ্কৰ কাম প্ৰায় ৯৮ শতাংশ সম্পূৰ্ণ হৈছে, ইলেক্ট্ৰিকৱৰ্ক ১০০ শতাংশ কমপ্লিট হৈছে। গতিকে CPW ইতিমধ্যে আমাৰ চিঠি দিয়া হৈছে, প্ৰচেচ কৰা হৈছে আৰু তেওঁলোকে ইতিমধ্যে এই গোটেই খিনি কথা চৰকাৰক দিব। গতিকে অধ্যক্ষ ডাঙৰীয়া , আপুনি কোৱা কথাটো আপোনাক জনাম। আপুনি দিয়া সিদ্ধান্তটো বেয়া নহয়- তেওঁলোকক যদি আমাৰ এইফালে আনি বহুৱাই দিব পৰা যায় আমাৰ ফালে থকা গাওঁসমূহত এইটো বেয়া কথা নহয়। গতিকে আজি ক'ব নোৱাৰিম । এইটো চৰকাৰে সিদ্ধান্ত ল'ব লাগিব। এইখিনি মই চৰকাৰৰ হৈ আশ্বাস দিলো আমাৰ মুখ্য মন্ত্ৰী ডাঙৰীয়াই বৰ্ডাৰৰ ওপৰত এইবিলাক কথা আলোচনা কৰি আছিল পুলিছৰ লগত- বি এছ এফৰ লগত। বৰ্ডাৰ বিভাগৰ লগত আৰু Border টো Seal হ'ব এতিয়া Border Riverine Area তাত এটা নতুন System আহিছে। সেই System টো এতিয়া আৰম্ভ কৰিব। কিছুমান Machine আছে আহি পাওতে দেৰী হৈছে কিন্তু লগাওতে দেৰী নালাগে। যেতিয়া গোটেই Riverine Area তে লগাই দিব তেতিয়া এটা পইন্টৰ পৰা গোটেইখিনি Monitor কৰাৰ ব্যৱস্থা কৰিব পৰা যাব। গতিকে অসম বাংলাদেশ সীমান্ত Seal হোৱাটো চৰকাৰৰ কৰ্ত্তব্য আৰু মূখ্যমন্ত্ৰী ডাঙৰীয়াই এই ক্ষেত্ৰত বিহীত ব্যৱস্থা লৈছে। মই হাউচত এইখিনি কথা অৱগত কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ- ইয়াৰ পিছত আমাৰ ৰূপজ্যোতি কুৰ্মী ডাঙৰীয়া বিশেষভাৱে মোক অনুৰোধ কৰিছিলে- এইটো মই অথনি এলাও কৰিছিলো ।

**শ্ৰীৰূপজ্যোতি কুৰ্মী ঃ** মাননীয় অধ্যক্ষ মহোদয়, পুনৰবাৰ মই আপোনাক ধন্যবাদ জনাইছো - মই এটা পইন্ট অৱ অৰ্ডাৰ কৰি ল'ব বিচাৰিছো। এইটো গুৰুত্বপূৰ্ণ বিষয় আমাৰ চাহ বাগিছাৰ ২৭ জন মানুহ মৰাক লৈ ক'ব বিচাৰিছো। এটা বিবৃতি চৰকাৰৰ পৰা বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** সেইটো কালি দিম। আপোনাক Acceptional হিচাপে দিছো । এতিয়া জিৰো আৱাৰটো কওক।

**শ্ৰীৰূপজ্যোতি কুৰ্মী ঃ** মই দৈনিক অগ্ৰদুত বাতৰি কাকতত প্ৰকাশিত এটা বাতৰি মুগবৈ বি এ পিত গুৰুত্ব প্ৰদান কৰা নাই চৰকাৰে। এই বিষয়টো চৰকাৰৰ দৃষ্টি আকৰ্ষন কৰিব বিচাৰিছো। মুগবৈত এটা বি ও পি এটা চেংশ্যন হৈছিলে- মাননীয় অধ্যক্ষ মহোদয় আপোনাক এখন পত্ৰ দিম। এইটো Border Area Department এৰিয়াৰ পত্ৰ। ২৭ ফেব্ৰুৱাৰী ২০১৭ ইয়াত সেই সময়ত Smti D B K Malakar , ACS Joint Sect. Govt of Assam . Border Area Department. তেখেতে এখন পত্ৰ দিছিলে Accountant General লৈ যে ৩ টি BOP চৰকাৰৰ ফালৰ পৰা অনুমোদন কৰিছে বুলি। এই BOP কেইটা আছিলে মৰিয়নি সমষ্টিৰ ১) নাগিনীজান, ২) মুগবৈ গাওঁ আৰু ৩) লক্ষীমপুৰ জিলাৰ মইনাজুলি ইতিমধ্যে নাগিনীজান BOPৰ প্ৰায় ৯০ শতাংশ কাম সম্পূৰ্ণ হ'ল আৰু জানিব পৰা মতে লক্ষিমপুৰ জিলাৰ মইনাজুলি BOPৰ কামটো ইতিমধ্যে সম্পূৰ্ণ হৈছে বুলি আমি জানিব পাৰিছো। এই পুঁজিটো আছিলে বিগত চৰকাৰৰ দিনৰ ১৫-১৬ চনৰ পুঁজি আছিল। অৰ্থাৎ কংগ্ৰেছ চৰকাৰৰ সময়ৰ বাজেট আছিল। এই পত্ৰখনত দিছিলে যে Director of Borders - DSP, DC, SP, Chief

Engineer , PWD (Building) Deputy Secretary , Govt of Assam , PWD Department , Finance Department এই বিভিন্নজনে এই কামটো কৰিছেনে নে নাই তদাৰক কৰিব লাগে। অতি পৰিতাপৰ বিষয়, অতি দুখৰ বিষয় ২০১৭ চনৰ ২৭ ফেব্ৰুবাৰীত এই চেংশ্যন হোৱা BOPত যেতিয়া Sanction হোৱাৰ পিছত - সময় উকলি যোৱাৰ পিচত- ১০ মাহৰ পিছত - ২০১৮ চনত মই যেতিয়া তেওঁলোকক অবগত কৰিছিলো তেওঁলোক আহিল আৰু জিলা উপায়ুক্তক লগ কৰিছিল। মৰিয়নিৰ চক্ৰ বিষয়া, তিতাবৰৰ এচ ডি পি ও, মই নিজে - সকলোৰে মিলি মুগৰী গাওঁ চাবলৈ গ'লো। চৰকাৰী মাটি তাত পালো আৰু তাতে বনোৱাৰ সিদ্ধান্ত লোৱা হ'ল। তাত দলংখন বনোৱাৰ কাৰনে অতিৰিক্ত পুঁজি দিব বুলি চৰকাৰৰ হৈ ডি চিয়ে আশ্বাস আমাক দিলে। ইতিমধ্যে ১৬ মাহ পাৰ হ'ল। ২০১৭ ফেব্ৰুৱাৰীৰ পৰা ২০১৮ ৰ জুনলৈকে ১৬ মাহ পাৰ হৈ যোৱাৰ পিচত মুগৰী গাওঁৰ ৰাইজে মোৰ পৰা লিখাই লৈ আকৌ ডি চিৰ জৰিয়তে অসমৰ মুখ্যমন্ত্ৰী মহোদয়লৈ এখন স্মাৰক পত্ৰ দিলে। কেইদিনমান পিছত উপায়ুক্তই এই বি ও পিটো সোনকালে আৰম্ভ কৰিম বুলি ক'লে। ১৬ মাহ পাৰ হৈ ১৮ মাহ পাৰ হ'ল- তাৰ পিছত মুগৰি গাওঁত এখন জন সভা হ'ল। সভাত ৰাইজে ক'লে দলঙৰ বনাবলৈ যদি পুঁজি নিদিয়ে চৰকাৰী মাটিৰ কাষতে বেলেগ মাটি আছে ৰাইজে দিব। ৰাইজৰ ফালৰ পৰা বদন গগৈ নামৰ ব্যক্তি গৰাকীয়ে ২বিঘা মাটি বি ও পি বনাবলৈ স্বাক্ষৰ কৰি দান কৰিলে।১৮ মাহ পৰা হোৱাৰ পিছতো ৰাইজে মাটি দান কৰাৰ পিছতো এই বি ওপি টো নিৰ্মান কাৰ্য্যৰ আৰম্ভ নহ'ল। ৰাইজে মোক কিবা এটা কৰিবলৈ খাটনি ধৰিলে আৰু ২০ মাহ পাৰ হৈ যোৱাৰ পিচত ২১চেপ্টেম্বৰত মই এইটো বনোৱাৰ দাবীত অনশন কাৰ্য্যসূচী ললো। প্ৰায় ৩২ ঘন্টা অনশণ কৰাৰ পিচত উপায়ুক্ত নাৰায়ন কোঁৱৰ ডাঙৰীয়াইচৰকাৰৰ লগত যোগাযোগ কৰি আমাক লিখিত আশ্বাস দিলে যে অতি সোনকালে কাম আৰম্ভ কৰিব। গৰ্ভমেন্ট ৰ চেংশ্যন লেটাৰ ২৭ ফেব্ৰুৱাৰী-২০১৭ চনৰ বৰ্ডাৰ এৰিয়া ডেভল'পমেন্টৰ এই পত্ৰখন অধ্যক্ষ মহোদয় আপোনাক দিম। ২২ মাহ ওকলি গ'ল। আজি ২০১৯ চন। যেতিয়া ডিপাৰ্টমেন্টে কাম আৰম্ভ কৰিবলৈ গ'ল-২৪ জানুৱাৰী,২০১৯ চন , চেংশ্যন হোৱাৰ ৬৬০ দিনৰ পিছত তাত যেতিয়া ঠিকাদাৰে অস্থায়ী ঘৰ বনালে তাৰ পিছত নগা দুস্কৃতিকাৰীয়ে সেই ঘৰ জ্বলাই দিলে। যিতিয়া আচাম পুলিছ তালৈ গ'ল তেতিয়া একে -৪৭- একে-৫৬ - ডাঙৰ ডাঙৰ লৈ নগা পুলিছৰ ড্ৰেছত এন এ পি তাত বহি থকা দেখা গ'ল। ঘৰ জ্বলাই দিয়াৰ পিছত আমি লগে লগে তালৈ গৈছিলো তাত নগা লোকসকলে অসম পুলিছৰ লগত তৰ্ক-বিতৰ্ক লাগিল। তাৰ পিছত তেওঁলোকে ক'লে আপোনালোক আঁতৰি যাব আমিও আঁতৰি যাম। তাৰ পিছত অসম পুলিছ যেতিয়া আঁতৰি আহিল, তাৰ পিচত তেওঁলোক আঁতৰি যোৱা দেখুৱাই পুনৰ আহি আগৰ ঠাইত আহিলে। আমি যেতিয়া সাংবাদিকসকলৰ লগত যাবলৈ লৈছিলো তেতিয়া তেওঁলোকে দূৰৰ পৰাই ছিগনেল দিলে যে ওচৰলৈ নাহিবি। আমি ওচৰলৈ যাবলৈ সাহস নকৰিলো। অসম পুলিছো আমাক যাবলৈ মানা কৰিলে। এনেকৈ এইটো ত্ৰটা ডাঙৰ বিষয় হৈ পৰিল আৰু বিভিন্ন দল সংগঠনে- সদৌ অসম ছাত্ৰ সন্থা , যুৱ ছাত্ৰ পৰিষদ, আটাছা, আছুকে লৈ, টাই আহোম ছাত্ৰ সন্থা, লাচিত সেনাকে লৈ প্ৰায় ১০ টা সংগঠনে প্ৰতিবাদী কাৰ্য্যসূচী ল'লে।পথ অবৰোধ কৰিলে, জিলা উপায়ুক্তক স্মাৰক পত্ৰ দিলে কিন্তু আজিৰ তাৰিখত অতি দুখ লগা আৰু লাজ লগা এটি বিষয় হৈ পৰিছে যে সেই ঠাইখিনি চাবলৈ কোনো এজন উপায়ুক্ত বা আৰক্ষী অধীক্ষক পৰ্য্যায়ৰ বিষয়া তালৈ যোৱা নাই। এচ ডি পিও- চক্ৰ বিষয়া পৰ্য্যায়ৰ বিষয়াহে তাতে গৈছে। সেই ঠাই চাবৰ বাবে অসম চৰকাৰৰ তৰফ ৰ পৰা কোনো এজন DC rank ৰ, কোনো এজন SP rankৰ, বিষয়া তালৈ যোৱা নাই। SDPO, চক্ৰ বিষয়া

তাত গৈছে। কিন্তু নাগালেণ্ডৰ ফালৰ পৰা যদি আপোনালোকে চাই এই ঘটনা ২৪ জানুৱাৰী তাৰিখে হ'ল ৭ দিনৰ পিছত প্ৰথম ফেব্ৰুৱাৰী তাৰিখে নাগালেণ্ডৰ Alung Jamir নামৰ এজন Education Cabinet Minister সেই ঠাইখিনিত আহি চাই গ'ল। লগে লগে নাগালেণ্ডৰ T T Tungley তেখেত DGP নে IGP নাজানো, আমাৰ অসমৰ মাটি কিন্তু বিতৰ্কীত মাটি হৈ পৰা এই ঠাই ডোখৰ প্ৰথম ফেব্ৰুৱাৰী তাৰিখে নাগালেণ্ডৰ কেবিনেট মন্ত্ৰী আহি পৰিদৰ্শন কৰি গ'ল আৰু DGP নে IGP rank ৰ T T Tungley, তেওঁ আহি তাত ৪ ফেব্ৰুৱাৰী তাৰিখে পৰিদৰ্শন কৰি গ'ল। কিন্তু অসম চৰকাৰৰ ফালৰ পৰা কেবিনেট মন্ত্ৰীটো দূৰৰে কথা, ৰাজ্যিক মন্ত্ৰীটো দূৰৰে কথা, DGP, IGP ৰ কথা বাদ দিয়ক DIG পৰ্য্যায়ৰ অধ্যক্ষ মহোদয়, এতিয়ালৈকে আমাৰ সেই অসমৰ মাটি ডোখৰ চাবলৈ তেনেকুৱা সময় নোলাল নে, গুৰুত্ব প্ৰদান কৰা হোৱা নাই নে, বিষয়টো নুই কৰিছে? জাতি মাটি ভেঁটিৰ যিটো আমাৰ, মাটি ভেঁটি ৰক্ষাৰ কাৰণে যিটো গুৰুত্ব প্ৰদান কৰিব লাগিছিল এতিয়ালৈকে কিন্তু প্ৰদান নকৰিলে। এই মুহূৰ্তত অধ্যক্ষ মহোদয়, মই আপোনাক কব বিচাৰো যোৱা কালিলৈকে তাত অসম আৰক্ষীৰ কোনো নাছিল। প্ৰেট্ৰ'লিং যায় এটা সময়ত, গৈ ঘুৰি আহে। কিন্তু নাগালেণ্ড পুলিচৰ Chairman Village অৰ্থাৎ ২০০ মিটাৰ দূৰত্বত নাগালেণ্ডৰ Chairman Village ত গাঁৱত নাগালেণ্ডৰ ফালৰ পৰা IRBN, NAP তেওঁলোকে সশস্ত্ৰ বাহিনী তৈয়াৰ কৰি থৈছে। হয়তো যোৱাকালি এই বিষয়টো উত্থাপন কৰা দেখা পাই মাননীয় আমাৰ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী ডাঙৰীয়াই নিশ্চয় কিবা এটা ব্যৱস্থা লৈছিল। আমাৰ অসমৰ ফালৰ পৰা ২ টা বেটেলীয়ান কালি সন্ধিয়া ৪.০০ বজাত গৈছে। তাত গৈ যেতিয়া পাইছে দেখিছে থাকিবলৈ একো ঠাই নাই, শৌচালয় নাই, পেচাপ কৰাৰ ঘৰ নাই, খোৱাৰ কাৰণে কোনো Kitchenৰ ব্যৱস্থা নাই। তাত জংঘলৰ মাজত কেনেকৈ থাকিব, পুলিচ দুটা আহি আমাৰ যিটো মৰিয়ণী থানাৰ অস্থায়ী যিটো বেৰেক, সেই বেৰেকত ঠেলা হেচাকে মাটিত ঢালাই কৰি তেনেকৈ বিচনাত দুয়ো অসম পুলিচৰ বেটেলীয়ান থাকিব লগা হৈছে। কিন্তু নাগালেণ্ড পুলিচৰ তাত কিন্তু পুৰা ডাঙৰ বাহিনী, Chairman Village ২০০ মিটাৰ দূৰত্বত তেওঁলোকে প্ৰায় ঘটনাটো হোৱাৰ ২৪ তাৰিখৰ পৰা আছে। কিন্তু অসম পুলিচৰ দুটা বেটেলীয়ান গৈ তাতে কালি থাকিব নোৱাৰিলে ঘুৰি আহিলে। আজি এতিয়া বৰ্তমান গৈছে গাড়ীতে বহিছে কিছুমানে, মাটিতে বহি তেওঁলোকে এতিয়া পহৰা দি আছে। কিন্তু থকাৰ ঘৰ এতিয়ালৈকে আমাৰ অসম চৰকাৰৰ তৰফৰ পৰা বনাই দিয়া নহ'ল। ইয়াৰ যদি আমি চাওঁ গোটেই বিষয়টো, মই সামৰিব বিচাৰিছো, যিহেতু আমাৰ নাগৰিক সংশোধনী বিধেয়ক আৰু এটা ফৰেষ্টক লৈ আমাৰ এটা গুৰুত্ব পূৰ্ণ আলোচনা আছে কাৰণে সামৰিব বিচাৰিছো। চমুকৈ কব গলে নাগালেণ্ডৰ যদি এই জুই লগা ঘটনাটো তেনেকুৱা মৰাণ এক্সপ্ৰেছ, নাগালেণ্ড ফ্ৰোৰ্ছ এই পেপাৰত ওলাই তেনেকৈ যদি কেৰিনেট মন্ত্ৰীক, মুখ্যমন্ত্ৰী ডাঙৰীয়াই পঠিয়াইছে আৰু ইয়াৰ লগতে DGP, IGP rank ৰ মানুহে তাত গৈ যদি পৰিদৰ্শণ কৰিব পাৰিছে, তেওঁলোকে Border Megistrate য়ে তাত সদায় সেই ঠাই ডোখৰ ওচৰৰ পৰা পুলিচ বাহিনী লৈ ঘুৰি আহিছে। আমাৰ অসম চৰকাৰৰ মন্ত্ৰী বাদ দিয়ক ৰাজ্যিক মন্ত্ৰীও বাদ দিয়ক, DGP, IGP, DIG যোৰহাটতে আছে আজিলৈকে নগ'ল নগ'লেই। SP পৰ্য্যান্ত তাত নোযোৱা বিষয়টো বৰ দুখ লগা হৈছে। সেই কাৰণে মই অধ্যক্ষ মহোদয়, আপোনাৰ যোগেদি মাননীয় চৰকাৰ খনলৈ অতি গুৰুত্ব সহকাৰে আৰু আশাৰে সীমামূৰীয়া এই ৰাইজৰ হৈ অনুৰোধ জনাইছো যে মগ্ৰৈ BOP বুলি অকল নহয় সীমামৰীয়া ৰাইজৰ যিটো দীৰ্ঘদিনীয়া সমস্যা এটা চলি আছিল, এইবোৰ মাজে মাজে উদ্ভৱ হয়, যাৰ কাৰণে আমাৰ মানুহৰ মৃত্যু হ'ব লগীয়া হয়, পুলিচৰ মৃত্যু হ'ব লগীয়া হয়, অৰ্থনৈতিক

অৱৰোধৰ ফলত আমাৰ লোকৰ বহুত ক্ষতি হ'ব লগা হয়, স্কুল-কলেজ পথ অৱৰোধ কৰিলে বন্ধ হয়, যাৰ কাৰণে বহুত ক্ষতি হৈ আছে। এই মাটিতো যিহেতু আমাৰ চৰকাৰী মাটি, আমাৰ মগ্ৰৈ গাঁৱৰ ৰাইজৰ, বদন গগৈ পৰিয়ালে দান দিয়া মাটি, এই মাটি যিহেতু আমাৰ মাটি আৰু আমিয়ে যদি বনাব নোৱাৰো আমি কি এটা উদাহৰণ দিম নগা সকলৰ ওপৰত। সেই কাৰণে এইটো BOP অতিশীঘ্রে বনোৱাৰ পদক্ষেপ গ্ৰহণ কৰিব লাগে। এই আহ্বান জনাই আপুনি গুৰুত্ব পূৰ্ণ বিষয়টো শূণ্যকালীন ঘন্টাত উত্থাপন কৰিব দিয়াৰ কাৰণে ধন্যবাদেৰে মোৰ বক্তব্য সামৰিছো।

**মাননীয় অধ্যক্ষ ঃ** পাটোৱাৰী ডাঙৰীয়া।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** অধ্যক্ষ ডাঙৰীয়া, মাননীয় ৰূপজ্যোতি কুৰ্মী ডাঙৰীয়াই দৈনিক অগ্ৰদূতত প্ৰকাশিত যিটো বাতৰি ১৬-০২-২০১৯ তাৰিখত এইটোত আমাৰ চৰকাৰ অৱগত। সেই হিচাপে আমাৰ ৰূপজ্যোতি কুৰ্মী ডাঙৰীয়াই যিখিনি তেওঁ কৈছে কথাখিনি ঠিকেই আছে তেখেতৰ Concern. কাৰণ তেখেতৰ সমষ্টি অকল তাতেই নহয়, তেনেকৈ আমাৰ সৰু পথাৰ সমষ্টিটো আছে এইটো সমস্যা, ঠিক তেনেদৰে আমাৰ আমগুৰিৰ বা শিৱসাগৰ, নাজিৰা এইবিলাক সমষ্টিটো এই বোৰ্ডাৰৰ সমস্যাটো আছে। লক্ষীমপুৰ অঞ্চলতো অৰুনাচলৰ লগত বোৰ্ডাৰৰ সমস্যা এটা আছে। কামৰূপৰো মেঘালয়ৰ লগত, গোৱালপাৰাৰো বোৰ্ডাৰৰ সমস্যা এটা আছে। কিন্তু এই সমস্যা বিলাক আচলতে দুয়োখন চৰকাৰ বহি এই কথখিনি আলোচনাৰ মাধ্যমেৰে আমি যাব লাগিব। কিন্তু আমাৰ এটা কথা হৈছে কি যে এতিয়া আমাৰ চৰকাৰ, আমি চেষ্টা কৰিছো যাতে বুজা বুজি কৰি আমাৰ বোৰ্ডাৰ খিনি আমি ঠিক কৰিব পাৰো। সেই মতে আমাৰ কাজিৰঙাত এবাৰ নাগালেণ্ডৰ মুখ্যমন্ত্ৰীৰ লগত আমাৰ আৰু অন্য ৰাজ্যৰ মুখ্যমন্ত্ৰীৰ লগত আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই মিটিঙতো উপস্থিত হৈছিল। একেলগে দুয়োটাই আলোচনা কৰিছে। গতিকে এইটো আলোচনাৰ মাধ্যমেৰে কৰিব লাগিব। আমাৰ একে খনে অসম আছিল, যি কাৰণতে নহওক আমি ভাগ ভাগ হৈ গ'লো। ভাগ ভাগ হৈ যোৱাৰ সময়ত সেই সময়ৰ চৰকাৰে সীমাটো ঠিক কৰি দিব লাগিছিল আচলতে সেই সময়ত। ৰাজ্যত যি চৰকাৰ আছিল, কেন্দ্ৰত যি চৰকাৰ আছিল। কিন্তু সীমাবোৰ ঠিক নকৰি কিছুমান বিবাদমান এলেকা কৰি থৈ গ'ল। বিবাদমান এলেকা কৰি থৈ যোৱাৰ কাৰণে এই সমস্যাটো সদায় হৈ আছে। গতিকে মই এই ঘটনাটোৰ বিৱৰণী দিছো ইয়াত।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী ঃ** এইটো ম্যাদি পট্টা মাটি, এইটোৰ কাৰণে আমাৰ সন্মান যাব, নাক-কাণ কটা যাব।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** নাক-কাণ নাযায়। সন্মান পুৰা থাকিব। কাৰণ এই চৰকাৰে জাতি মাটি ভেঁটিৰ কথা বিশ্বাস কৰে। গতিকে নাক-কাণ নাযায়, সন্মান থাকিব, এই বিধান সভাতে আপুনি এদিন কব যে আমাৰ সন্মান চৰকাৰে ৰাখিছে, মই আপোনাক কথা দিলো। কাৰণ নাগিনী জান এতিয়া almost complete, গতিকে নাগিনী জানতো তেওঁলোকে আপত্তি কৰিছিল, চিঠি দিছিল আমাক তেওঁলোকৰ সচিবে, আয়ুক্ত ও সচি বে।

**শ্ৰী নুৰুল হুদা ঃ** অধ্যক্ষ মহোদয়, Quorum নাই নেকি ?

**মাননীয় অধ্যক্ষ ঃ** Quorum আছে, সদস্য সকলে লাহেকৈ চাহ খাবলৈ ওলাই যায়, এতিয়া বেল নবজাও এজনক মাতি আনিব। আপোনালোকে মাতি আনিব কেলৈ নামাতে, You also help me. বাহিৰত এই মাত্ৰ আপোনাৰ আগৰে গৈছে, আপুনি বহিব কব পাৰে।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** গতিকে অধক্ষ্য ডাঙৰীয়া, গতিকে আমাৰ নাগিনী জানত যিহেতুকে আমি বনালো ইমান আপত্তি কৰাৰ পিছতো। গতিকে আমি মগ্ৰৈত যিটো আছে তাতেও

আমি বনাম। এইতো নহয় যে আমি নবনাম। তাতে বনাবৰ কাৰণে ইতিমধ্যে যি ঠিকাদাৰে বনাব তেওঁ এটা অস্থায়ী ঘৰ তেওঁৰ লেবাৰ বোৰৰ কাৰণে কৰিছিল। সেই ঘৰটো নগাই আহি জ্বলাই দিলে। কিন্তু It is not that যে জ্বলাই দিয়াৰ কাৰণে ভয় খাইছো আৰু আমি তাত নবনাও। নাগিনী জানত আমি যেনেকৈ বনালো ইয়াতো আমি বনাম। এতিয়া কথা হ'ল যে আপুনি যিটো কৈছে বেটেলীয়ান গৈছে ঘুৰি আহিছে, থাকিবলৈ ঠাই নাই, সেই বিলাক আমাৰ চৰকাৰে এই দিশত ব্যৱস্থা লব সেইটো চিন্তা কৰিব লগীয়া বিষয় নহয়। মই কেৱল এটা কথাই কব বিচাৰিছো যোৱা ইং ২৪-০১-২০১৯ তাৰিখে সময় প্ৰায় ৮ বজাত দেবেৰা পাৰা আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়াই দৰিকণা গাঁৱৰ, মগ্ৰৈ খণ্ড নং - ১ ৰ গাওঁবুঢ়াৰ পৰা সংবাদ পায় যে, যোৰহাট জিলাৰ মৰিয়নি বিধান সভাৰ সমষ্টিৰ দেবেৰাপাৰা আৰক্ষীচকীৰ অন্তৰ্গত মগ্ৰৈ (অংশ ক) অঞ্চলত বি. অ. পি. নিৰ্মাণৰ বাবে শ্ৰমিক ৰাখিবলৈ বাঁহেৰে সজোৱা অস্থায়ী ঘৰ এটা কোনো দুৰ্বৃত্তই অগ্নি সংযোগ কৰে বুলি জনাই আৰু লগতে হাতে লিখা এখন বেনাৰ আঁৰি থৈ যায়।

উক্ত খবৰ পোৱাৰ মাত্ৰেই মৰিয়নি থানাৰ আৰক্ষীবিষয়া আৰু দেবেৰাপাৰা আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া ঘটনাস্থলীলৈ ৰাওনা হয়।

ঘটনাস্থলীত পৰিদৰ্শণ কৰি দেখা পায় যে, শ্ৰমিকে ব্যৱহাৰ কৰিব লগীয়া অস্থায়ী বাঁহৰ ঘৰটো ৰ কিছু অংশ জ্বলিছে আৰু লগতে এখন হাতে লিখা বেনাৰ আৰি থোৱা আছে। উক্ত বেনাৰ খনৰ কথাখিনিৰ অৰ্থ এনে ধৰণৰ আছিল - এই এলেকাৰ মাটি Lirmen ৰ অন্তৰ্গত। এই কথাখিনিৰ পৰা অনুমান হয়যে, দুস্কৃতিকাৰী ওচৰতে অৱস্থিত নাগালেণ্ডৰ Lirmen বস্তিৰ হ'ব পাৰে।

আমাৰ আৰক্ষীয়ে তৎক্ষণাত উক্ত বেনাৰখন জব্দ কৰে, লগতে আংশিক ভাৱে জ্বলা বাঁহৰ অংশও জব্দ কৰে। গাভৰু বি. অ. পি. ৰ পৰা 1st A.P.B.N. ৰ আৰক্ষী জোৱান মোতায়ন কৰা হয়। উক্ত দিনাই পোৱা ১০.৩০ মান বজাত নাগালেণ্ডৰ সীমন্তৰ দণ্ডাধীশ সহিতে প্ৰায় ২০-২৫ জন আৰক্ষী লোক আহি উক্ত স্থানত উপস্থিত হয়।

তেতিয়া ইতিমধ্যে উপস্থিত হোৱা তিতাবৰ মহকুমাৰ আৰক্ষী বিষয়াই নাগালেণ্ডৰ মোককচাং জিলাৰ সীমান্তৰ দণ্ডাধীশৰ লগত আলোচনা মৰ্মে তথা উক্ত অঞ্চলৰ শান্তি ৰক্ষাৰ স্বাৰ্থত দুয়োখন ৰাজ্যৰ আৰক্ষীয়ে উক্ত স্থানৰ পৰা আঁতৰি যোৱাৰ সিদ্ধান্তত উপনীত হয় আৰু সেইমতে দুয়োখন ৰাজ্যৰ আৰক্ষী আৰু অন্যান্য বিষয়া সেই স্থানৰ পৰা আঁতৰি যায়। ইয়াৰ কিছুসময়ৰ পিছতে স্থানীয় মৰিয়নি সমষ্টিৰ বিধায়ক মহোদয় শ্ৰী ৰূপজ্যোতি কুৰ্মী ডাঙৰীয়াই উক্ত স্থানত উপস্থিত হয় আৰু তেওঁ সংবাদ কৰ্মী, স্থানীয় বাসিন্দাৰ লগত বাৰ্তালাপ কৰি উক্ত স্থানৰ পৰা আঁতৰি যায়। অ.চি মৰিয়নি থানা আৰু আই.চি দেবেৰাপাৰা অ.চি.য়ে 1st A.P.B.N.ৰ আৰক্ষীৰ সহায়ত উক্ত অঞ্চলত তহলৰ ব্যৱস্থা কৰি আহে যাতে কোনো দুস্কৃতিকাৰীয়ে পৰিস্থিতি বিঘ্নিত কৰিব নোৱাৰে। তাৰোপৰি উক্ত অঞ্চলৰ গাওঁৰক্ষী বাহিনী তথা গাওঁবুঢ়াক নজৰ ৰাখিব কাৰণে বুজাই দিয়া হয়। যোৱা ইং ১৬-০২-২০১৯ তাৰিখে দৈনিক অগ্ৰদূত বাতৰি কাকতত প্ৰকাশ পোৱাৰ দৰে নাগালেণ্ড চৰকাৰৰ কোনো মন্ত্ৰী মগ্ৰৈ বি.অ.পি. পৰিদৰ্শন কৰা নাছিল। কিন্তু যোৱা ০১-০২-২০১৯ তাৰিখে নাগালেণ্ড উচ্চ শিক্ষা মন্ত্ৰীজনে বি.অ.পি. ৰ পৰা ১ কি.মি. দূৰত্বত অৱস্থিত লাৰমেন বস্তিত ভ্ৰমণ কৰিছিল, কিন্তু তেঁও আমাৰ মগ্ৰৈ বি.অ.পি. অঞ্চলত পৰিদৰ্শন কৰা নাছিল। অন্যহাতে উক্ত অঞ্চলৰ গাওঁবুঢ়াই জনোৱা মতে যোৱা ইং ৪-০২-২০১৯ তাৰিখে নাগালেণ্ডৰ কোনো উচ্চ পদস্ত আৰক্ষী বিষয়াই লাৰমেন বস্তিলৈ যাওঁতে আমাৰ মগ্ৰৈ বি.অ.পি. পৰিদৰ্শন কৰিছিল। এই সন্দৰ্ভত তিতাবৰ মহকুমাধিপতিৰ পৰা ০৪-০২-২০১৯ তাৰিখৰ চিঠিৰ জৰিয়তে এটি প্ৰতিবেদন পোৱা হৈছে। প্ৰতিবেদন

মতে উক্ত মাটিখিনি পট্টাভুক্ত মাটি বুলি জনাইছে। যোৰহাট জিলাৰ উপায়ুক্ত আৰু আৰক্ষী অধীক্ষক বিহিত নিৰ্দেশনা দি থকা হৈছে। এইখিনি কথা আমি চৰকাৰৰ তৰফৰ পৰা অৱগত কৰিলো গতিকে আগন্তুক দিনত আপুনি আমাক নিশ্চয় আমাৰ ধন্যবাদ দিব।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ, ইয়াৰ পিছত মাননীয় সদস্যা শ্ৰীমতী নন্দিতা দাস।

**শ্ৰীমতী নন্দিতা দাস (মাননীয় সদস্যা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলীৰ ৫৪ নং নিয়মৰ অধীনত ২০১৯ চনৰ ২৮ জানুৱাৰী তাৰিখৰ ‘‘অসমীয়া প্ৰতিদিন’’ কাকতত প্ৰকাশিত ‘‘মেঘালয়ৰ আগ্ৰাসনৰ পৰিণতি, এজন আটক-বকোৰ লাম্পিত দুৰ্বৃত্তই জ্বলালে দুটা পৰিয়ালৰ ঘৰ’’ শীৰ্ষক বাতৰিটো মই আজিৰ এই সদনৰ মজিয়াত উত্থাপন কৰিব বিচাৰিছো আৰু মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। বকোৰ লাম্পি অঞ্চলত বিভিন্ন সময়ত উৎখাতৰ ঘটনাবোৰ ঘটি আছে, এই সদনৰ মজিয়াত কেইবাৰো বৰ্ডাৰ সম্বন্ধে যিবোৰ ঘটনা ঘটে কেইবাবাৰো মই প্ৰশ্ন উত্থাপন কৰিছো। অসম মেঘালয়ৰ যিটো সীমা সম্পূৰ্ণ কামৰূপ জিলাত ইয়াৰ যিটো Land ১৩৬.২২কি.মি. ইয়াৰে ৩২ কি.মি. বকো সমষ্টিৰ অন্তৰ্গত এইখিনি অঞ্চলত পৰে। এই যিটো বাতৰি এই বাতৰিটো পাইছে বকোৰ লাম্পিত দুৰ্বৃত্তই জ্বলালে দুটা পৰিয়ালৰ ঘৰে ইয়াতে ঘটনা বিৱৰণী যেতিয়া মই জানিব বিচাৰিছো আৰক্ষীয়ে মহোদয়ৰ লগত মই বকো O.C ৰ লগত কথাও পাতো মই জানিব পাৰিলো যে এজন ব্যক্তিক আটক কৰা হৈছে, আৰু তেখেতক ৰখা হৈছে থানাতে। ইয়াৰ পৰৱৰ্তী যিবিলাক পদক্ষেপ থানাৰ পৰা লোৱা হ’ল এই কথাখিনি মই Details জানিব নোৱাৰিলো। এনেকুৱা ঘটনা প্ৰায়ে ঘটি থাকে আৰু যিটো গতানুগতিক ঘটনাৰ দৰে পৰিণতি হৈছে। ঘটনা বিৱৰণীৰ অনুসৰি যোৱা ২৫ জানুৱাৰীত নিশা বকো থানাৰ অন্তৰ্গত মেঘালয় সীমান্তত থকা লাম্পি হৰ্ষ নগৰ বীৰবাহাদুৰ ৰায় আৰু চেহ বাহাদুৰ ৰায়ৰ ঘৰত দুৰ্বৃত্তই জুই লগাই দিলে। কথমপি পৰিয়ালৰ দুটিৰ লোক সকলৰ প্ৰাণ ৰক্ষা কৰিবলৈ সক্ষম হয় যদিও পৰিয়ালৰ দুয়োটাৰে সা-সম্পত্তি জ্বলি যোৱাৰ পিছত পৰিয়াল দুটাই ২৬ জানুৱাৰীৰ দিনা বকো থানাত উক্ত ঘটনাটো এজাহাৰ দাখিল কৰে। এজাহাৰত মেঘালয়ৰ আগ্ৰাসনৰ বিষয়ে উল্লেখ কৰি অসম বিদেশী এচাম মেঘালয়ৰ সমৰ্থকে লাম্পিৰ বাসিন্দাক খেদি পঠিয়াবলৈ বিভিন্ন ষড়যন্ত্ৰ কৰা বুলি অভিযোগ কৰিছে। অসম বিদেশী লোকে থলুৱা লাম্পিৰ পৰা খেদি পঠিয়াবলৈ সৰযন্ত্ৰ কৰি আতংকৰ সৃষ্টি কৰিবলৈ এনেধৰণৰ ঘৰ দুৱাৰ জ্বলাই দিয়া বুলিও এজাহাৰত পৰিয়াল দুটাই উল্লেখ কৰিছে। অৱশ্যে যোৱা নিশা উক্ত ঘটনাৰ লগত জড়িত মেঘালয়ৰ মৌলানত সন্দেহজনক লোক বকো আৰক্ষীয়ে আটক কৰে লোক জনক বকো থানাত আৰক্ষীয়ে সোধা-পোছা অব্যাহত ৰখা বুলি জানিব পৰা গৈছে। কিছুদিন পিছতে ১৪ ফেব্ৰুৱাৰীত নিয়মীয়া বাৰ্তাত আকৌ এটা লাম্পি অঞ্চলত পুনৰ ঘটনা ঘটিছে। অসমৰ ভূমিত মেঘালয়ৰ আগ্ৰাসন, ঘটনা স্থলীত বকো আৰক্ষীৰ দল, লাম্পিত বিদ্যুতৰ খুটা পোতাক লৈ উত্তেজনা, বিদ্যুৎত খুটা পুতিবলৈ গৈছিল মেঘালয় চৰকাৰৰ ফালৰ পৰা আৰু তাৰে স্থানীয় লোকে যি সকল নেপালী লোক আছিল তেওঁলোকে বাধা প্ৰদান কৰাত এটা হুলুস্থুলীয়া পৰিৱেশ হৈছিলে আৰু মাৰধৰো হৈছিলে। ইয়াৰে বাহিৰেও তাৰ কিছুদিন আগতে মালংবনা বুলি অঞ্চলত এটা Water Fall আছে, যিটো বিখ্যাত।সেই অঞ্চলত PHC Deptt. ৰ পৰা Chief Engineer, SDO, Executive Engineer ৰ এটা চৰকাৰী দল চৰকাৰী বিষয়া যেতিয়া কাম কৰিবলৈ গৈছিল সেই অঞ্চলত কিছু দুৰ্বৃত্তই তেওঁলোকক আঘাত প্ৰাপ্ত কৰিছিল ৭/৮ ঘন্টা আবদ্ধ কৰি ৰাখিছিল, তেওঁলোকৰ ফোন পৰ্য্যন্ত কাঢ়ি ৰাখিছিল, যে এনেকুৱা ঘটনা বিলাক লাম্পিৰ যিটো অঞ্চল মেঘালয় আৰু অসমৰ Border Area বিলাকত এনেকুৱা ঘটনা বিলাক অধ্যক্ষ

মহোদয় ঘটিয়ে আছে। সীমাৰ যিটো বিবাদ, সীমাৰ বিবাদটোৱে যে এক জটীল ৰূপ ধাৰণ কৰিববলৈ গৈ আছে, যিটো আমি দেখা পাই আছো। ১মাহ ১৫ দিনৰ মূৰে মূৰে ঘটনা বিলাক ঘটি আছে, লাম্পি অঞ্চলখন ধুনীয়া চিৰ সেউজ এইটো কথা মই আগতেও কৈছো আৰু আপুনিও কৈছে অঞ্চল বিলাক পৰিদৰ্শন কৰিছো সচাকে ধুনীয়া। ধুনীয়াৰ লগতে এই অঞ্চল বিলাক এতিয়াও দুৰ্গম হৈ আছে, লাম্পি অঞ্চলৰ ব্যৱস্থা এতিয়াও ভাল হোৱা নাই। যাৰ ফলত হয়টো মেঘালয়ে বাৰে বাৰে এই অঞ্চল বোৰত বিভিন্ন ধৰণৰ নিৰ্মাণ কাৰ্য্য কৰি পেলায় বিদ্যালয় নিৰ্মাণ কৰিছে, গীৰ্জা নিৰ্মাণ কৰিছে, সমূহীয়া ভৱন নিৰ্মাণ কৰিছে, এইবোৰ কৰি সেই অঞ্চল বিলাক আগ্ৰাসন কৰাৰ কাৰণে তেওঁলোকে চেষ্টা কৰি আছে। বে-আইনী ভাবে বহুত অঞ্চল তেওঁলোকে দখল কৰিছে। মই দুটি মান ৰাস্তাৰ কথা কব বিচাৰিছো, যিহেতু এইটো সীমান্তৰ বিষয়, সীমান্তৰ বিভিন্ন ধৰণৰ উন্নয়ন মূলক কাম, বিভিন্ন বিভাগে কৰি থাকে কিন্তু এইটো এটা একমাত্ৰ ঘটনা নহয়, PMGSY ৰ তিনিটা ৰাস্তা ইতিমধ্যে tender হৈ ঠিকাদাৰে কাম পালে তাতে কৰিব গৈছিলে কিন্তু কিছু দুৰ্বৃত্তই অঞ্চলৰ কামবোৰ কৰিব দিয়া নাই, আজিও দিয়া নাই কৰিবৰ কাৰণে। যেনে এটি road আছে, The road from lower Lampi to Rani সেই ৰাস্তাৰ কান্ত দুৰ্বৃত্তই সেই অঞ্চলত কৰিববলৈ দিয়া নাই। তেওঁলোকৰ দাবী যে এই ৰাস্তটো মেঘালয়ত পৰে। সেইকাৰণে কাম কৰিব নিদিয়ে। হাঁহিমৰ পৰা 'লেজাডুবি' এইটো পি এম জি এছ্ ৱাইৰ ৰাস্তা আছিল। তাৰে ৯০০ মিটাৰ মেঘালয়ত পৰে বুলি কাম কৰিব দিয়া নাই। একে পি এম জি এছ ৱাই ৰ ৰাস্তা 'গামেৰীমূড়া' ৰ পৰা হৰুৱালৈ। ইয়াৰ ৪০০ মিটাৰ ৰাস্তা তেওঁলোকৰ মেঘালয়ত পৰে। এই কাৰণে এইটো বনাব নিদিয়ে। তেনেকৈ এনেদৰে তিনি-চাৰিটা পি এম জি এছ ৱাইৰ ৰাস্তাত নিৰ্মাণকাৰ্য কৰিব পৰা নাই। মই নিজাববীয়াকৈ গড়কাপ্তানি বিভাগৰ মন্ত্ৰীলৈ এই সমস্যাটো সমাধান কৰাৰ বাবে চিঠিও লিখিছিলো। তেখেতে গুৰুত্বসহকাৰে কামটো শুনিছিলে, কিন্তু আজি ৪-৫ মাহ হৈযোৱা স্বত্বেও সেই ৰাস্তাৰ কাম বিভাগে কৰিব পৰা নাই । মই বিভাগৰ লগত আলোচনা কৰোতে বিভাগীয় এছ,ডি,অ', ইঞ্জিনীয়াৰ সকলে কলে যে তেখেত সকলেওঁ মেঘালয় চৰকাৰৰ গড়কাপ্তানি বিভাগৰ বিষয়া সকলৰ লগত ফোনেদি যোগাযোগ কৰিছিল । কিন্তু তেখেত সকলৰ এটাই কথা মুখ্যমন্ত্ৰী, মুখ্য সচিব পৰ্যায়ত এই বিলাক সিদ্ধান্ত নোহোৱালৈকে তেওঁলোকে কাম কৰিব নিদিয়ে । যাৰ ফলত কামবোৰ এতিয়া বন্ধ হৈ আছে । হুহুৱা ৱাটাৰ ফলৰ ওচৰত কাম কৰিববলৈ মই এক কোটি টকা গড়কাপ্তানি বিভাগৰ পৰা দিছিলো, তাতো কাম কৰিববলৈ দিয়া হোৱা নাই । এই ঘটনা বিলাকে আমাক উন্নয়নৰ ক্ষেত্ৰত বাধা প্ৰদান কৰিছে। অধ্যক্ষ মহোদয়, মই সংশ্লিষ্ট বিভাগৰ মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ কৰিব বিচাৰিছো যে এইটো মাত্ৰ এটা ইছ্যু নহয়, বহুত কেইটা ইছ্যু জড়িত হৈ আছে । সেয়েহে এই ক্ষেত্ৰত আলোচনা কৰি এটা সমাধানৰ সূত্ৰ উলিয়াব লাগে । অধ্যক্ষ মহোদয়, লামম্পি অঞ্চলত বহু নেপালী মানুহ বস-বাস কৰে । এইবোৰ অসমৰে মানুহ । তাতে মেঘালয়ৰ পৰা খাচীয়া মানু হ আহি যথেষ্ট মাটি-বাৰী অন্যায়ভাৱে দখল কৰি তাতে থাকি আহিছে । তেওঁলোকে অসমৰ ভোটাৰ আই,ডি কাৰ্ডও কৰি লৈছে, কিন্তু নিৰ্বাচন বিলাকত তেওঁলোকে ভোট প্ৰদান নকৰে । তেওঁলোকে অসম ভূমিক নিজৰ মাতৃভূমি বুলি নলয় । মই জানিব পৰাত বিভিন্ন ধৰণৰ যিবোৰ ঘটনা ঘটিছে, এই ঘটনাবোৰত বেছিভাগেই কিন্তু খাচীয়া মানুহ জড়িত হৈ আছে । তেওঁলোকৰ মাজতে কিছু চক্ৰ সোমাই এই ঘটনাবিলাক ৰচনা কৰি আমাৰ কামবোৰ বন্ধ কৰি দিয়ে । অধ্যক্ষ মহোদয়, যিখিনি নেপালী মানুহ আছে, তেওঁলোকে কিন্তু আমাক সুৰক্ষা দি আহিছে । আগ্ৰাসনৰ ক্ষেত্ৰত কিন্তু নেপালী মানুহ খিনিয়েই আমাৰ অঞ্চলটো ৰক্ষা কৰি আছে । নেপালী মানুহ খিনিৰ সুৰক্ষা, জীৱনৰ সা-সম্পত্তি, আমাৰ সীমাঞ্চল সুৰক্ষাৰ স্বাৰ্থত চৰকাৰক অনুৰোধ

জনাইছো যে আমি কিছু আঁচনি ল'ব লাগিব ।ইয়াৰ লগে লগে কিন্তু আপাৰ লেভেলত এটা সিদ্ধান্ত হ'ব লাগিব ।এইখিনি মই কলো ।অধ্যক্ষ মহোদয়, যি দুটি পৰিয়ালৰ ঘৰ জ্বলাই দিলে, তেওঁলোকৰ যি ক্ষতি হ'ল, সেই ক্ষতি পূৰণ যাতে দিয়া হয় এইখিনি চাব লাগিব । মই কৈছো যে- তেওঁলোকে কিন্তু আমাৰ ৰোৰ্ডাৰটো চাই আছে । Fight বোৰ তেওঁলোকেই লোকেলি কৰি আছে । কাৰণ ২০১০ চনত যিটো সংঘাট হৈছিলে নেপালী আৰু খাচীয়াৰ মাজত, তেতিয়া ছয় জন নেপালী মানুহৰ মৃত্যু হৈছিলে ।। সেইকা ৰণে আমি তেওঁলোকৰ সুৰক্ষাটো চাব লাগিব ।মই মন্ত্ৰী মহোদয়ক ধন্যবাদ দিব ৰিচাৰিছো যে- মালাংকনা হুহুৰা ৰাটাৰ ফলত যেতিয়া এটা দুৰ্বৃত্তৰ দলে আমাৰ পি,এইচ,চি বিভাগৰ অফিচাৰ সকলক আঘাট প্ৰাপ্ত কৰিছিল আৰু এই কথাটো মই সদনৰ মজিয়াত উথাপন কৰাত তেখেতে অতি সোনকালে এটা আউট-পোষ্ট দিম বুলি ঘোষনা কৰিছিল । আউট-পোষ্টৰ কাৰণে মাটিৰ যিখিনি প্ৰয়োজন আছিল সেইইখনি ইতিমধ্যে চাৰ্কোল অফিচাৰৰ লগত বহি দিয়া হৈছে । কিন্তু কামবোৰ লেহেমিয়া গতিত হৈ আছে । গতিকে কামটো যাতে ক্ষীপ্ৰগতিত হ'য় মন্ত্ৰী মহোদয়ে অলপ চাব লাগে । ২০১০ চনতে সেই অঞ্চলত এটা সংঘৰ্ষ হৈছিল । তেতিয়া লোৱাৰ লাম্পিত এটা আউট-পোষ্ট পাতি দিলে যাৰ ফলত মৌলান বুলি এটা অঞ্চল বিবাদমান অঞ্চল হিচাপে থাকি গ'ল ।তাত আঠ কি:মি: ৰাস্তা মেঘালয়ে নিৰ্মাণ কৰি দিলে ।এতিয়া যিবোৰ ঘটনা ঘটি থাকে-সেই অঞ্চলৰ মানুহ খিনিৰ দ্বাৰাই পৰিচালিত হৈ থাকে । যদি এই মৌলান অঞ্চলটো আমাৰ লব পৰা যায়, তেতিয়া আমাৰ কিছু সমস্যাৰ সমাধান হ'ব বুলি মই ভাবো । কাৰণ Survey of India ৰ মানচিত্ৰত কিন্তু সেইখিনি অসমৰ অঞ্চল ।সেই সময়ত সেই সমস্যাটোৰ সমাধান নহ'ল । Lower Lampy ত আউট-পোষ্টটো পাতি দিয়া হ'ল আৰু আমাৰ কিছু বাদ দিয়া হ'ল । গতিকে মন্ত্ৰী মহোদয়ে এইটো অলপ চাব লাগে । অধ্যক্ষ মহোদয়, তিনিটা চেন্টাৰত অসমৰ তিনিখন স্কুলত মেঘালয় এচেম্বলী ইলেকশ্যনৰ প'লিং হৈছিল । এই কথাটো মই সদনৰ মজিয়াত উথাপন কৰিছিলো ।ইয়াৰ বাহিৰেও কেইবাখনো গাওঁৰ তেওঁলোকে নাম সলনি কৰি তেওঁলোকৰ যিটো কমুনিটি ডেভ'লপমেন্ট ব্লক লিষ্ট আছে তাত অসমৰ গাওঁবোৰৰ নাম, মেঘালয় অঞ্চলৰ গাওঁবোৰৰ নাম তেওঁলোকে লিষ্টেড কৰিছে এই কথাটো মই সদনৰ মজিয়াত উথাপন কৰিছো। ইয়াত কেইবাটাও কথা সাঙোৰ খাই আছে। এই কথাখিনি মন্ত্ৰী মহোদয়ৰ দৃষ্টিআকৰ্ষণ কৰি মোৰ বক্তব্য শেষ কৰিলো।

**শ্ৰী পবিন্দ্ৰ ডেকা, বিধায়কঃ** মাননীয় অধ্যক্ষ মহোদয়, এই সীমা বিবাদটো ১৯৬৩ চনৰ পৰাই চলি আছে। ৮০ ৰ দশকৰ পৰা মেঘালয়, অৰুণাচল, মিজোৰাম এওঁলোকৰ লগতো আৰম্ভ হৈছে। ১৯৭২ চনত ভাৰত চৰকাৰে 'সুন্দৰম আয়োগ' গঠন কৰি দিছিল। 'সুন্দৰম আয়োগে' অসমৰ মাটি তেওঁলোকে যি বে-দখল কৰিছে আৰু সীমাটো ১৯৬৩ চনত যিটো নিৰ্ধাৰণ কৰা হৈছিল, সেইটোৱে বাহাল ৰাখিছিল। কিন্তু তেওঁলোকে নামানিলে। তাৰ পিছত দুখন আয়োগ হ'ল, সেই দুখন আয়োগেও একেধৰণৰ মতামত দিছিলে, নামানিলে। এতিয়া নাগালেণ্ডৰ এই কাৰ্যটো লক্ষ্য ৰাখি বাকী কেইখন ৰাজ্যই বিশেষকৈ অৰুণাচল,মেঘালয়ে ৮০ দশকৰ পিছত আৰু এতিয়া মিজোৰামে ৯০ দশকৰ পিছত আমাৰ বহু ঠাই দখল কৰিছে আৰু দখল কৰিবলৈ উঠি-পৰি লাগি সীমাবিবাদৰ সৃষ্টি কৰি আছে। গতিকে মই চৰকাৰক এটা অনুৰোধ কৰিব বিচাৰিছো , কেন্দ্ৰীয় চৰকাৰক এটা অনুৰোধ কৰিব লাগে যে প্ৰত্যেকখন ৰাজ্যত অসমৰ লগত থকা সীমা সম্পৰ্কীয় একাখন নতুনকৈ আয়োগ গঠন কৰিব লাগে আৰু এই আয়োগক সীমানিৰ্ধাৰণৰ দায়িত্ব দিব লাগে । কাৰণ সীমা নিৰ্ধাৰণ আমি কৰিব

নোৱাৰো, কেন্দ্ৰীয় চৰকাৰেহে কৰিব পাৰে। এইটো মোৰ চৰকাৰলৈ অনুৰোধ থাকিল।

**মাননীয় অধ্যক্ষ ঃ** এই গোটেই বিষয়টো জন্মকালৰে। এইটো প্ৰায় ২০-৩০ বছৰ বিধান সভাত উত্থাপন কৰি অহা হৈছে। মই নিজেও নাগালেণ্ডত দেখিছো। এই ক্ষেত্ৰত কনচেনচাচটো লাগিবই।

**শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী, সংসদীয় পৰিক্ৰমা মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয়া সদস্যা শ্ৰীমতী নন্দিতা দাস ডাঙৰীয়াণীয়ে ৰুল ৫৪ ৰ অধীনত লাম্পিৰ ঘটনাটো সম্পৰ্কত যিটো কথা উত্থাপন কৰিছে, চৰকাৰৰ দৃষ্টিগোচৰ হৈছে। অধ্যক্ষ মহোদয়, এই ক্ষেত্ৰত এটা কথা ঠিক যে ৰাজ্য বিলাকৰ মাজত এটা কনচেনচাচ হ'বই লাগিব, তাৰ বাহিৰে কোনো ৰাস্তা নাই। পবিন্দ্ৰ ডেকা ডাঙৰীয়াই যিটো কথা কৈছে , কথাটো বেয়া নহয়। যদি আয়োগ গঠন কৰি দিয়া হয় বেয়া নহয়, কিন্তু আয়োগ গঠন কৰা মানে আৰু ২৫ বছৰ আয়োগৰ ৰিপোৰ্টৰ কাৰণে ৰব লাগিব। সেইটো এটা কথা আছে। আমাৰ দুয়োফালেই সমস্যা। আয়োগ গঠন কৰিলেও সমস্যা ,নকৰিলেও সমস্যা।

ৰাস্তা বহুত বেয়া। মই যেতিয়া বিৰোধী দলপতি আছিলো তেতিয়া অধ্যক্ষ মহোদয়ৰ লগত মই তালৈকে গৈছিলো। তাত ৰাস্তাটো ভাল হোৱাটো প্ৰয়োজন।কামৰূপ জিলাৰ আৰক্ষীয়ে হওঁক বা চিভিল যেই হওঁক আপোনাৰ এলেকাটো সম্পৰ্কত সকলো এলাৰ্ট আছে। তাত তেওঁলোকৰ এটা ভিজিলেঞ্চও আছে। বাতৰিত উল্লেখ কৰা ধৰণে ঘটনা সন্দৰ্ভত কামৰূপ জিলাৰ আৰক্ষী অধীক্ষক(সীমান্তৰ) পৰা পোৱা প্ৰতিবেদন মৰ্ম্মে জনা যায় যে যোৱা ইং ২৫-০২-২০১৯ তাৰিখে আবেলি অনুমান ৫-১৭ বজাত ৰাভা হাছং স্বায়ত্ব শাসিত পৰিষদৰ অন্তৰ্গত জঙ্গাখুলী সমষ্টিৰ কাৰ্য্যবাহী সদস্য (EM) শ্ৰীযুত অৰ্জুন ছেত্ৰী দেৱে টেলিফোন যোগে বকো থানাৰ ভাৰপ্ৰাপ্ত বিষয়াক জনাই যে উক্ত দিনাই প্ৰায় ৪ টা মান বজাত ৩-৪ জন খাচী সম্প্ৰদায়ৰ লোকে লাম্পি আৰক্ষী চকীৰ অন্তৰ্গত মইনাধৰা হৰ্ষ নগৰ গাওঁত প্ৰৱেশ কৰি নেপালী সম্প্ৰদায়ৰ মানুহৰ ঘৰত জুই লগাই দিয়ে। উক্ত ঘটনাৰ সংবাদ পাই বকো থানাৰ ভাৰপ্ৰাপ্ত বিষয়াই ঘটনা সন্দৰ্ভত বকো থানাৰ দৈনন্দিন পঞ্জীৰ নং ৮৫০ তাং ২৫-০১-২০১৯ ৰুজু দি ঘটনা সংক্ৰান্তত অনুসন্ধানৰ কাৰণে লাম্পি আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়াক দায়িত্ব দিয়াত তেওঁ উক্ত ঘটনা স্থলীলৈ দুবৃত্ত সকলক আটক কৰাৰ উদ্দেশ্যে ৰাওনা হৈছিল যদিও আৰক্ষীয়ে উক্ত স্থানত গৈ পোৱাৰ আগতে দুৰ্বৃত্ত কেইজনে ঘটনা সংঘটিত কৰি মেঘালয়ৰ দিশে পলায়ন কৰে। আৰক্ষী ঘটনা স্থলীত উপস্থিত হৈ ঘটনাৰ স্বজমিন তদন্ত কৰে আৰু পৰিস্থিতি নিয়ন্ত্ৰণ কৰে।

উক্ত ঘটনা সন্দৰ্ভত যোৱা ২৬-০১-২০১৯ তাৰিখে মইনাধৰা গাওঁৰ নিবাসী শ্ৰী বাহাদুৰ ৰায়, পিতা- শ্ৰী ইন্দ্ৰ বাহাদুৰ চেত্ৰীয়ে বকো থানাৰ ভাৰপ্ৰাপ্ত বিষয়াক এখন লিখিত এজাহাৰ দাখিল কৰি জনাই যে যোৱা ইং ২৫-০১-২০১৯ তাৰিখে আনুমানিক আবেলি ৪ মান বজাত ৭ জন অচিনাক্ত লোকে তেখেতৰ ঘৰটোৰ লগতে আন দুজন ব্যক্তি ক্ৰমে (১) শ্ৰীমতী বুধিমায়া ৰায়, স্বামী- মৃত বিৰচা বাহাদুৰ ৰায় (২) শ্ৰী বিৰ বাহাদুৰ ৰায়, পিতা- মৃত ৰাম বাহাদুৰ ৰায় এ বসবাস কৰা ৩ টা খেৰী ঘৰ জ্বলাই ভস্মীভূত কৰে। দুৰ্বৃত্ত কেইজনে খাচী ভাষাত কথা বতৰা পাতিছিল আৰু ঘটনা সংঘটিত কৰি পলাই যায়। এই এজাহাৰ মৰ্ম্মে বকো থানাত গোচৰ নং ৭০/১৯ ভাৰতীয় দণ্ড বিধি আইনৰ ৪৩৬/৩৪ ধাৰাত মোকৰ্দমা এটা ৰুজু কৰি তদন্ত অব্যাহত ৰখা হয়।

তদন্ত কালত গোচৰ তদন্তকাৰী বিষয়াই ঘটনাস্থলীৰ মানচিত্ৰ, ক্ষয়ক্ষতি আৰু সাক্ষীবাদী সোধ-পোচ কৰি জবান বন্দী লিপিবদ্ধ কৰে আৰু গোচৰীয়া ও সাক্ষীগণে এজাহাৰত দিয়া কথাখিনি সমৰ্থন কৰি বক্তব্য ৰাখে।

তদন্তকালীন অৱস্থাত ঘটনাত জড়িত থকাৰ সন্দেহত আৰ্কিংৰেল, পিতা- অলিবৰ, গাওঁ -

ইকোনগোমা , থানা - নং ষ্টেন, জিলা- পশ্চিম গাৰো পাহাৰ (মেঘালয়) নামৰ এজন লোকক সোধপোছ কৰাৰ উদ্দ্যেশ্যে আৰক্ষীয়ে আটক কৰে। পিছত তেওঁক উক্ত ঘটনাত জড়িত থকাৰ কোনো প্ৰমাণ নোপোৱাত যাবলৈ দিয়া হয়। পিছত গোপনীয় সুত্ৰৰ পম খেদি জানিব পৰা যায় যে “SHYANG VALANG” নামৰ খাছী সংগঠনৰ লোকে উক্ত অগ্নি কাণ্ডটো সংঘটিত কৰিছিল।

খাছী আৰু নেপালী সম্প্ৰদায়ৰ মাজত যাতে ভৱিষ্যতে শান্তি-সম্প্ৰীতি বৰ্তি থাকে তাৰ কাৰণে আৰক্ষী বিভাগৰ ফালৰ পৰা যথোপযুক্ত ব্যৱস্থা গ্ৰহণ কৰা হৈছে। উক্ত এলেকাত দিনটোৰ সকলো সময়তে আৰক্ষীৰ পহৰাৰ ব্যৱস্থা কৰা হৈছে। পশ্চিম খাছী পাহাৰ জিলাৰ আৰক্ষী অধীক্ষক আৰু নংষ্টেন থানাৰ লগত যোগাযোগ চলাই থকা হৈছে, যাতে উক্ত ঘটনাত জড়িত অপৰাধী সকলক চিনাক্ত আৰু কৰায়ত্ব কৰিব পৰা যায়। দুস্কৃতিকাৰীক কৰায়ত্ব কৰাৰ উদ্দ্যেশ্যে বকো থানাৰ উপপৰিদৰ্শক আফাজুদ্দিন তথা লাম্পি পি.পি ভাৰপ্ৰাপ্ত বিষয়া সহকাৰী উপ-পৰিদৰ্শকৰ নেতৃত্বত এটি পুলিছ দল মেঘালয়ৰ নংষ্টেন থানালৈ ৰাওনা হয়। এই সম্পৰ্কে বকো থানাৰ দৈনিক পঞ্জী নং -১০৩৭ তাং- ৩০-০১-২০১৯ অন্তৰ্ভুক্ত আছে। কিন্তু এতিয়ালৈকে কোনো অপৰাধী কৰায়ত্ব হোৱা নাই। গোচৰটো বৰ্তমান তদন্তাধীন অৱস্থাত আছে।

বাতৰিত প্ৰকাশ পোৱা ধৰণে অসম বিদেশী চক্ৰই লাম্পিত থলুৱা বাসিন্দাক খেদি পঠিয়াবলৈ কৰা ষড়যন্ত্ৰৰ কথাটো সত্য নহয় আৰু গোচৰীয়াই দাখিল কৰা এজাহাৰ খনতো তেনেধৰণৰ কথাৰ উল্লেখ নাই।

বৰ্তমান উক্ত অঞ্চলৰ পৰিস্থিতি নিয়ন্ত্ৰণ হৈছে। তাৰ উপৰিও যিখিনি মানুহ ইতিমধ্যে ভস্মীভূত হৈছে ইয়াৰ লগত কিছু খাছী সম্প্ৰদায়ৰ দ্বাৰা গঠিত “চায়াং-ৱালাং” নামৰ এক সংগঠনৰ সদস্যই উক্ত ঘটনাটো সংঘটিত কৰে । এইক্ষেত্ৰত ১) ৰেট্‌লি থংনি আৰু ২) জেলেউ মাৰৰিং নামৰ দুজন আপাৰ লাম্পিৰ যুৱকক আটক কৰিবলৈ আৰক্ষীয়ে চেষ্টা কৰি আছে।

এই বিষয়ে কামৰূপ জিলাৰ আৰক্ষী অধীক্ষকে পশ্চিম খাছী পাহাৰ জিলাৰ পুলিছৰ লগত যোগাযোগ কৰি এটা পুলিছৰ দল নংষ্টেন থানালৈ ৩০ জানুৱাৰীৰ দিনা প্ৰেৰন কৰে। যথেষ্ট প্ৰচেষ্টাৰ স্বতেও দুখী সকলক এতিয়ালৈ কৰায়ত্ব কৰিব পৰা হোৱা নাই।

আজি ২২-০২-২০১৯ তাৰিখেও কামৰূপ জিলাৰ উপায়ুক্তই এই সংক্ৰান্তত পশ্চিম খাছী পাহাৰ জিলাৰ উপায়ুক্ত আৰু পুলিছৰ লগত মিটিং কৰিলে যাতে এনেকুৱা ঘটনা ভৱিষ্যতে নহয় আৰু সেই অঞ্চলত যাতে শান্তি-সম্প্ৰীতি বিৰাজ কৰে।

অসম পুলিছ লাংম্পি অঞ্চলত যথেষ্ট কৰ্মঠ আৰু কাৰ্য্যক্ষম হৈ থকাৰ কাৰণে বহু ষড়যন্ত্ৰকাৰীৰ প্ৰচেষ্টা ব্যৰ্থ হৈছে। যোৱা ১৪ ফেব্ৰুৱাৰীৰ দিনাও অসমৰ মাটিত বৈদ্যুতিক সংযোগ স্থাপনৰ এক প্ৰচেষ্টা ব্যৰ্থ কৰা হয়।

গতিকে আমাৰ জিলাৰ পুলিছ প্ৰশাসন আৰু চিভিলে এই অঞ্চলৰ প্ৰতি চোকা নজৰ ৰাখি আছে আৰু এনেকুৱা ঘটনা পুনৰায় নহ'বৰ বাবে চৰকাৰে ব্যৱস্থা কৰিব আৰু আমি নোহোৱাটোকে কামনা কৰিছো। এইক্ষেত্ৰত ক্ষতিপুৰণৰ সম্পৰ্কে মই মাননীয় বিধায়িকা গৰাকীক জনাম আৰু লেহেমীয়া হৈ থকা থানাৰ কামখিনি যাতে ক্ষীপ্ৰ গতিত হয় তাৰ বাবে মই আজিয়েই জনাম। এইক্ষেত্ৰত বিধায়িকা হিচাবে আপোনাৰো সহযোগিতা লাগিব। সহযোগিতাৰ মাজেৰে আমি ৰাজ্য সমূহৰ লগত উচ্চ পৰ্য্যায়ত এটা কনচেনচাচ কৰিব লাগিব আৰু এই সমস্যাবিলাকৰ সমাধান কৰিব লাগিব। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় বিধায়ক শ্ৰী আমিননুল ইছলাম ডাঙৰীয়াৰ ৩০১ নং নিয়মৰ অধীনতএটা

প্ৰশ্ন আছিল। তেখেত অনুপস্থিত । যিহেতু ৩০১ ত নাই, সেয়েহে আমি ইয়াৰ পৰৱৰ্ত্তী কাৰ্য্যসূচী নং-৪লৈ যাব বিচাৰিছো। আমাৰ স্থগিত সংকল্প প্ৰস্তাৱ যিটো মাননীয় সদস্য পদ্ম হাজৰিকাৰ আছিল, যোৱাবাৰ আমাৰ ইয়াত সকলোৱে কোৱা শেষ কৰিলে। প্ৰস্তাৱটো আছিল ৰাজ্যখনৰ বেছি সংখ্যক সংৰক্ষিত বনাঞ্চলত বিগত বহু বছৰ ধৰি কিছু লোকে বসবাস কৰি থকাৰ ফলত উক্ত বনাঞ্চলসমূহ চৰকাৰে দখল মুক্ত কৰিব পৰা নাই আৰু নতুনকৈ গছপুলি ৰোপণকে আদি কৰি কোনো ধৰণৰ চৰকাৰী আঁচনি ৰূপায়ণ কৰিব পৰা নাই। যিহেতু বিষয়টো স্পৰ্শকাতৰ, সেয়েহে বনাঞ্চল ৰক্ষাৰ স্বাৰ্থত আৰু মানৱীয়তাৰ খাতিৰত এক বিধি-ব্যৱস্থাৰ মাজেৰে উক্ত অঞ্চল সমূহত বছৰ বছৰ ধৰি বসবাস কৰি থকা থলুৱা ভূমিহীনক ভূমি প্ৰদানৰ স্বাৰ্থত বৰ্তমান ৰাজ্যখনৰ সংৰক্ষিত বনাঞ্চল সমূহৰ কিছু শতাংশ সংখ্যক বনাঞ্চল অ-সংৰক্ষিত বনাঞ্চল হিচাপে ঘোষণা কৰাৰ বাবে কেন্দ্ৰীয় চৰকাৰলৈ প্ৰস্তাৱ প্ৰেৰণ কৰা হ'ব। এইটো আছিল প্ৰস্তাৱ। প্ৰস্তাৱটো যিহেতু সকলোৱে ক'লে, মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিম যে যিহেতু বন মন্ত্ৰী ডাঙৰীয়াই আপোনাক দায়িত্ব দি গৈছে বুলি জনাইছে। গতিকে ইয়াৰ উত্তৰ দিবলৈ অনুৰোধ কৰিলো।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, মাননীয় মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ সন্মানীয় সদস্য শ্ৰী পদ্ম হাজৰিকা ডাঙৰীয়াই যি সংকল্প প্ৰস্তাৱ ইয়াত দাঙি ধৰিছিল, সেই সংকল্প প্ৰস্তাৱৰ ওপৰত আমাৰ মাননীয় বহু কেইজন সদস্যই ইয়াত অংশ গ্ৰহণ কৰিছিল আৰু নিজৰ মতামত দাঙি ধৰিছিল। আমাৰ ভূবন পেগু ডাঙৰীয়াক মই লগ পাওঁতে তেওঁ কৈছিল যে তেওঁ এইটোৰ ওপৰত ক'বই লাগিব। কাৰণ এইটো তেওঁৰ বিষয় বস্তু হয়। তেওঁ এই ক্ষেত্ৰত এটা সাৱলীল বক্তব্য দাঙি ধৰিছিল। অশোক সিংহল ডাঙৰীয়াইও ধুনীয়া কথা কৈছিল কাৰণ তেওঁৰ সমষ্টিতো বনাঞ্চল আছে। য'ত এনেকুৱা সমস্যা হৈ আছে। এনেকুৱা বিভিন্ন আমাৰ মাননীয় সদস্য সকলে এই বনাঞ্চল সম্পৰ্কত পদ্ম হাজৰিকা ডাঙৰীয়াৰ যিটো প্ৰস্তাৱ, এই প্ৰস্তাৱৰ ওপৰত বহুখিনি বক্তব্য দাঙি ধৰিছে। গতিকে এই ক্ষেত্ৰত অধ্যক্ষ ডাঙৰীয়া, এইটো এটা ডাঙৰ সমস্যা আৰু এই সমস্যাটো আচলতে সমাধান হোৱাটো উচিত। বহুত মানুহ এই বনাঞ্চলত বসবাস কৰি আছে। তেওঁলোকে পট্টা পোৱা নাই, সুবিধা পোৱা নাই। কালিও আমাৰ P&RD ৰ আলোচনা কৰোতে মাননীয় সদস্য ৰবিৰাম নাৰ্জাৰী ডাঙৰীয়াই কৈছিল যে আমাৰ বোৰ্ডাৰ অঞ্চলত PMAY ৰ ঘৰ দিয়া হোৱা নাই। কিন্তু বাকী ৰাজ্য সমূহত দিয়া হৈছে। আমি এই কাৰণেই দিব পৰা নাই যে সেইবোৰত মাটি পট্টা নাই আৰু বেছিভাগেই ফৰেষ্ট লেণ্ড। বেছিভাগেই ফৰেষ্ট লেণ্ড হোৱা কাৰণে ফৰেষ্টৰ ফালৰ পৰা Clearence নোহোৱা কাৰণে আৰু মাটিৰ পট্টা নথকা কাৰণে আমি দিব পৰা নাই। এনেকুৱা ধৰণৰ বহুখিনি সমস্যা আছে। এইটো কথাৰ লগে লগে আমি আৰু এটা কথা মনত ৰাখিব লাগিব যে আমাৰ বনাঞ্চলসমূহ ৰক্ষা কৰাৰ দায়িত্ব সকলো লোকৰে আছে। কাৰণ Ecological Balance এটা আমি ৰক্ষা কৰিব লাগিব। কাৰণ গছ থাকিলেহে মানুহ জীয়াই থাকিব। Ecological Balance এটা আমি ৰক্ষা কৰিবলৈ হ'লে সৰ্ব্ব মুঠ মাটিকালিৰ ৩৩.৩ শতাংশ গছ থাকিব লাগিব। আমি কাৰ্বন-ডাই-অক্সাইড এৰি দিওঁ, সেইটো গছে গ্ৰহণ কৰে আৰু গছে অক্সিজেন এৰি দিয়ে আমি গ্ৰহণ কৰো। গছ আৰু মানুহ এনেকৈ জীয়াই থাকে। বৰ্তমান সময়ত এই পৰিৱেশটো বেয়া হৈ যোৱাৰ বাবে আজিৰ পৃথিৱীত ডাঙৰ বিষয় হৈছে-Global Warming আৰু এই বিষয়টো গোটেই বিশ্ব চিন্তিত হৈছে। গতিকে যোৱা বছৰ ফ্ৰান্সত Global Warming লৈ গোটেই বিশ্বৰ সকলো দেশে একমত হৈছিল। কিন্তু আমেৰিকাই একমত নোহোৱাৰ কাৰণে ওপৰৰ যিটো লেয়াৰ গৰম হৈ গ'ল, সেইটো ঠাণ্ডা কৰাত অসুবিধা হ'ল। সেয়েহে Global Warming

টো গোটেই বিশ্বত ১ নং বিষয় হৈ পৰিছে। এই সংক্ৰান্তত আমাৰ পাৰিপাৰ্শ্বিকতা ভালকৈ ৰক্ষা কৰিবলৈ হ'লে, এটা ভাল পৰিৱেশত জীয়াই থাকিবলৈ হ'লে আমি বনাঞ্চলো ৰক্ষা কৰিব লাগিব। কাৰণ বনানঞ্চল ৰক্ষা নকৰিলে আমি যদি মানুহৰ চিন্তাত বনাঞ্চলসমূহ মুকলি কৰি দিওঁ, তেতিয়া যিবিলাক মানুহ তাৰ ভিতৰত বা বাহিৰত থাকিব সকলোৰে বাবে বিপদজনক হ'ব। আমি এটা Ecological Balance ত যাব লাগিব। অসমখনত এই Ecological Balance বহুখিনি আছে। আগতে আমি সৰুতে যেতিয়া গোৱালপাৰাৰ ফালে গৈছিলো ৰাস্তাৰ দুয়োকাষে বহুত গছ আছিল। কিন্তু বৰ্তমান নাই। সৰুতে আমি যেতিয়া কোকৰাঝাৰ, বাচবাৰী আদিলৈ গৈছিলো ৰাস্তাৰ দুয়ো কাষে বহুতো গছ আছিল। ৰাস্তাৰ দুয়োকাষে শাল আদি বহুতো গছ আছিল যে আমি দিনতে যাবলৈ ভয় কৰিছিলো। কিন্তু বৰ্তমান বহুখিনি গৈছে। কিন্তু পশ্চিমবঙ্গত এওঁলোকৰ ইমান গছ নাই। কিন্তু বেঙ্গলৰ পৰা যেতিয়া শিলিগুৰি, চিকিমলৈ যোৱা হয়, দেখা যায় যে ৰাস্তাৰ দুয়োফালে বহুত চেগুন গছ তেওঁলোকে সংৰক্ষণ কৰিছে। এইটো দেখি মোৰ বহুত ভাল লাগিছে। কিন্তু আমাৰ ইয়াত গছ সংৰক্ষণৰ এই ব্যৱস্থাটো নাই। সেইকাৰণে মই ভাৱো আমি সকলোৱে গছ সংৰক্ষণ আৰু গছ ৰুব লাগে। মোৰ এটা কথা খুব ভাল লাগিছে যে মোৰ সমষ্টিত দুটা চাৰ্কোল আছে, এটা বাণেকুছি চাৰ্কোল আৰু পশ্চিম নলবাৰী চাৰ্কোল। তাত মোৰ নিজৰ ঘৰ । বাণেকুছি চাৰ্কোলত আগতে ইমান গছ আছিল যে দিনতে যাবলৈ চিন্তা হৈছিল। কিন্তু বৰ্তমান একেবাৰে মুকলি হৈ গৈছে। মই এই কথাখিনি এবাৰ মিটিঙত কৈছিলো আৰু আমাৰ তাত নতুনকৈ যোৱা CO এগৰাকীয়ে মোক কৈছিল যে তেওঁ এইকেইটা দিনৰ ভিতৰত ১১,৫০০ গছ পুলি ৰুইছে আৰু বাচিও আছে। মানুহবিলাকক এই সম্পৰ্কে দায়িত্বও দিছে। এটা সামাজিক বনানিকৰণৰ কাম ৰাইজৰ সহযোগত তেওঁ নিজে আৰম্ভ কৰিছে। আমি প্ৰত্যেকেই যদি এনেকৈ এই দায়িত্ব খিনি পালন কৰো তেতিয়াহ'লে অদূৰ ভৱিষ্যতত এই পৰিপাৰ্শ্বিকতাটো ৰক্ষা হ'ব আৰু মানুহ আৰু প্ৰকৃতিৰ মাজত যিটো সম্পৰ্ক মানুহসকলক জীয়াই ৰাখে এইটো অতি ভাল হ'ব। এই সংক্ৰান্তত মই এটা বিবৃতি দিব বিচাৰিছো। মাননীয় সদস্য পদ্ম হাজৰিকা দেৱৰ প্ৰস্তাৱৰ ওপৰত সদস্যসকলে যি বক্তব্য ৰাখিছে তাৰ ওপৰত ভিত্তি কৰি এটা বক্তব্য দাঙি ধৰিব বিচাৰিছো।

ৰাজ্যখনৰ ৩১২খন সংৰক্ষিত বনাঞ্চলৰ মুঠ মাটিকালি ১৩,৫৪,৪৬৭.৬২ হেক্টৰ। ইয়াৰে ৩,৭৩,৮৭৬.৯৫ হেক্টৰ মাটিকালি বেদখল হৈ আছে। আনহাতে ৫ খন ৰাষ্ট্ৰীয় উদ্যানৰ মুঠ মাটিকালি ১,৯৭,৮২৬.০০ হেক্টৰ আৰু ১৮ খন অভয়াৰণ্যৰ মাটিকালি ১,৮৭,০০৮.১০ হেক্টৰ। ইয়াৰে ক্ৰমে ৩,৯৭১.০০ হেক্টৰ আৰু ১০,০৩৭.৫০ হেক্টৰ মাটিকালি বেদখলৰ কবলত আছে।

ইয়াৰ ভিতৰত সীমামূৰীয়া ৰাজ্য ক্ৰমে নাগালেণ্ড, অৰুণাচল প্ৰদেশ, মেঘালয়, মিজোৰাম, ত্ৰিপুৰাই সৰ্ব্বমুঠ ৭৮,৬৩০ হেক্টৰ ভূমি সীমা বিবাদ হৈ দখলত আাছে। অসম-নাগালেণ্ড সীমা বিবাদ সম্পৰ্কত Original Suit No. 2 of 1988 আৰু অসম-অৰুণাচল প্ৰদেশ সীমা বিবাদ সম্পৰ্কত Original Suit No. 2 of 1989 Case মৰ্ম্মে মহামান্য উচ্চতম ন্যায়ালয়ত গোচৰ বিচাৰাধীন হৈ আছে। এই সম্পৰ্কত ৰাজ্যচৰকাৰৰ ফালৰ পৰা মহামান্য উচ্চতম ন্যায়ালয়ত শপত নামা দখিল কৰা হয়। মাননীয় অধ্যক্ষ মহোদয় মই আপোনাক জনাব বিচাৰিছো যে ইতিমধ্যে এইবিলাক গোচৰ ইয়াতে চলি আছিল আৰু সেই সংক্ৰান্তত আমাৰ সকলো ৰাজ্যই যেতিয়া affidavit দাখিল কৰিছিল, ইতিমধ্যে যোৱা ২০-০২-২০১৯ তাৰিখে ভাৰতৰ সৰ্বোচ্চ ন্যায়ালয়ে এটা গোচৰত এক গুৰুত্বপূৰ্ণ ৰায় প্ৰদান কৰিছে । Forest Rights Act ৰ অধীনত যিবোৰে আবেদন নাকচ কৰা হৈছে সেই সকল লোকক গোচৰৰ পৰৱৰ্তী শুনানিনৰ আগতেই বনাঞ্চলৰ পৰা উচ্ছেদৰ

নিৰ্দেশ দিছে। পৰৱৰ্তী শুনানি অহা ২৪ জুলাইত হ'ব আৰু আমাৰ ৰাজ্যৰ মুখ্য সচিবে ১২ জুলাইৰ ভিতৰত শপত নামা দাখিল কৰিব লাগিব। আমাৰ শপত নামাত এই কথাটো স্পষ্ট কৰিব লাগিব যে যদি উচ্ছেদ কৰা নাই, তেন্তে কিয় কৰা নাই আৰু যদি উচ্ছেদৰ পদক্ষেপ গ্ৰহণ কৰা হৈছে তেন্তে উচ্ছেদ সমাপন কৰিব লাগিব। বিষয়টো চৰকাৰে গুৰুত্ব সহকাৰে লৈ পৰ্যালোচনা কৰি মহামান্য আদালতৰ নিৰ্দেশ মৰ্মে ব্যৱস্থা গ্ৰহণ কৰিব।

সংৰক্ষিত বনাঞ্চল সমূহত ৪৯৯ খন বন গাওঁ আছে। উক্ত বন গাওঁ সমূহৰ মুঠ মাটিকালিৰ পৰিমাণ ৫৩৮.৩৫ বৰ্গ কিঃমিঃ আৰু মুঠ জনসংখ্যা হ'ল ২,৩৪,১১৩ জন। বিগত সময়ছোৱাত ৰাজ্যখনত নতুন চৰকাৰে দায়িত্ব লোৱাৰ সময়ৰ পৰা ২৫৯৬.২২৪ হেক্টৰ বনভূমি বেদখলমুক্ত কৰা হয়। তাৰোপৰি, পুঁজিৰ আৱণ্টন সাপেক্ষে বন সংমণ্ডল বিষয়াই বেদখলকাৰী সকলক উক্ত জিলাৰ প্ৰশাসন আৰু জিলা আৰক্ষী অধীক্ষকৰ সহযোগত আইন মতে বেদখল মুক্ত কৰাৰ কাৰ্য সময়ে সময়ে সম্পাদন কৰি থাকে।

Scheduled Tribes and Other Traditional Forest Dwellers (Recognition of Forest Rights) Act, 2006 অনুসৰি বিশেষ কিছুমান ক্ষেত্ৰত বনাঞ্চলত বাস কৰি থকা অনুসূচিত জনজাতি আৰু অন্যান্য লোকক বনাঞ্চলত থকাৰ সুবিধা প্ৰদান কৰাৰ ব্যৱস্থা আছে। যি সকল জনজাতি লোকে ১৩ ডিচেম্বৰ, ২০০৫ চনৰ আগতে বনাঞ্চলৰ ওপৰত নিৰ্ভৰশীল হৈ বসবাস কৰি আছে তেনে যোগ্য লোকক বনাঞ্চলত থকাৰ অধিকাৰ দিয়াৰ ব্যৱস্থাও আছে। ঠিক তেনেদৰে, অজনজাতীয় লোকসকলে তিনি পুৰুষ অৰ্থাৎ ৭৫ বছৰ বনাঞ্চলৰ ওপৰত নিৰ্ভৰশীল হৈ থাকিলে তেনে যোগ্য লোককো বনাঞ্চলত থকাৰ অধিকাৰ দিয়াৰ ব্যৱস্থা আছে। এই ক্ষেত্ৰত আইনগত ভাৱে গাওঁ সভা, Sub-divisional Level Committee আৰু District Level Committee সমূহক কৰ্তৃত্ব প্ৰদান কৰা হৈছে, যিয়ে সকলো বিষয় চোৱা-চিতা কৰি আবেদন সাপেক্ষে বনাঞ্চলত বসবাস কৰা যোগ্য লোকক অনুমতি প্ৰদান কৰে। ইতিমধ্যে এনে ৩২,৮৯৭ জন জানজাতি আৰু ৮২২ জন অন্যান্য পৰম্পৰাগত বনবাসী লোকক বনাঞ্চলত থাকিবৰ বাবে আইনগত ভাৱে নথি প্ৰদান কৰা হৈছে। আনহাতে, ৩৯,৭২০ জন লোকৰ আবেদন District Level Committee য়ে অযোগ্য বিবেচনা কৰি অগ্ৰাহ্য কৰিছে।

ভাৰতীয় বন নীতি অনুসৰি অসমত ৩৩% বনভূমি থাকিব লাগে কিন্তু ভাৰতীয় বন জৰীপৰ তথ্য মতে ৩৫.৮৩% চিনাক্ত কৰা হৈছে, এই তথ্য সৰ্বমুঠ ভৌগোলিক মাটি-কালিৰ আধাৰত নিৰূপণ কৰা হৈছে। এই মুক্ত হোৱা বনাঞ্চলৰ পৰিমাণ বৃদ্ধি হোৱাৰ কাৰণে ইয়াক হ্ৰাস কৰিবৰ বাবে বন বিভাগে বিভিন্ন বৃক্ষৰোপণ আঁচনিৰ জৰিয়তে অহৰহ চেষ্টা চলাই আছে।

ইতিমধ্যে বেদখল-মুক্ত অঞ্চল সমূহত CAMPA, APFBC আৰু সামাজিক বনানীকৰণৰ জৰিয়তে ৩০,৬৯৭.৯ হেক্টৰ ভূমিত বৃক্ষ ৰোপণ কৰা হৈছে আৰু ১,৮৩,৬৭,৫৩৯ টা বিভিন্ন ধৰণৰ গছপুলি ৰাইজৰ মাজত বিতৰণ কৰা হৈছে।

উল্লেখযোগ্য যে, এই বনাঞ্চল সমূহত মুঠ হাতীৰ সংখ্যা ৫,৭১৯ টা আৰু ১৬৩ টা ঢেকীয়াপতীয়া বাঘৰ সংখ্যা বৃদ্ধি পাইছে যি বনাঞ্চলৰ স্বাস্থ্যৰ পৰিপূৰক। যদি বনাঞ্চলত ভূমি হীনক মাটিৰ পট্টা দিয়া হয়, বনাঞ্চলৰ বনভূমিৰ মান হ্ৰাস হ'ব আৰু বন্য প্ৰাণীৰ উপৰিও পৰিৱেশত ইয়াৰ যথেষ্ট প্ৰভাৱ বিস্তাৰ কৰিব। তদুপৰি, ৰাষ্ট্ৰীয় বন সংৰক্ষণ আইন, ১৯৮০ (সংশোধনী, ১৯৮৮)ৰ মতে এনে কোনো বনাঞ্চল মুক্ত কৰাৰ নিয়ম নাই। তদুপৰি এই আইনৰ অধীনত ৰাজ্যখনৰ বিভিন্ন উন্নয়নমূলক কামৰ বাবে ৪,০৩৫.৩৪১ হেক্টৰ ভূমিত অনুমতি প্ৰদান কৰা হৈছে।

আন্তঃৰাষ্ট্ৰীয় সমীক্ষা মতে প্ৰতি হেক্টৰ বনভূমিৰ গড় অনুপাতে ৬১.১০ টন কাৰ্বন আহৰণ কৰে। পৰিৱেশ সুচল কৰি ৰাখিবৰ বাবে এনে বনাঞ্চলৰ সংৰক্ষণ আৰু সঠিক পৰিচালনা নিতান্ত প্ৰয়োজন।

বৰ্তমান প্ৰচলিত আইন অনুসৰি কোনো ধৰণৰ সংৰক্ষিত বনাঞ্চলৰ মাটি অসংৰক্ষিত হিচাপে ঘোষণা কৰাৰ ব্যৱস্থা নাই।

বনাঞ্চলৰ ওপৰত নিৰ্ভ্ৰশীল লোক আৰু বনাঞ্চল ধ্বংস কৰি বনাঞ্চলৰ মাটি দখল কৰা লোকক পৃথকে পৃথকে চোৱাৰ প্ৰয়োজন আছে নহ'লে বনাঞ্চল সংৰক্ষণ সম্ভৱ নহ'ব। প্ৰয়োজন সাপেক্ষে বেদখল উচ্ছেদ কৰাটো দৰকাৰ।

বিভিন্ন সময়ত বিভিন্ন অধিসূচনাৰ সংৰক্ষিত বনাঞ্চল, ৰাষ্ট্ৰীয় উদ্যান আৰু অভয়াৰণ্য সমূহ চৰকাৰে ঘোষণা কৰি আহিছে। শেহতীয়াকৈ বহু বছৰ ধৰি প্ৰস্তাৱিত সংৰক্ষিত বনাঞ্চল হিচাপে পৰি ৰোৱা গোলাঘাট জিলাৰ দেওঁপাহাৰ অঞ্চলক সংৰক্ষিত বনাঞ্চল হিচাপে ঘোষণা কৰা হ'ল। প্ৰাকৃতিক ভাৰসাম্য ৰক্ষাৰ বাবে এনে ধৰণৰ পদক্ষেপ লোৱাৰ প্ৰয়োজন আছে। ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰৰ শোণিতপুৰ জিলাৰ নামেৰি ৰাষ্ট্ৰীয় উদ্যান হিচাপে ঘোষণা কৰা হৈছিল ১৯৯৮ চনত। পৰৱৰ্তী সময়ত নামেৰিক ব্যাঘ্ৰ সংৰক্ষিত বনাঞ্চল হিচাপে ঘোষণা কৰা হয়। এনে পদক্ষেপৰ ফলত নামেৰি বনাঞ্চলত বিভিন্ন প্ৰজাতিৰ আপুৰুগীয়া বন্য প্ৰাণীৰ সংৰক্ষণ সম্ভৱ হৈছে।

অসমৰ বনাঞ্চল সমূহত থকা সকলো বেদখলকাৰী উচ্ছেদ কৰি বনাঞ্চল সমূহ বৰ্তমানলৈকে সম্পূৰ্ণ বেদখলমুক্ত কৰিব পৰা হোৱা নাই। বিভিন্ন সময়ৰ Satellite Imagery ৰ দ্বাৰা বেদখলৰ সময় নিৰূপণৰ ব্যৱস্থা কৰিব পৰা যায়। যদিওবা বেদখলকাৰী লোকে বিভিন্ন সময়ত বনাঞ্চলত বহু বছৰ ধৰি বসবাস কৰাৰ কথা প্ৰকাশ কৰে, বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ জৰিয়তে আমি এনেবোৰ কথাৰ সত্যাসত্য নিৰূপণ কৰিব পাৰো।

বনাঞ্চলত ভূমিহীন লোকে যদি বেদখল কৰি আছে তেনে লোকে চৰকাৰী নীতি অনুসৰি মাটিৰ বাবে জিলা উপায়ুক্তক আবেদন কৰিব পাৰে। সমগ্ৰ জীৱ-জগতৰ বাবেই বনাঞ্চলৰ প্ৰয়োজন। বনাঞ্চলৰ মাটি ভাগ কেৱল শস্য উৎপাদনৰ স্বাৰ্থতে ব্যৱহাৰ কৰিবলৈ আমি কোনেও দিব নোৱাৰো। সেয়েহে, বনাঞ্চল আৰু ভূমিহীন লোক, এই দুয়োকে মৰ্য্যাদা সহকাৰে চোৱা-চিতা কৰাটো দৰকাৰ।

জীৱ-জন্তু আৰু মানুহৰ সংঘাতৰ বিষয়টোৱে আজি সকলোকে উদ্বিগ্ন কৰি আহিছে। ইয়াৰ এক নিৰাময়ৰ সূত্ৰ বিচাৰি উলিওৱাটো আমাৰ সকলোৰে বাবে দৰকাৰ। এইটো সত্য যে বনাঞ্চল যদি সংৰক্ষিত কৰি ৰাখিব পৰা নাযায়, এনে সংঘাতৰ নিৰাময় সম্ভৱ নহ'ব। পৃথিৱীত আমাৰ স্থিতি নিশ্চিত কৰাৰ স্বাৰ্থতেই আমি জীৱ-জগতৰ সকলো প্ৰাণী, উদ্ভিদৰ সংৰক্ষণ নিশ্চিত কৰিব লাগিব। যেনেদৰে আমি কোনো লোকৰ মৌলিক অধিকাৰ খৰ্বৰ পোষকতা নকৰো ঠিক তেনেদৰে আমি বিভিন্ন জীৱ-জগতৰ মৌলিক অধিকাৰো খৰ্ব কৰিব নোৱাৰো। জীৱ-জন্তু বাস কৰাৰ বাবে এখন বনাঞ্চল পোৱাটো জীৱ-জন্তুৰ মৌলিক অধিকাৰ। তাক আমি সন্মান জনাবই লাগিব।

আজি আমি সকলোৱে Global Warming ৰ কথা উপলব্ধি কৰিছো। বনাঞ্চল সংৰক্ষণ, সংবৰ্ধন আৰু গছপুলি ৰোপণ, প্ৰতিপালন আজিৰ সময়ৰ আহ্বান। বৰ্তমান প্ৰচলিত আইনৰ গণ্ডীৰ ভিতৰত সকলো সমস্যা সমাধান কৰাটো বৰ্তমানৰ আহ্বান।

কিন্তু, বিষয়টো যিহেতু অতি গুৰুত্বপূৰ্ণ আৰু স্পৰ্শকাতৰ সেয়েহে এখন উচ্চ পৰ্যায়ৰ সমিতি গঠন কৰি বিষয়টোৰ পুংখানুপুংখ অধ্যয়নৰ প্ৰয়োজন আছে আৰু তেনে সমিতিৰ প্ৰতিবেদন বিশ্লেষণ কৰি পৰৱৰ্তী পদক্ষেপ গ্ৰহণ কৰাটো বিবেচনা কৰা হ'ব।

গতিকে অধ্যক্ষ মহোদয়, মাননীয় পদ্ম হাজৰিকা ডাঙৰীয়াই যিটো সংকল্প প্ৰস্তাৱ আনিছিল এই প্ৰস্তাৱটোৰ ক্ষেত্ৰত চৰকাৰৰ এই বক্তব্যটো আমি দাঙি ধৰিলো। মই ভাৱো পদ্ম হাজৰিকা ডাঙৰীয়া এই ক্ষেত্ৰত নিশ্চয় সন্তুষ্ট হৈছে আৰু আশা কৰো সংকল্প প্ৰস্তাৱটো তেখেতে প্ৰত্যাহাৰ কৰিব।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। সন্মানীয় সদস্য পদ্ম হাজৰিকা ডাঙৰীয়া, যিহেতু সন্মানীয় মন্ত্ৰীয়ে উত্তৰ দিছে গতিকে আপুনি সংকল্প প্ৰস্তাৱটো প্ৰত্যাহাৰ কৰিবনে ?

**শ্ৰী পদ্ম হাজৰিকা (চতীয়া) ঃ** মাননীয় অধ্যক্ষ মহোদয়, চৰকাৰক মই ধন্যবাদ জ্ঞাপন কৰিছো যে এই গুৰুত্বপূৰ্ণ আৰু স্পৰ্শকাতৰ বিষযটো চৰকাৰে গুৰুত্ব সহকাৰে গ্ৰহণ কৰিছে। এই আলোচনাটো চলি থাকোতেই উচ্চতম ন্যায়ালয়ে গুৰুত্বপূৰ্ণ ৰায়দান কৰিছে। আমি বনাঞ্চলত বসবাস কৰা আমাৰ থলুৱা মানুহৰ কথাও কৈছিলো আৰু বনাঞ্চলত বসবাস কৰা জীৱ-জন্তু জনাঞ্চললৈ অহাৰ যিটো পৰিবেশ হৈছে তাৰ বাবে বনাঞ্চল সংৰক্ষণ কৰাৰ কথাও কৈছিলো।

বন বিভাগে ১৯৮০ৰ যিখন Forest Conservation Act, সেইমতে তেওঁলোকৰ দায়িত্ব পালন কৰি আছে আৰু আমাৰ জনজাতিকৰণ বিভাগেও তাত বসবাস কৰা লোকসকলৰ উন্নয়নৰ কাৰণে কাম কৰিবলৈ গৈছে। Forest Right Act, 2006 মতে ২০০৫ লৈকে বসবাস কৰা জনজাতি মানুহখিনিক Forest Right দিবৰ কাৰণে এটা পদক্ষেপ লৈছে। এই দুটা বিভাগৰ মাজত এটা সংঘাতৰ সৃষ্টি হৈছে। আমাৰ Village Level Committee, Sub Divisional Committee, District Level Committee য়ে যিখিনি সিদ্ধান্ত গ্ৰহন কৰিছে, যিখিনি proposal আহিছে, তাৰে কিছু proposal accept কৰা হৈছে আৰু কিছু proposal reject কৰা হৈছে বুলি চৰকাৰৰ ফালৰ পৰা জনাইছে। Rule ৰ মতে reject কৰা কোনো proposal review হ'ব নোৱাৰে। কিন্তু তাৰ কাৰণেও এটা pressure চলি আছে। সেই অঞ্চলসমূহত বিভিন্ন বিদ্যালয় আছে, সেই সমূহো চৰকাৰীভাৱে স্বীকৃতি দিয়াৰ ব্যৱস্থা চলি আছে।

আজি যিখিনি উচ্চ পৰ্য্যয়ৰ Committee গঠন কৰাৰ কথা কৈছে, Supreme Court ৰ order মতে সেই Committee য়ে বনাঞ্চল সমূহ ছমাহৰ ভিতৰত বেদখল মুক্ত কৰিব লাগে বুলি order দিছে। গোটেই কথাখিনি বিশ্লেষণ কৰি কম দিনৰ ভিতৰত বনাঞ্চল ৰক্ষা কৰিব লাগে।সচাঁ অৰ্থত যিসকল ভূমিহীন থলুৱা লোক আছে তেওঁলোকো যাতে সংস্থাপিত হয়। তাৰ প্ৰতি লক্ষ্য ৰাখি চৰকাৰে যাতে এটা পদক্ষেপ গ্ৰহন কৰক। এই প্ৰস্তাৱটো এই কাৰণেই দিয়া হৈছে যে সকলোৱে আলোচনা কৰি এইটো বিধানসভাৰ মজিয়াত গ্ৰহন কৰিব লাগে। আগতেও বিধানসভাত দৈয়াং আৰু গহপুৰ বনাঞ্চল অসংৰক্ষিত কৰি পঞ্চায়তৰ অন্তৰ্ভুক্ত কৰিবলৈ প্ৰস্তাৱ আহিছিল আৰু সৰ্ব্বসন্মতি ক্ৰমে এই প্ৰস্তাৱ গ্ৰহন কৰা হৈছিল। ময়ো আজি এই কাৰণে প্ৰস্তাৱটো দাঙি ধৰিছো যাতে এইটো গ্ৰহন হয়। কেন্দ্ৰীয় চৰকাৰলৈ এই প্ৰস্তাৱটো প্ৰেৰণ কৰিব লাগে। কেন্দ্ৰীয় চৰকাৰে যাতে এই ক্ষেত্ৰত ব্যৱস্থা গ্ৰহন কৰি plantation ৰ কাৰণেও ধনৰাশি দিয়ে আৰু অসম চৰকাৰৰ ভূমি নীতি মতে যিখিনি প্ৰকৃত থলুৱা মানুহ তাতবসবাস কৰি আছে তেওঁলোকৰ সংস্থাপনৰ ব্যৱস্থা কৰিব লাগে। প্ৰস্তাৱটো গ্ৰহন কৰিলে মই সুখী হম।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় পদ্ম হাজৰিকা যিটো প্ৰস্তাৱ দিছে এই কথাখিনি আমি Forest Department ৰ পৰা নিশ্চয় ভাৰত চৰকাৰলৈ প্ৰেৰণ কৰিম। গতিকে মই ভাৱো এইটো প্ৰস্তাৱ আকাৰে নল'লেও হ'ব। আমি কম যে এইটোৰ ওপৰত

এটা concensus হৈছে আৰু প্ৰতিটো দলৰ প্ৰতিজন সদস্য এই ক্ষেত্ৰত concern.

**মাননীয় অধ্যক্ষ ঃ** শ্ৰী পদ্ম হাজৰিকা।

**শ্ৰী পদ্ম হাজৰিকা (চতীয়া) ঃ** মাননীয় অধ্যক্ষ মহোদয়, তেখেতে যিহেতু মোক আস্বস্ত কৰিছে গতিকে ক্ষীপ্ৰ গতিৰে ব্যৱস্থা গ্ৰহন কৰাটো মই বিচাৰো। মই মোৰ প্ৰস্তাৱটো প্ৰত্যাহাৰ কৰিছো।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় সদস্য পদ্ম হাজৰিকাই প্ৰস্তাৱটো প্ৰত্যাহাৰ কৰাত সকলো মাননীয় সদস্যৰ সন্মতি আছেনে? (আছে) গতিকে সংকল্প প্ৰস্তাৱটো মই সদনৰ সন্মতি সাপেক্ষে প্ৰত্যাহাৰ কৰিছো।

আজি গোলাঘাট জিলাৰ এটা বাগান অঞ্চলত অতি দুখ লগা ঘটনা এটা ঘটিছে। বিষাক্ত মদ সেৱন কৰি বহু লোকৰ মৃত্যু ঘটিছে আৰু বহু লোকক চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছে। নিশ্চয় চৰকাৰৰ এইটো দৃষ্টি আকৰ্ষণ হৈছে। ইয়াৰ ওপৰত বিহিত ব্যৱস্থা ল'ব লাগে। এই ক্ষেত্ৰত মুখ্যমন্ত্ৰী ডাঙৰীয়াক আমাৰ সকলোৰে concern টো জনাব লাগে। প্ৰকৃততে ঘটনাটো কি হৈছে তাৰ report যাতে আমি অহা সোমবাৰে সদনত আমি পাওঁ।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়টো আমাৰ দৃষ্টিগোচৰ হৈছে আৰু অহা সোমবাৰে সদনত তাৰ এটা বিতং বিৱৰণ আমি দিম। ইতিমধ্যে স্থানীয় প্ৰশাসনক চৰকাৰে তাৰ কাৰণে এটা নিৰ্দেশ দিছে।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মই পৰবৰ্তী বিষয়টোলৈ গৈছো। আমাৰ এটা resolution আছে। তিনিওটা বিধায়িনী দলে বেলেগে বেলেগে দিছিলে যদিও মই এটা কৰি দিছো। resolution টো শ্ৰী দেৱব্ৰত শইকীয়া আৰু তেখেতৰ সহযোগী সকলৰ নামত আছে, শ্ৰী হাফিচ বছিৰ আহমেদ আৰু তেখেতৰ সহযোগী সকলৰ নামত আছে আৰু শ্ৰী অতুল বৰা আৰু তেখেতৰ সহযোগী সকলৰ নামত আছে। শ্ৰী দেৱব্ৰত শইকীয়া ডাঙৰীয়া আপুনি প্ৰস্তাৱটো উত্থাপন কৰক।

**শ্ৰী দেৱব্ৰত শইকীয়া ( নাজিৰা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজিৰ এই বেচৰকাৰী প্ৰশ্নটো উত্থাপন কৰিবলৈ সুযোগ দিয়াৰ বাবে ভাৰতীয় জাতীয় কংগ্ৰেছ, AIUDF আৰু অসম গণ পৰিষদৰ হে আমি ধন্যবাদ জনাইছো। আমাৰ তিনিটা পৃথক পৃথক প্ৰস্তাৱ আপুনি একেলগ কৰি ইয়াত দাঙি ধৰাৰ সুযোগ দিছে। আমাৰ প্ৰস্তাৱটো আছিল লোকসভাত গৃহীত নাগৰিকত্ব সংশোধনী বিধেয়ক ২০১৬ ই অসম আৰু অসমীয়াৰ ভাষা সংস্কৃতিক সংকটৰ মাজলৈ ঠেলি দিয়াৰ উপৰিও বিধেয়কখনে অসম চুক্তিখন নস্যাৎ কৰিছে। সেয়েহে অসম বিধানসভাই সৰ্ব্ব সন্মতিক্ৰমে অসম চুক্তিৰ পৰিপন্থী নাগৰিকত্ব সংশোধনী বিধেয়কখন ০১৬ৰ বিৰোধীতা কৰি কেন্দ্ৰীয় চৰকাৰক পুনৰ বিবেচনাৰে এই বিধেয়কখন সংসদৰ পৰা প্ৰত্যাহাৰ কৰিবলৈ প্ৰস্তাৱ গ্ৰহণ কৰে। অধ্যক্ষ মহোদয় সময় যিহেতু অতি কম যদি আপুনি ভোটলৈ দি দিয়ে তেতিয়া আমি বেয়া নাপাওঁ।

**মাননীয় অধ্যক্ষ ঃ**- মই বিষয়টো উঠোৱাৰ লগে লগে, আজিটো শেষ নহয়, কেতিয়াও গতিকে ৫ বজালৈকে হোৱাৰ পাছত It will continue. প্ৰথমে কোনে ক'ব? কওঁক।

**শ্ৰী সত্যব্ৰত কলিতা, সদস্য ঃ**- মাননীয় অধ্যক্ষ মহোদয়, অসমৰ এটা অতি গুৰুত্বপুৰ্ণ বিষয় লৈ তিনিওটা দলে এটা বেচৰকাৰী প্ৰস্তাব আনিছিলো। মই অসম গন পৰিষদ দলৰ পৰা উত্থাপন কৰা প্ৰস্তাৱটো মই ইয়াত পাঠ কৰি দিব বিচাৰিছো। লোক সভাত গৃহীত নাগৰিকত্ব সংশোধনী বিধেয়ক ২০১৬ য়ে অসম আৰু অসমীয়া ভাষা সংস্কৃতিক সংকটৰ মাজলৈ ঠেলি দিয়াৰ উপৰিও বিধেয়কখনে অসম চুক্তিখন নসাৎ কৰিছে। সেয়ে অসম বিধান সভাই সৰ্বসন্মতিক্ৰমে অসম চুক্তিৰ পৰিপন্থী নাগৰিকত্ব সংশোধনী বিধেয়ক ২০১৬ৰ বিৰোধীতা কৰি কেন্দ্ৰীয় চৰকাৰক পুনৰ বিবেচনাৰে এই

বিধেয়কখন সংসদৰ পৰা প্ৰত্যাহাৰ কৰিবৰ বাবে প্ৰস্তাৱ গ্ৰহণ কৰে।

**শ্ৰী আমিনুল ইছলাম, সদস্য ঃ-** মাননীয় অধ্যক্ষ মহোদয়, আপোনাক প্ৰথমে ধন্যবাদ জ্ঞাপন কৰিছো যে আমাৰ এই সংকল্প প্ৰস্তাৱটো উত্থাপনৰ সুবিধা দিয়াৰ কাৰণে। আমি এ আই ইউ ডি এফ দলৰ পৰা লোক সভাত গৃহীত নাগৰিকত্ব সংশোধনী বিধেয়ক ২০১৬ য়ে অসম আৰু অসমীয়া ভাষা সংস্কৃতিক সংকটৰ মাজলৈ ঠেলি দিয়াৰ উপৰিও বিধেয়কখনে অসম চুক্তিখন নস্যাৎ কৰিছে। সেয়ে অসম বিধান সভাই সৰ্বসন্মতিক্ৰমে অসম চুক্তিৰ পৰিপন্থী নাগৰিকত্ব সংশোধনী বিধেয়ক ২০১৬ৰ বিৰোধীতা কৰি কেন্দ্ৰীয় চৰকাৰক পুনৰ বিবেচনাৰে এই বিধেয়কখন সংসদৰ পৰা প্ৰত্যাহাৰ কৰিবৰ বাবে প্ৰস্তাৱ গ্ৰহণ কৰে।

**মাননীয় অধ্যক্ষ ঃ-** ঠিক আছে। এজনে আৰম্ভ কৰক।

**শ্ৰী দেৱব্ৰত শইকীয়া, বিৰোধী দলৰ দলপতি ঃ-** মাননীয় অধ্যক্ষ মহোদয়, মই এই সংকল্প প্ৰস্তাৱৰ সপক্ষে দুষাৰ কব বিচাৰিছো। নাগৰিকত্ব সংশোধনী বিধেয়কলৈ আমাৰ সমগ্ৰ উত্তৰ পূৰ্বৰ ৰাজ্য বিশেষকৈ অসম ইতিমধ্যে অগ্নিগৰ্ভা হৈ উঠিছে। আৰু ইয়াৰ প্ৰমান আমি যোৱা সময় ছোৱাত ২০১৫ চনৰ পৰাই প্ৰকৃততে যেতিয়াই দুখন নটিফিকেশ্যন ওলালে কেন্দ্ৰীয় চৰকাৰৰ পৰা, সেই সময়ৰ পৰাই বিভিন্ন দল সংগঠন সমুহে ইয়াৰ প্ৰতিবাদত ৰাজপথত ওলাই অহা আমি দেখা পাইছো। বৈধ নাগৰিকৰ স্বাৰ্থ বনাম অবৈধ প্ৰবজনকাৰীৰ স্বাৰ্থ আলোচনা কৰিবলৈ গলে আমি আগৰ কিছু ঘটনাৱলীত চকু ফুৰাব লাগিব। ১৯৭৯ চনত মঙ্গলদৈ লোক সভা সমষ্টিৰ উপ নিৰ্বাচনৰ সময়ত ভোটাৰ তালিকাত থকা নামৰ অস্বাভাৱিক বৃদ্ধি দৃষ্টিগোচৰ হোৱাৰ পিছত অসমৰ স্বাৰ্থ ৰক্ষাৰ বাবে আছুৰ নেতৃত্বত এক গন আন্দোলন গঢ়ি উঠিছিল যাক পিছলৈ অসম আন্দোলন অথবা Assam movement হিচাবে অভিহিত কৰা হৈছিল। আন্দোলনটোৰ মুল লক্ষ্য আছিল প্ৰধানকৈ পূৰ্বৰ পূব পাকিস্তান আৰু পিছত বাংলাদেশৰ পৰা অহা অবৈধ প্ৰবজনকাৰীক ভোটাধিকাৰ তথা নাগৰিকত্বৰ পৰা বঞ্চিত কৰি অসমৰ পৰা বিতাৰিত কৰা। অবৈধ বিদেশীক চিনাক্ত কৰি বিতাড়ণ কৰিলে অসমৰ মানুহৰ ৰাজনৈতিক, অৰ্থনৈতিক , ভাষিক, সাংস্কৃতিক আদি স্বাৰ্থ ৰক্ষা হ'ব বুলি ক্ৰমান্নয়ে সৰ্বসন্মতি গঢ়ি উঠিঠিল। আন্দোলনটো ৬ বছৰ চলাৰ পিছত ১৯৮৫ চনত প্ৰয়াত প্ৰধান মন্ত্ৰী ৰাজীৱ গান্ধীৰ উদ্যোগত তেখেত প্ৰধান মন্ত্ৰী হোৱাৰ খুব কম সময়ৰ ভিতৰতে অসমৰ স্বাৰ্থ ৰক্ষাৰ হকে কেন্দ্ৰীয় চৰকাৰ ৰাজ্য চৰকাৰ আছু আৰু সংগ্ৰাম পৰিষদৰ নেতৃবিন্দৰ মাজত ঐতিহাসিক অসম চুক্তি বুলি জনাজাত দলিল স্বাক্ষৰ হয়। এইখিনিতে উল্লেখ কৰা প্ৰয়োজন যে অসম চুক্তি ৰূপায়নৰ অৰ্থে সেই সময়ত অসমত শাসন কৰি থকা প্ৰয়াত হিতেশ্বৰ শইকীয়া নেতৃত্বাধীন ৰাজ্য চৰকাৰখনে নিজৰ কাৰ্য্যকাল শেষ নহওতেই পদত্যাগো কৰিছিল। কিছুলোকে উক্ত চৰকাৰখনে পোৱা ভোটৰ সংখ্যাক লৈ আঙুলিয়াই সেইখনৰ বৈধতাৰ বিষয়ে প্ৰশ্ন তোলে যদিও সংবিধানত যিহেতু চৰকাৰ গঠনৰ বাবে কোনো নিম্নতম ভোট প্ৰাপ্তিৰ শতাংশৰ উল্লেখ নাই। সেই হেতুকে সেইখন চৰকাৰ যদিও অবৈধ বুলি কোৱা হয়, সেইখন বৈধ চৰকাৰ আছিল আৰু সেইখন ভংগ কৰি কংগ্ৰেছ দলে অসমৰ স্বাৰ্থত এটা sacrifice কৰিছিল।

**মাননীয় অধ্যক্ষ ঃ-** আপুনি বিষয়টো পিছত Continue কৰিব।

**(মাননীয় অধ্যক্ষ মহোদয়ে বিধান সভাৰ কাৰ্য্যাৱলী ২৫-২-২০১৯ তাৰিখে পুৱা ৯ঃ৩০ বজালৈ স্থগিত ৰাখে। লগতে কাইলৈ পুৱা ১০ঃ৩০ বজাৰ পৰা Art and Culture ৰ ওপৰত যিটো আলোচনা হ'ব তাত সকলোকে উপস্থিত থাকিবলৈ অনুৰোধ জনায়)।**